www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিয়ে তোমাৰ অন্যায় কৰে, তাৰ বিনিময়ত তেওঁৰ উপকাৰ কৰাটোহে তেওঁক শাস্তি দিয়াৰ উত্তম পন্থা — এ পি জে আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১৯৪ | সোমবাৰ | ১৫ ছেপ্তেম্বৰ, ২০২৫ চন | ২৯ ভাদ, ১৯৪৭ শক | VOL - 6 | NO.- 194 | Monday | 15th September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## গামোচা আৰু মুগাৰ দৰেই অসমৰ নতুন পৰিচয় হ'ব পলীপ্ৰ'পেলিন

# বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক বায়'ইথানল প্ৰকল্পৰ উদ্বোধন

- প'লিপ্ৰপেলিন উৎপাদন প্ৰকল্পৰ আধাৰশিলা স্থাপন
- কংগ্ৰেছে অসমৰ মহান বীৰ-বীৰাংগনাক সঠিক সন্মান নিদিয়াৰ অভিযোগ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ছেপ্টেম্বৰ ঃ** দেওবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক দ্বিতীয় প্ৰজন্মৰ (২জি) জৈৱ ইথানল প্ৰকল্পৰ উদ্বোধন কৰি অসমৰ উন্নয়নৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। এই জৈৱ শোধনাগাৰটোত বাঁহৰ পৰা ইথানলৰ উপৰিও » ৬ পৃষ্ঠাত



## নুমলীগড়ত প্ৰধানমন্ত্ৰীৰ সভা; যান-জঁটত আবদ্ধ শ শ বাহন

**ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ১৪ ছেপ্টেম্বৰ ঃ** নুমলীগড় শোধনাগাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কাৰ্যসূচীত অংশ ল'বলৈ অহা হাজাৰ হাজাৰ ৰাইজৰ ভিৰৰ ফলত ৩৯ নং ৰাষ্ট্ৰীয় ঘাই পথত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে। দেওবাৰে প্ৰধানমন্ত্ৰীয়ে বিশ্বৰ প্ৰথম » ৬ পৃষ্ঠাত

### কংগ্ৰেছক অনুপ্ৰৱেশকাৰী আখ্যা দি ৰণহুংকাৰ

## '২৬ত অনুপ্ৰৱেশকাৰী বিৰোধী কঠোৰ স্থিতি আৰু উচ্ছেদে হ'ব বিজেপিৰ নিৰ্বাচনৰ মূলমন্ত্ৰ

### মণিপুৰৰ ৰাজধানীক সংযুক্ত কৰা হ'ব ৰে'লযোগে

## মণিপুৰত আশা আৰু বিশ্বাসৰ নতুন সূৰুয উদয় হৈছেঃ মোদী

### মণিপুৰৰ নামতেই 'মণি' আছে, এই 'মণি'য়ে উত্তৰ-পূৰ্বাঞ্চলক জিলিকাই ৰাখিব

### মই শিৱৰ ভক্ত, সকলো বিষ গিলিব পাৰো ঃ মোডী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ ছেপ্টেম্বৰ ঃ** দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেওবাৰে দৰং জিলাত ৬, ৩০০ কোটি টকাৰ স্বাস্থ্য আৰু আন্তঃগাঁথনি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। কালি নিশাটো গুৱাহাটীত কটোৱাৰ পিছত আজি পুৱা প্ৰধানমন্ত্ৰী মোদীয়ে দৰং মেডিকেল কলেজ আৰু হাস্পতালৰ » ৬ পৃষ্ঠাত

### মঙলদৈৰ জনসভাত কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ প্ৰধানমন্ত্ৰী মোদী



### মণিপুৰৰ গৃহহীনৰ বাবে PMAYৰ অধীনত নিৰ্মাণ কৰা হৈছে প্ৰায় ৭০০০ গৃহ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ইম্ফল, ১৪ ছেপ্টেম্বৰ ঃ** ২০২৩ চনৰ মে' মাহত জাতিগত হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পিছত প্ৰথমবাৰলৈ মণিপুৰলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চুৰাচান্দপুৰত ৰাইজক » ৬ পৃষ্ঠাত

### অসমৰ উন্নয়নৰ দৌৰত হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্ব অতুলনীয় ঃ পীয়ুষ গোৱেল

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৪ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় উদ্যোগ তথা বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে দিল্লীত সাদিন-প্ৰতিদিন গোষ্ঠীৰ দ্য কনক্লেভ-২০২৫ত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ » ৬ পৃষ্ঠাত



### তালিকাত অন্তৰ্ভুক্ত মেঘালয়ৰ 'এজ কেভ' আৰু নাগালেণ্ডৰ 'নাগা হিল অফিঅ'লাইট'

## ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যৰ আংশিক তালিকাত ভাৰতৰ সাতটা নতুন স্থান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ ছেপ্টেম্বৰ ঃ** ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যৰ আংশিক তালিকাত ভাৰতৰ সাতটা নতুন স্থান অন্তৰ্ভুক্ত হৈছে, যাৰ ফলত দেশৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যৰ সংৰক্ষণৰ প্ৰতি অঙ্গীকাৰ আৰু অধিক সুদৃঢ় হৈছে। এই তালিকাত উত্তৰ-পূৰ্বাঞ্চলৰ মেঘালয় আৰু নাগালেণ্ডৰ দুখন স্থানৰ লগতে অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু কেৰালাৰ গুৰুত্বপূৰ্ণ প্ৰাকৃতিক আৰু ভূতাত্ত্বিক ঐতিহ্যৰ » ৬ পৃষ্ঠাত

### হিমালয়ৰ দৰে বাধা আহিলেও অসমৰ উন্নতি ৰোধ কৰা অসম্ভৱ

## অসমৰ বিকাশৰ গতি অপ্ৰতিৰোধ্য ঃ মুখ্যমন্ত্ৰী

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ উন্নয়নৰ গতি কোনেও ৰখাব নোৱাৰে, আনকি সন্মুখত হিমালয়ৰ দৰে বাধা আহিলেও তাক » ৬ পৃষ্ঠাত



### সভাপতি অখিল গগৈৰ ঘোষণা

## '২৬ৰ নিৰ্বাচনত ৩৬খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব ৰাইজৰ দলে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ ছেপ্টেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা » ৬ পৃষ্ঠাত

### যমদুৱাৰ, শৰাইবিল সমষ্টিত প্ৰমোদ বড়ো, সাংসদ জয়ন্ত বসুমতাৰীৰ নিৰ্বাচনী প্ৰচাৰ

## হাগ্ৰামাক লাগে মাথোঁ ক্ষমতা, গণতন্ত্ৰ বুজি নাপায়ঃ প্ৰমোদ বড়ো




**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** বি পি এফে কংগ্ৰেছ আৰু বিজেপিৰ লগত ১৫ বছৰে চৰকাৰ চলাইছিল। তথাপি বি টি চিত হত্যা - হিংসা, গোষ্ঠী সংঘৰ্ষ, দাদাগিৰি আদিৰে এক অৰজাকতাৰ পৰিৱেশ হৈছিল। বি টি চিৰ » ৬ পৃষ্ঠাত

### ৩৪ নং খালিংদুৱাৰ সমষ্টিত বিপিএফৰ মাৰাথন প্ৰচাৰ

## ইউ পি পি এল মানে এবছু-এবছু মানে ইউ পি পি এল- হাগ্ৰামা মহিলাৰী

**অসম বাৰ্তা, টংলা, ১৪ ছেপ্টেম্বৰ ঃ** ইউপিপিএল মানে এবছু আৰু এবছু মানে ইউ পি পি এল। আমাৰ কাৰণে এইবোৰ কোনো ডাঙৰ কথা নহয়। যোৱা পাচ বছৰে এবছুয়ে বিটিচিত চৰকাৰ কেনেদৰে চলাই আছিল সকলো ৰাইজে জানে। আনকি ইউ পি পি এলৰ নিজৰ সাধাৰণ কৰ্মী সকলেও বিভিন্ন » ৬ পৃষ্ঠাত



## গৌৰৱ গগৈৰ 'ব্ৰিটিছ-আমেৰিকান ষ্টাইল' অসমত নচলিব ঃ অখিল গগৈ

### বিজেপি এটা বৰ্ণবাদী দল, যিয়ে ভাৰত আৰু অসমত ব্ৰাহ্মণ্যবাদ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে

**ষ্টাফ ৰিপ'টাৰ, যোৰহাট, ১৪ ছেপ্টেম্বৰ ঃ** '২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পটভূমিত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ গৃহ সমষ্টি তিতাবৰত কংগ্ৰেছৰ নেতা গৌৰৱ গগৈৰ বিৰুদ্ধে বিস্ফোৰক » ৬ পৃষ্ঠাত









# নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ত “বিশ্ব ভাতৃত্ব দিৱস” পালন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ ছেপ্টেম্বৰ ঃ** নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ১১ ছেপ্টেম্বৰৰ বিয়লি বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী, অসম প্ৰান্ত, নগাঁও শাখা আৰু গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ যৌথ উদ্যোগত “বিশ্ব ভাতৃত্ব দিৱস” উপলক্ষে এখনি সভা অনুষ্ঠিত হয়। সভাখনৰ আদৰণি ভাষণ প্ৰদান কৰি বাণিজ্য মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মৃগাংক শইকীয়াই স্বামী বিবেকানন্দৰ কৰ্তব্যপৰায়ণতা, মানৱ প্ৰেম আৰু দেশৰ প্ৰতি থকা নিষ্ঠা, ভাতৃত্বভাবৰ বিষয়ে ব্যাখ্যা কৰে। বিবেকানন্দ কেন্দ্ৰৰ নগাঁৱৰ সঞ্চালক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া সৌৰেন্দ্ৰ মোহন গোস্বামীয়ে মহোপনিষদৰ ভাৰতীয় আদৰ্শৰ ‘বসুধৈৱ কুটুম্বকম’ ব্যাখ্যাৰে সকলোকে আদৰণি জনাই ভাষণ প্ৰদান কৰে। নগাঁও কেন্দ্ৰৰ নগৰ প্ৰমুখ সন্ধ্যা বৰুৱাই সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী, অসম প্ৰান্ত আৰু নগাঁও কেন্দ্ৰৰ পৰিচয় দাঙি ধৰি কেন্দ্ৰৰ কাৰ্যাৱলী, ইয়াৰ লক্ষ্য যে ‘Man making’ আৰু ‘Nation Building’ সেই কথা উল্লেখ কৰে। ইয়াৰ পিছত কাৰ্যকৰ্তাসকলে এটি গীতৰ মাজেৰে দেশপ্ৰেমৰ বৰ্ণনা দাঙি ধৰে। সম্পৰ্ক প্ৰমুখ ডঃ কবিতা দেৱী কুশ্ৰেই আঁট ধৰা সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ নমিতা কলিতাই স্বামীজীৰ জীৱন পৰিক্ৰমা, আদৰ্শ আৰু নতুন শিক্ষানীতি-২০২১ ত স্বামীজীৰ দৰ্শনৰ প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰে। তেওঁ ভাষণ প্ৰসংগত মানৱ সেৱাই যে প্ৰকৃত সেৱা, কৰ্মই যে প্ৰকৃত ধৰ্ম আৰু ঈশ্বৰ প্ৰকৃততে সকলোৰে অন্তৰাত্মাত আছে সেই কথা উল্লেখ কৰি প্ৰসংগক্ৰমে স্বামীজীক ‘আধুনিক ভাৰতৰ জাগৰণী দূত’ বুলি অভিহিত কৰে। উক্ত সভাতে বিবেকানন্দ কেন্দ্ৰ নগাঁও-তেজপুৰ শাখাৰ বিভাগ প্ৰমুখ মুকুল বৰঠাকুৰে ভাষণ প্ৰসংগত স্বামীজীৰ ১৮৯৩ চনৰ ১১ ছেপ্টেম্বৰৰ পৰা ২৭ ছেপ্টেম্বৰলৈ চিকাগোত দিয়া মুঠ ৬টা বক্তৃতাৰ বৰ্ণনা কৰে। সভাৰ মাজতে সংস্কাৰ বৰ্গৰ বিবেকানন্দ বিদ্যাপীঠ, খুটিকটীয়াৰ কণ কণ শিশুসকলে সূৰ্য প্ৰণাম প্ৰদৰ্শন কৰি সমবেতসকলক সন্মোহিত কৰে। সভাত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ উপৰি বিবেকানন্দ কেন্দ্ৰ, নগাঁও শাখা কাৰ্যকৰ্তা নিবেদিতা দাস, নিৰ্জুলা দেৱী, স্বপ্ন দে, বীণা মল্লিক, মল্লিকা শৰ্মা, জিতেন বিশ্বাস, গৌৰী মহন্ত, পূৰবী শইকীয়া, দীপশিখা বৰা, স্বৰনম হাজৰিকা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত বৰা, শোণিত বৰা প্ৰমুখ্যে শতাধিক লোক উপস্থিত থাকে। সভাৰ শলাগৰ শৰাই আগবঢ়ায় কাৰ্য পদ্ধতি প্ৰমুখ তথা অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ অঞ্জনা গোস্বামীয়ে। সভাৰ আৰম্ভণিতে স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অধ্যক্ষা ডঃ নমিতা কলিতাই।

# ডুমডুমা শতদল শাখা সাহিত্য সভাই সুঁৱৰিলে সু-সাহিত্যিক যোগেশ দাসক

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৪ ছেপ্টেম্বৰ ঃ** ডুমডুমা শতদল শাখা সাহিত্য সভাই যোৱা ৯ ছেপ্টেম্বৰত শাখাৰ ভৱনত ডুমডুমাৰ সু-সন্তান, সু-সাহিতিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগেশ দাসৰ স্মৃতি দিবসটিত এটি স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰে। যোগেশ দাসৰ প্ৰতিছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি ডাঃ গিৰিশ সন্দিকৈয়ে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ গ্ৰহণ কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱা, শাখাৰ সভাপতি দেবেন ডেকা, ডুমডুমা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা কৰবী বৰা, তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° নীতা পাল, তিনিচুকীয়া শতদল শাখা সাহিত্য সভাৰ সভাপতি অৰুণিমা সন্দিকৈ, ডুমডুমা শাখাৰ সম্পাদক নিত্যানন্দ দাস, উপ সভাপতি ত্ৰিদীপ ডেকাকে ধৰি উপস্থিত ভালে সংখ্যক লোকে। কাকলি কলিতাই পৰিৱেশন কৰা এটি বৰগীতৰ পিছতেই অনুষ্ঠানটিৰ আমন্ত্ৰিত বক্তা ডুমডুমা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা কৰবী বৰাই অসমীয়া সাহিত্যত যোগেশ দাসৰ সাহিত্য কৃতিৰ ওপৰত আলোকপাত কৰি এক মননশীল বক্তব্য প্ৰদান কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি ডাঃ গিৰিশ সন্দিকৈয়ে অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি এই গৰাকী সাহিত্যিকৰ সৈতে হোৱা সান্নিধ্য আৰু তেখেতৰ অসমীয়া সাহিত্য লৈ আগবাঢ়োৱা অৱদান বিস্তৃতভাৱে ব্যাখ্যা কৰে। তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° নীতা পাল আৰু ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক মৃগেন শইকীয়াই যোগেশ দাসৰ সান্নিধ্য আৰু ব্যক্তিত্বৰ বিষয়ে চমু ভাষণ প্ৰদান কৰে। এই সভাতেই যোগেশ দাসৰ সমগ্ৰ সাহিত্য একত্ৰিত কৰি সংকলন আকাৰে অসম সাহিত্য সভাৰ ‘ভাষা গৌৰৱ আঁচনি’ৰ অধীনত প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই এক প্ৰস্তাৱ অসম সাহিত্য সভালৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানত অনামিকা লহকৰে এটি ভূপেন্দ্ৰ সংগীত আৰু নম্ৰতা তালুকদাৰে এটি ভূপেন্দ্ৰ নৃত্য পৰিৱেশন কৰে। শেষত জাতীয় সংগীত পৰিবেশন কৰি অনুষ্ঠানৰ সামৰণি মৰা হয়।

## ৫৫ নং ধিং বিধানসভা সমষ্টিত এআইইউডিএফৰ সাংগঠনিক সভা

**অসম বাৰ্তা, বটদ্ৰৱা, ১৪ ছেপ্টেম্বৰ ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ ৰণকৌশল প্ৰস্তুত কৰাৰ উদ্দেশ্যে আজি ধিং সমষ্টিৰ অন্তৰ্গত ধিং আৰু নিজধিং ব্লকৰ যৌথ উদ্যোগত দুয়োখন ব্লকৰ কৰ্মী সকলক লৈ আজি ধুপগুৰীত এক সাংগঠনিক সভা অনুষ্ঠিত হয়। “সাংগঠনিক শক্তি বিকাশ অভিযান, লক্ষ-২০২৬” অংশ হিচাপে অনুষ্ঠিত হোৱা সভাত নগাঁও জিলাৰ এ, আই, ইউ, ডি, এফৰ সভাপতি মতিউৰ ৰহমানে কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে বিজেপি দলকো কঠোৰ ভাষাৰে সমালোচনা কৰি কয় যে, দুয়োটা দলেই সংখ্যালঘুৰ শত্ৰু এ, আই, ইউ, ডি, এফ দল চৰকাৰৰ অংশীধাৰত্বত আহিলে হে সংখ্যালঘুৰ সমস্যা সমাধান হব। লগতে ধিং সমষ্টিত বিগত ২০বছৰ ৰাইজে এ, আই, ইউ, ডি, এফ দলক সমৰ্থন আগবঢ়াই আহিছে আগন্তক দিনতো এ, আই, ইউ, ডি, এফক সমৰ্থন কৰিব আৰু বিপুল ভোটত জয়যুক্ত কৰিব বুলি নেতা গৰাকীয়ে মন্তব্য প্ৰধান কৰে।

## মাকুমত নাৰী মুক্তিৰ তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা, মাকুম, ১৪ ছেপ্টেম্বৰ ঃ** আজি মাকুমস্থিত বনমালী শইকীয়া সাহিত্য সভা ভৱনত নাৰী মুক্তি সংগ্ৰাম সমিতি তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। ইতিমধ্যে নাৰী মুক্তি সংগ্ৰাম সমিতিয়ে মাইক্ৰফাইনেন্স ঋণ ৰেহাইৰ দাবীত জিলাখনৰ বিভিন্ন ঠাইত ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছিল। আন্দোলনৰ অন্তত ডুমডুমা ৰাজহ চক্ৰ বিষয়াই ২০২১ চনৰ ৩১ মাৰ্চৰ যিবিলাকে ঋণ লৈ আছে তেওঁলোকৰ ওচৰলৈ ঋণ বিচাৰি নাযাবলৈ বুলি নিৰ্দেশনা প্ৰদান কৰাত আজিৰ কাৰ্যনিৰ্বাহক সভাত সকলো আই মাতৃ সকললৈ নিৰ্দেশনা পত্ৰ সমূহ বিতৰণ কৰি দিয়া হয়। নিৰ্দেশনা পত্ৰ সমূহ বিতৰণ কৰি আই মাতৃ সকলৰ ওচৰলৈ যদি পুনৰ ঋণ পৰিশোধ কৰাৰ বাবে বিচাৰি যায় তেন্তে চক্ৰ বিষয়া, প্ৰশাসনক যোগাযোগ কৰিবলৈ আহ্বান জনাইছে বুলিও সভাত অৱগত কৰে। লগতে আজিৰ সভা স্থলীৰ পৰাই মাইক্ৰফাইনেন্স ঋণ ৰেহাই প্ৰদানৰ দাবীত ধাৰাবাহিক সংগ্ৰাম খনত সহায় সহযোগিতা কৰা চক্ৰ বিষয়া পুলিচ প্ৰশাসনৰ বিষয় ববীয়া সকলোকে আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে নাৰী মুক্তি সংগ্ৰাম সমিতি কেন্দ্ৰীয় সমিতিৰ সভা নেত্ৰী অনিতা সোণোৱালে। আজিৰ কাৰ্যনিৰ্বাহক সভাত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি কেন্দ্ৰীয় সমিতিৰ সভাপতি পাপু দত্ত, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ও প্ৰচাৰ সম্পাদক বিমান গগৈ, নাৰী মুক্তি সংগ্ৰাম সমিতি কেন্দ্ৰীয় সমিতিৰ সভা নেত্ৰী অনিতা সোণোৱাল, নাৰী মুক্তি সংগ্ৰাম সমিতিৰ সভানেত্ৰী পম্পী শইকীয়া, সম্পাদিকাদ্বয় ক্ৰমে ৰূপালী গগৈ, গুণমালা মৰাণ প্ৰমুখ্যে কৰি অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে।

## ডিব্ৰুগড়ৰ চাউলখোৱাত ৰে'লে কাটি যুৱকৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ চাউলখোৱাত ভয়ংকৰ ৰে'ল দুৰ্ঘটনা। ৰে'ল ক্ৰচিং পাৰ হ'বলৈ লওতেই ৰে'লে মহতিয়াই নিয়ে বাইকসহ এজন যুৱকক। থিতাতে নিহত হয় ফাইজুল আলি নামৰ ২৫ বছৰীয়া যুৱকজন। ঘটনাৰ বিৱৰণীমতে আন দিনৰ দৰে সৰু ভায়েকক চাউলখোৱা ল'ৰাৰ মাদ্ৰাছাত থৈ ঘৰলৈ ঘূৰি আহোঁতে পুৱা ৭-৩০ মান বজাত এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। প্ৰত্যক্ষদৰ্শীৰ মতে যাত্ৰীবাহী ৰে'ল এখনে বন্ধুৰ চুচোৰাই নিয়ে আলিয়ে চলাই লৈ যোৱা হিৰ'হোণ্ডা মটৰ চাইকেলখন। বাইকখনৰ নম্বৰ হৈছে এ এছ ০৬ কে ৩৯৭৩। মৃত্যুৰ সময়ত পত্নীৰ লগতে পিতৃ মাতৃক ইহ সংসাৰত এৰি যায়। মঙ্গলদৈৰ বাসিন্দা ফাইজুল আলি কৰ্মসূত্ৰে ৰাজমিস্ত্ৰী কাম কৰিছিল। মৃত্যুৰ লগে লগে ডিব্ৰুগড় ৰে'ল বিভাগৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰি মৰণোত্তৰৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ লৈ যায়।

## তীব্ৰ প্ৰতিবাদত নামিব ক্ষুদ্ৰ চাহ খেতিয়ক, নাহৰকটীয়া ক্ষুদ্ৰ চাহ খেতিয়কৰ হুংকাৰ

**অসম বাৰ্তা, নাহৰকটীয়া, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগৰ ইতিহাসত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে ক্ষুদ্ৰ চাহ খেতিয়ক সকলে। আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহে ফেৰ মাৰিব পৰাকৈ প্ৰতিযোগিতামূলকভাৱে গুণগত চাহ উৎপাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে। ৰাজ্যৰ অথনৈতিক অৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত অসমৰ বৰ্তমানৰ দুই লাখৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়কে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে কিন্তু কেঁচা চাহপাতৰ উচিত মূল্য লাভ নকৰি ক্ষুদ্ৰ চাহ খেতিয়ক সকলে লোকচানৰ সন্মুখীন হৈ আহিছে। এই ক্ষেত্ৰত চৰকাৰে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষোভিত হৈছে ক্ষুদ্ৰ চাহ খেতিয়ক সকল। এইবাৰ প্ৰতিবাদ কৰিবলৈ সাজু হৈছে ডিব্ৰুগড় জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকল। আজি নাহৰকটীয়া ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কাৰ্যালয়ত সংবাদমেল অনুষ্ঠিত কৰি প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিলে জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই। অহা ১৫ ছেপ্টেম্বৰ সোমবাৰে জিলাৰ আয়ুক্ত কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰিব ক্ষুদ্ৰ চাহ খেতিয়ক সকলে।

## বকোৰ বন্দাপাৰাত বেকেলী গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ বাৰ্ষিক সাধাৰণ সভা

**অসম বাৰ্তা, বকো, ১৪ ছেপ্টেম্বৰ ঃ** বকোৰ বন্দাপাৰাত বেকেলী গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ ৫২ সংখ্যক বাৰ্ষিক সাধাৰণ সভা সম্পন্ন। কামৰূপ জিলাৰ বকোৰ বন্দাপাৰাত বেকেলী গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ ২০২৪-২৫ ইং বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন দিনযোৰা কেইবাটাও কাৰ্য্যসুচীৰে বন্দাপাৰাৰ জনতা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। সমিতিখনৰ সভাপতি পদ্মলোচন ৰাভা আৰু সম্পাদক নৰেন্দ্ৰ চন্দ্ৰ ৰাভাই জনোৱা অনুসৰি সভাখনত বিভিন্ন ঠাইৰ পৰা প্ৰায় ১৫ শতাধিক অংশীদাৰ উপস্থিত থাকে বুলি জনায়। সভাখনত উপস্থিত থাকে বিভাগীয় পৰ্যবেক্ষক জয়ন্ত কুমাৰ পাঠকৰ লগতে কেইবাগৰকী অতিথি। ইফালে, সমবায় সমিতিখনে ৰাজ্য চৰকাৰৰ পৰা পাবলগীয়া ৫২ লাখ টকা লাভ কৰিলে অনাগত দিনত বৃহত্তৰ অংশীদাৰী ৰাইজৰ স্বাৰ্থত বিভিন্ন উন্নয়নমূলক কামত কৰি যাব বুলি সংবাদ মাধ্যমৰ আগত এইদৰে কয়।

## চিকিৎসাৰ আহ্বান বন বিভাগক

## পাঁচদিন ধৰি পথাৰৰ মাজত অসুস্থ বনৰীয়া হাতী

**অসম বাৰ্তা, কচুৱা, ১৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত কচুৱাৰ শিমলুগুৰীৰ গৰুবন্ধা পথাৰত এটা অসুস্থ বন্যহস্তী বিগত পাঁচদিন ধৰি পথাৰৰ মাজত আৱদ্ধ হৈ থকাৰ কথা জানিব পৰা গৈছে। পাঁচদিন ধৰি পথাৰৰ মাজত অসুস্থ বনৰীয়া হাতীটোক চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ জনোৱাৰ পিছতেও বন বিভাগে কোনো ব্যৱস্থা হাতত নোলোৱাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে বনাঞ্চলৰ পৰা নামি অহা হাতীটোৰ ঠেংত আঘাতপ্ৰাপ্ত হোৱা বাবে বনাঞ্চললৈ উভতি যাব নোৱাৰাত পথাৰৰ মাজত দীৰ্ঘদিন ধৰি আবদ্ধ হৈ আছে। হাতীটোৰ প্ৰকাণ্ড আঘাতৰ চিন থকাৰ বাবে স্থানীয় লোকে কামপুৰৰ বনবিভাগৰ লোকক খবৰ দিয়াৰ পিছতো কোনো পদক্ষেপ হাতত নোলোৱাৰ অভিযোগ উঠিছে। স্থানীয় লোকে পথাৰত আৱদ্ধ হৈ থকা অসুস্থ হাতীটো উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। ইপিনে আঘাতপ্ৰাপ্ত হাতীটোৱে পথাৰত আবদ্ধ হৈ থকাত কৃষকৰ ধাননি পথাৰ বিনষ্ট সাধন কৰাৰ লগতে নিশাৰ ভাগত গাওঁখনত উপদ্ৰৱ চলাই বুলি মন্তব্য কৰে স্থানীয় ৰাইজে।

### অসম-বহিঃৰাজ্যৰ যথেষ্ট সংখ্যক প্ৰতিযোগীৰ অংশগ্ৰহণ

## দেৰগাঁৱৰ দাধৰাত এগ্ৰ'ফ্ৰামৰ উদ্যোগত বৰশীত মাছ ধৰা প্ৰতিযোগিতা

**অসম বাৰ্তা, দেৰগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** শনিবাৰে দেৰগাঁৱৰ দাধৰাৰ এক গ্ৰামাঞ্চলত দেখা গ'ল এক ব্যতিক্ৰমী পৰিৱেশ। দাধৰা এগ্ৰ'ফ্ৰামৰ উদ্যোগত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ল এখন আকৰ্ষণীয় বৰশীৰে মাছ ধৰা প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ উপৰি বহি ৰাজ্যৰ যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এক প্ৰকাৰ ঐক্য আৰু সম্প্ৰীতিৰ ইতিবাচক উদাহৰণ দাঙি ধৰিছে এগ্ৰ'ফ্ৰামে। গ্ৰামাঞ্চলটোৰ বৃহৎ আকাৰৰ এটা ফিছাৰিত অনুষ্ঠিত প্ৰতিযোগিতাত দুয়োপাৰৰ পৰিৱেশ অ'তি নান্দনিক হৈ পৰা দেখা গৈছে। প্ৰতিযোগিতা চাবলৈ হিল-দল ভাঙি ওলাই অহা দেখা গ'ল সহস্ৰাধিক ৰাইজ। আয়োজক আৰু স্থানীয় ৰাইজৰ আশা এই প্ৰতিযোগিতাই অঞ্চলটোত গ্ৰাম্য পৰ্যটন সুচল কৰি তুলিব। প্ৰতিযোগিতাত স্থান প্ৰাপ্ত প্ৰথম শ্ৰেষ্ঠ প্ৰতিযোগী ১ লাখ টকা দ্বিতীয় শ্ৰেষ্ঠ জনে ৪০ হাজাৰ আৰু তৃতীয় শ্ৰেষ্ঠ জনে ১৫ হাজাৰ নগদ ধনৰ পুৰস্কাৰ পোৱা লগতে ২৫ গৰাকী প্ৰতিযোগীলৈ উদগনি পুৰস্কাৰ আগবঢ়ায়।

# ডিব্ৰুগড় মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত অসম প্ৰকাশন পৰিষদৰ গ্ৰন্থমেলাৰ সফল সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰ ঃ** অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অসমৰ কলেজসমূহত আয়োজন কৰিবলৈ লোৱা গ্ৰন্থমেলাৰ ডিব্ৰুগড় জিলাত প্ৰথমখন গ্ৰন্থমেলা ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত ৯ ছেপ্তেম্বৰৰ পৰা ১১ ছেপ্তেম্বৰলৈ তিনিদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা হৈছিল ‘কবিতা, গীত, কিতাপ আৰু আলাপ’-শীৰ্ষক এক মননশীল অনুষ্ঠান। সমল ব্যক্তি হিচাপে উপস্থিত আছিল বিশিষ্ট কবি ডা ডাঃ প্ৰণয় ফুকন, লেখক সুমন দত্তৰ লগতে কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই। ছাত্ৰীসকলৰ কবিতা পাঠ, গ্ৰন্থৰ আলোচনা আৰু গীতৰ মাজেৰে অনুষ্ঠানটো পৰিচালনা কৰে মহাবিদ্যালয়ৰ অধ্যাপক ডঃ চন্দনজ্যোতি চুতীয়াই। আদৰণী ভাষণ প্ৰদান কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপ জ্যোতি ভৰালীয়ে। কবিতা সৃষ্টিৰ উৎস আৰু কাব্যযাত্ৰা সম্পৰ্কীয় বক্তব্যৰে স্বৰচিত কবিতা পাঠ কৰা ডাঃ প্ৰণয় ফুকনৰ লগতে বৈদ্য ব্ৰাইট বুঢ়াগোহাঁয়ে কবিতা লিখাৰ বাবে কবিতা অধ্যয়ন আৰু সাধনাৰ কথা উল্লেখ কৰে। আন এগৰাকী সমল ব্যক্তি সুমন দত্তই মানুহৰ জীৱনৰ সৈতে গ্ৰন্থক সংপৃক্ত কৰি লোৱাৰ আহ্বান জনায় লগতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত আয়োজন কৰা ৰচনা প্ৰতিযোগিতাত নবৈ গৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰাটো বৰ্তমান সময়ত এটা আচৰিত হ'বলগীয়া বিষয় বুলি উল্লেখ কৰি দত্তই কয় যে ছাত্ৰীসকলে সৃষ্টিশীল কামৰ পৰা দূৰৈত থাকে, নিলিখে ইত্যাদি অভিযোগৰ মাজত এয়া আমাৰ বাবে এক আশাপ্ৰদ কথা আৰু ইয়াৰ বাবে অধ্যাপক- অধ্যাপিকাসকল শলাগৰ পাত্ৰ। প্ৰকাশ সাহিত্য গোট, মহাবিদ্যালয়ৰ গ্ৰন্থ ক্লাৱৰ সৌজন্যত আয়োজিত গ্ৰন্থমেলাৰ এই অনুষ্ঠানটোতেই সদৌ অসম ভিত্তিত আয়োজিত যোগেন তামোলীৰ সোঁৱৰণত আয়োজিত প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী কৃষ্ণা কুৰ্মীক মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড়লৈ গৌৰৱ কঢ়িয়াই অনাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপ জ্যোতি ভৰালীয়ে তেওঁক অভিনন্দন জনায়। মহাবিদ্যালয়ৰ প্ৰায় ১২ গৰাকী ছাত্ৰীয়ে স্বৰচিত কবিতা পাঠ, দুগৰাকীয়ে অনুবাদ কবিতা পাঠ, সাত গৰাকী ছাত্ৰীয়ে গ্ৰন্থ পৰ্যালোচনা, এগৰাকীয়ে গীত পৰিৱেশন আৰু আন এগৰাকীয়ে গ্ৰন্থমেলাৰ অনুভৱ ব্যক্ত কৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা ৰূপালী মজুমদাৰে অণুগল্প পাঠ, অধ্যাপিকা অন্বেষা শইকীয়াই গীত পৰিৱেশন, অধ্যাপক বলীন সন্দিকৈয়ে গীত পৰিৱেশন, অধ্যাপক দীপাংকৰ শৰ্মাই স্বৰচিত কবিতা পাঠ কৰে। মহাবিদ্যালয়ৰ গ্ৰন্থ ক্লাৱৰ উদ্যোগত আয়োজিত গল্প প্ৰতিযোগিতাৰ পুৰস্কাৰো এই অনুষ্ঠানতে প্ৰদান কৰা হয়। গ্ৰন্থাগাৰিক যাদৱজ্যোতি শইকীয়াই বুক ক্লাৱৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে চমু পৰ্যালোচনা দাঙি ধৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ কলা শাখাৰ উপাধ্যক্ষ অনিৰুদ্ধ দত্তৰ লগতে যথেষ্ট সংখ্যক শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰীয়ে অংশগ্ৰহণ

## মাজুলীৰ জৈৱ বৈচিত্ৰ্যৰ অনুপম ক্ষেত্ৰ, ঐতিহাসিক যোৰবিল পুনৰ উদ্ধাৰৰ দাবীত বৃহৎ ৰাজহুৱা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ছেপ্টেম্বৰ ঃ** মাজুলীৰ প্ৰকৃতিৰ অনবদ্য অৱদান তথা জৈৱ-বৈচিত্ৰ্যৰ অনুপম ক্ষেত্ৰ যোৰবিল পুনৰ উদ্ধাৰৰ বাবে আজি অঞ্চলটোৰ ৰাইজ ঐক্যবদ্ধ হৈ এখন গুৰুত্বপূৰ্ণ ৰাজহুৱা সভা অনুষ্ঠিত কৰে। যোৰবিল গাঁৱৰ হৰিমন্দিৰত বানিকান্ত কাকতিৰ সভাপতিত্বত আজি অনুষ্ঠিত হোৱা উক্ত ৰাজহুৱা সভাত ১নং যোৰবিল, যোৰবিল কাঠনিআটী, যোৰবিল সোণাপুৰ, ৰণুচুক, গাঁৱৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে হেম প্ৰসাদ কাকতিয়ে। উদ্দেশ্য ব্যাখ্যাত তেখেতে ঐতিহাসিকযোৰ বিলখন পুনৰ উদ্ধাৰ কৰা সন্দৰ্ভত সভাখন আহ্বান কৰা বুলি অবগত কৰে। ইয়াৰ পিচতে সভাত উপস্থিত থকা টুনী নদী উজ্জীবিত দাবি সমিতিৰ সভাপতি ড০ ৰাজেন চন্দ্ৰ বৰা আৰু উপ-সভাপতি অনন্ত ঙাটেক একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়। উক্ত, ৰাজহুৱা সভাত প্ৰথমে বক্তব্য আগবঢ়ায় অনন্ত ঙাটেয়ে। সভাত মুখ্য বক্তা হিচাপে সমগ্ৰ বিষয়টোৰ ওপৰত বক্তব্য আগবঢ়ায় টুনী নদী উজ্জীবিত দাবী সমিতিৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰাই। নিজৰ ভাষণত তেওঁ কয় যে টুনীৰ লগত সংযুক্ত হৈ থকা প্ৰতিখন বিল তথা জলাশয় চাফ- চিকুন কৰিলেহে প্ৰকৃত অৰ্থত টুনী উজ্জীবিত হ'ব। যোৰ বিল মাজুলীৰ এখন ঐতিহাসিক বিল আৰু মাজুলীৰ জৈৱ বৈচিত্ৰ্যৰ অনুপম ক্ষেত্ৰ। এই বিলখন যোৰবিল গাঁও তথা অঞ্চলৰ পৰিচয় আৰু জীৱন -জীৱিকাৰ উৎস। ইতিমধ্যে দাবী সমিতি আৰু স্থানীয় ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই মাজুলীৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি নিজে পৰিদৰ্শন কৰি কাযকৰি পদক্ষেপ লোৱাৰ কথা ড° ৰাজেন বৰাই সভাক অৱগত কৰে আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকক ধন্যবাদ জনায়। অনাগত দিনত এই কাৰ্যসূচী আগুৱাই নিয়াৰ ক্ষেত্ৰত ৰাইজৰ সহযোগিতা কামনা কৰে। ইয়াৰ পিচতে সভাত উপস্থিত থকা ছখন গাঁৱৰ প্ৰতিনিধি ক্ৰমে যোৰবিল- সোণাপুৰ গাঁৱৰ জীৱন কাকতি, যোৰবিল মিচিং গাঁৱৰ পদ্মেশ্বৰ পায়েং, যোৰবিল গাঁৱৰ অনন্ত বৰুৱা, যোৰবিল কাঠনিআটীৰ নিত্যানন্দ বৰা আৰু ৰণুচুক মিচিং গাঁৱৰ মণিৰাম ঙাটেয়ে বিভিন্ন পৰামৰ্শ প্ৰদান কৰি বক্তব্য আগ বঢ়ায়। উক্ত, ৰাজহুৱা সভাত ৰাইজৰ মাজৰ পৰা বাবুল পগাগ আৰু খগেন দাসে বহুমূলীয়া পৰামৰ্শ প্ৰদান কৰে। উক্ত ৰাজহুৱা সভাৰ সভাপতি বানিকান্ত কাকতিয়ে সভাত উপস্থিত আতাইকে ধন্যবাদ জনোৱাৰ লগতে মহা পুৰুষ মাধৱ দেৱৰ এফাঁকি ঘোষা গাই সভা ভংগ ঘোষনা কৰে।

## কৃতী শিক্ষক পুলেন চন্দ্ৰ বৰাক সম্বৰ্ধনা

**অসম বাৰ্তা, দেৰগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা প্ৰশাসন আৰু মাজুলী জিলা শিক্ষা বিভাগে যোৱা ৫ ছেপ্টেম্বৰত আয়োজন কৰা ৬৪ সংখ্যক শিক্ষক দিৱসত নামনি মাজুলীৰ আঁহতগুৰি প্ৰগতি মধ্য ইংৰাজী বিদ্যালয়ৰ সহঃ শিক্ষক পুলেন চন্দ্ৰ বৰাই জিলাভিত্তিক কৃতী শিক্ষক হিচাপে স্বীকৃতি লাভ কৰি আহঁতগুৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। আজি প্ৰগতি মধ্য ইবোজী বিদ্যালয় কৰ্তৃপক্ষই কৃতী শিক্ষকগৰাকীক অভিনন্দন জনোৱাৰ উদ্দেশ্যে এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। উক্ত অনুষ্ঠানত বিদ্যালয় কৰ্তৃপক্ষৰ হৈ প্ৰধান শিক্ষক যুক্তেশ্বৰ শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন ভূঞা প্ৰমুখ্যে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দই উষ্ম অভিনন্দন জনায়। উক্ত সম্বৰ্ধনা অনুষ্ঠানতে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰগতি বুথ সমিতিৰ হৈ আহঁতগুৰি শক্তি কেন্দ্ৰৰ আহ্বায়ক গোপাল গোস্বামী, বুথ সভাপতি ৰমেশ ভূঞা আৰু সম্পাদক উৎপল দত্তই সম্বৰ্ধনা জনায়। অনুষ্ঠানত শ্যামকানু শিল্পী সমাজৰ হৈ সম্বৰ্ধনা জনায় ৰঞ্জন গোস্বামী, অতুল চন্দ্ৰ বৰা আৰু অমূল্য দত্তই। তেওঁক অভিনন্দন জনায় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষকত্তৰ হিমেশ্বৰ বৰুৱা, গোবিন নেওগ আৰু আঁহতগুৰিব প্ৰাথমিক আৰু উচচ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ লগতে সমাজৰ বিভিন্ন ব্যক্তি, অভিভাৱক আৰু বিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে। পঞ্চৰত্ন মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বিমান ভূঞাৰ সভাপতিত্বত আজি অনুষ্ঠিত উক্ত সভাখন উদ্বোধন কৰে বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক হিমেশ্বৰ বৰুৱাই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আহঁতগুৰি বৰসত্ৰৰ আজ্ঞাবাহী সত্ৰাধিকাৰ ৰূপছন্দ গোস্বামী। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী ভৱেন ফুকন। আমন্ত্ৰিত অতিথি হিচাপে থাকে বিশিষ্ট সমাজকৰ্মী আনন্দ খাউণ্ড।

## নগাঁৱত বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ, আটক ড্ৰাগছ সৰবৰাহকাৰী

**অসম বাৰ্তা, বঢ়মপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত অসাধু চক্ৰই আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক ভেঙুচালি কৰি নিচাযুক্ত সামগ্ৰীৰ বেহা গোপনে অব্যাহত ৰখাৰ সময়তে বৃহস্পতিবাৰে নিশা বুজন পৰিমাণৰ নিচাযুক্ত টেবলেটসহ আৰক্ষীৰ জালত পৰে এটা কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো হৈছে নগাঁও নৰৈ পানীখাইটিৰ ২নং কাটনিগাঁৱৰ ইক্ৰামুল হক। আচলতে, এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত অতৰ্কিতে মৰিকলং আৰক্ষী পহৰা চকীৰ আৰক্ষীৰ দলে চলাইছিল এই সফল অভিযান। এই অভিযানত ২নং কাটনিগাঁৱৰ পৰা মৰিকলং আৰক্ষীয়ে আটক কৰে কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীটোক। অভিযান কালত আৰক্ষীয়ে সৰবৰাহকাৰী-টোয়ে মজুত কৰি ৰখা বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী ইক্ৰামুল হকে আৰক্ষীৰ চকুত ধূলি দি দীৰ্ঘদিনৰে পৰা এই অসাধু বেহা ৰমৰমীয়াকৈ চলাই আহিছিল।

## ড্ৰাগছৰ লগত জড়িত থকা লোকক সমাজৰ পৰা এঘৰীয়া কৰকঃ আশ্বিক ৰাব্বাণী

**অসম বাৰ্তা, মৈৰাবাৰী, ১৪ ছেপ্টেম্বৰ ঃ** নিজ ধিং মাৰ্কেটিঙ বজাৰ প্ৰাংগনত মুছাৰ ধিং আঞ্চলিক সমিতিৰ উদ্যোগত ড্ৰাগছ আৰু বাল্য বিবাহৰ বিৰুদ্ধে এখনি সজাগতা সভা অনুষ্ঠিত কৰে। সভাত মুছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আশ্বিক ৰাব্বাণীয়ে মুছলমান সমাজক ড্ৰাগছৰ বিৰুদ্ধে ওলাই আহিবলৈ আহ্বান জনোৱাৰ লগতে ড্ৰাগছ সৰবৰাহকাৰী আৰু সেৱনকাৰীৰ বিৰুদ্ধে জানাজাৰ পৰা বিড়ত থাকিবলৈ আহ্বান জনায়। ৰাজ্যতখনৰ পৰা যেতিয়ালৈকে ড্ৰাগছ মুক্ত কৰিব পৰা নায়াব তেতিয়ালৈকে সমাজ পৰিবৰ্তন কৰা কষ্ঠকৰ হ'ব বুলি কয়। সভাত ধিং সমজিলা দাবী উন্নয়ন সমিতিৰ সভাপতি ৰিমজিম বৰাই ড্ৰাগছৰ বিৰুদ্ধে ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়। ধিং আৰক্ষী চকীৰ আৰক্ষী বিষয়া তফাজুল ইছলামে মুছাৰ কৰ্মকৰ্তা তথা আৰক্ষীক পূৰ্ণসহযোগ কৰিবলৈ আহ্বান জনায়। স্থানীয় সমাজ সেৱক নাজিম উদ্দিন আহমেদৰ সভাপতিত্বত হোৱা সভাখনত ভাৰত স্কাউট এণ্ডৰ গাইডৰ মৰিগাঁও জিলাৰ সমতিৰ সম্পাদক আজাহাৰ উদ্দিন আহমেদ, লহকৰ জিলা পৰিষদৰ সদস্য বাবুল আলী, ধিং সমজিলা দাবী কমিটীৰ সভাপতি ৰিমঝিম বৰাসমাজ সেৱক, ড° হাৰুন আহমেদ, বিশিষ্ট শিক্ষক ও কৌতুক অভিনেতা মাইনুল হক চৌধুৰী, মুছাৰ উপসভাপতি ৰাবুল ইছলাম, মুছাৰ নগাঁও জিলাৰ সম্পাদক ক্ৰমে আজাহাৰ উদ্দিন, ইয়াহিয়া আহমেদ মুছা নগাঁও জিলা সমিতিৰ উপসভাপতি শ্বামিম আহমেদ ফাৰুকী উপস্থিত থাকে।

# মৰিগাঁও বাৰোৱাৰী ৰাস মন্দিৰৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মোৎসৱ

## ২ অক্টোবৰৰ পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদযাপনৰ ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও বাৰোৱাৰী ৰাস মন্দিৰৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মোৎসৱটো ১ অক্টোবৰৰ পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদযাপন ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। মৰিগাঁও বাৰোৱাৰী ৰাস মন্দিৰৰ ৮৫ সংখ্যক এই জন্মোৎসটো সুচাৰু আৰু সফল ৰূপত উদযাপনৰ বাবে ঘনকান্ত বৰা সভাপতি, প্ৰমোদ মেধি সম্পাদক নেতৃত্বাধীন ৰাস মন্দিৰৰ স্থায়ী সমিতিখনৰ উপৰিও ৰাজেন গোস্বামীক সভাপতি আৰু হিতেশ্বৰ বৰাক সম্পাদক হিচাপে লৈ এখন জন্মোৎস উদযাপন সমিতি ইতিমধ্যে গঠন কৰা হৈছে। জন্মোৎসৱৰ প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত উষা কীৰ্ত্তন, আচাৰ্য আদৰণিৰ পিছতে ভাগৱত ধ্বজা উত্তোলন কৰিব ঘনকান্ত বৰাই। ইয়াৰ পিছতে নৱনিৰ্মিত নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা কৰিব কালশিলা সত্ৰৰ সত্ৰাধিকাৰ পূৰ্ণানন্দ মহন্তই। অনুষ্ঠানত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, পৌৰপতি যোগেশ তামোলি আৰু মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। দ্বিতীয় দিনা দুপৰীয়াৰ ভাগত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হ'ব। ‘শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন আৰু বৰ্তমান সমাজ’ শীৰ্ষক বিষয়ৰ এই ধৰ্মালোচনী সভাত প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেৱেশ্বৰ গোস্বামী আৰু প্ৰৱক্তা ড০ অচ্যুত কুমাৰ দাসে আলোচক হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ‘গুণনিধি’ শীৰ্ষক এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰিব মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতাই। এই অনুষ্ঠানতে ৰেণু মেধি মহন্ত, নাৰায়ণ বৰা আৰু ৰজত বৰাক সম্বৰ্দ্ধনা জনোৱা হ'ব। নিশাৰ ভাগত অংকীয়া নাট পাৰিজাত হৰণ উদ্বোধন কৰিব তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। অনুষ্ঠানত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা আৰু তিৱা স্বায়ত্ত পৰিষদৰ সদস্য অজিত ডেকাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ইপিনে জন্মোৎসৱৰ লগত সংগতি ৰাখি অন্তিম দিনা বিয়লি ২ বজাৰ পৰা এখন বৰগীত প্ৰতিযোগিতা আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৫০০১ টকা দ্বিতীয় ৩০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ২০০১ টকা আগবঢ়োৱা হ'ব বুলি উদ্যোক্তা সকলে জনাইছে।

উপস্থিত প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তা

# ১৯ নং বৰচিলা সমষ্টিত "ৰাইজৰ পৰিষদ, ৰাইজৰ বাবে" শীৰ্ষক সাধাৰণ সভা আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** শুক্ৰবাৰে দিনৰ ১২ বজাত মৰিগাঁও জিলা মৰিগাঁও সদৰ সমষ্টি অন্তৰ্গত গাখজুৰা ৰাস মন্দিৰৰ প্ৰাঙ্গনত তিৱা স্বায়ত্ত পৰিষদ অসমৰ এটি অন্যতম সমষ্টি ১৯ নং বৰচিলা সমষ্টিত তিৱা স্বায়ত্ত পৰিষদৰ উদ্যোগত "ৰাইজৰ পৰিষদ ৰাইজৰ বাবে" শীৰ্ষক এক সাধাৰণ সভা অনুষ্ঠিত হয়। তিৱা স্বায়ত্ত পৰিষদ অসমৰ উপাধ্যক্ষ অংকুৰ ডেউৰী সভাপতিত্ব অনুষ্ঠিত হোৱা এই সভা আদৰণী ভাষণ প্ৰদান কৰে ১৯ নং বৰচিলা সমষ্টি তিৱা স্বায়ত্ত পৰিষদৰ সদস্য চম্পেশ্বৰ বৰদলৈৰে। সভাৰ আৰম্ভণিতে তিৱা স্বায়ত্ত পৰিষদ অসমৰ ১৯ নং বৰচিলা সমষ্টিত বিভিন্ন ক্ষেত্ৰত সমষ্টিটোত কি কি উন্নয়ন হৈ আছে সেই সমূহ এক লিখিত আকাৰত চম্পেশ্বৰ বৰদলৈৰে ৰাইজৰ আগত পাঠ কৰাই অৱগত কৰে। এই অনুষ্ঠানত উপস্থিত থাকে তিৱা স্বায়ত্ত পৰিষদ অসমৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তা, পৰিষদৰ উপাধ্যক্ষ অংকুৰ ডেউৰী, কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈ, বিনিতা দৈমাৰী, তিৱা স্বায়ত্ত পৰিষদ অসমৰ চৰকাৰী মনোনীত সদস্য অজিত ডেকা, বিনাপানী বৰদলৈ, ভাৰতীয় জনতা পাৰ্টীৰ জাগি ভকত গাঁও মণ্ডল সভানেত্ৰী মল্লিকা বৰদলৈ, অসম গণ পৰিষদ দলৰ মৰিগাঁও জিলা সভাপতি ৰাজেন বৰা সহ বহু সংখ্যক লোকৰ। সভাত উপস্থিত থকা বক্তাসকলে সভাত তিৱা স্বায়ত্ত পৰিষদৰ বিগত চাৰে-চাৰিটা বৰ্ষত কৰি অহা উন্নয়নমূলক কাম সমূহৰ বিষয়ে ৰাইজক অৱগত কৰা লগতে আগন্তুক দিনত লব লগীয়া বিভিন্ন উন্নয়ন মুলক পদক্ষেপ, স্থানীয় জনজীৱনৰ সমস্যা সমাধান আৰু আগন্তুক দিনত গ্ৰহণ কৰিবলগীয়া পৰিকল্পনা সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সভাতে আগন্তুক দিনত ভাৰতীয় জনতা পাৰ্টীৰ সংগঠনৰ ভেটি কেনেধৰণে শক্তিশালী কৰিব তাৰো পৰিকল্পনা কৰে। এই সভাত উপস্থিত থাকি বিশিষ্ট ব্যক্তি তথা আমন্ত্ৰিত অতিথি সকলে তিৱা স্বায়ত্ত পৰিষদ অসমৰ ১৯ নং বৰচিলা সমষ্টি সদস্য চম্পেশ্বৰ বৰদলৈৰে যেনেধৰণে নিয়াৰিকৈ উন্নয়ন মূলক কাম কৰিছে তাক সকলোৱে প্ৰশংসিত কৰে।

বহু সংখ্যক অংশীদাৰ ভোটাৰৰ অংশগ্ৰহণ

## কঠীয়াতলি সমবায় সমিতিৰ নিৰ্বাচন অনুষ্ঠিত

**অসম বাৰ্তা, কামপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** আজি কঠীয়াতলি সমবায় সমিতিৰ চাৰিটা পঞ্চায়তৰ মুঠ ৩৫১০ গৰাকী অংশীদাৰ ভোটাৰৰ দ্বাৰা সমবায় খনৰ সঞ্চালক মণ্ডলি ৰ নিৰ্বাচন অনুষ্ঠিত হয়। মুঠ ৩০জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই এই নিৰ্বাচনত। পুৱা ১০ বজাৰ পৰা আৰম্ভ হয় ভোট গ্ৰহণ প্ৰক্ৰিয়াত ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদৰ নেতৃত্বত বৃহত আৰক্ষী দলে প্ৰশাসনিক দিশটো শক্তিশালী ৰূপত পৰিচালনা কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে ৭ বছৰৰ পাছত কঠীয়াতলি সমবায় নিৰ্বাচন অনুষ্ঠিত হৈছে সেয়ে ৰাইজৰ বিপুল উৎসাহ উদ্দীপনা দেখিবলৈ পোৱা গৈছে। সমবায় খনৰ সচিব খাইৰুল ইছলামে জনোৱা মতে প্ৰতি পাঁচ বছৰৰ মূৰত এই নিৰ্বাচন অনুষ্ঠিত হ'ব লাগে যদিও বিভিন্ন খেলি-মেলিৰ বাবে সাত বছৰৰ অন্তত অনুষ্ঠিত হোৱাৰ বাবে সকলোৱে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে।

বিধায়ক ভুৱন গাম সভাপতি, লক্ষ্যজিত হাজৰিকা সাধাৰণ সম্পাদক

# মাজুলী জিলা ক্ৰীড়া সন্থাৰ নিৰ্বাচন সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা ক্ৰীড়া সন্থাৰ বিষয় ববীয়াৰ নিৰ্বাচন আজি সম্পন্ন হয়। এই নিৰ্বাচন আজি অনুষ্ঠানিক ভাবে সম্পন্ন হয় মাজুলী জিলা আয়ুক্তৰ কাৰ্যলয়ৰ সভাকক্ষত। মাজুলী জিলা ক্ৰীড়া সন্থাৰ আজিৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ নিৰ্বাচনত সভাপতি হিচাপে মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গাম নিৰ্বাচিত হয়। কাৰ্যকৰী সভাপতি হিচাবে গজেন নৰহ, উপ সভাপতি হিচাপে কুমুদ গোস্বামী, নৃপেন কামান, সীমান্ত বৰা, নকুল বৰা, নিপন দলে, সাধাৰণ সম্পাদক হিচাপে লক্ষ্যজিত হাজৰিকা, সহকাৰী সম্পাদক হিচাপে লিয়াৰ্ডছ প্ৰীতম ৰেগন, ৰাজীৱ ভূঞা, কোষধক্ষ্য হিচাপে ভাইটি নৰহ, কাৰ্যলয় সম্পাদক হিচাপে চন্দন ৰেগন, মিণ্টু শইকীয়া, প্ৰচাৰ সম্পাদক হিচাপে ভাস্কৰ বৰা আৰু ৯ গৰাকী কাৰ্যকৰী সদস্যৰে জিলা ক্ৰীড়া সন্থাৰ নিৰ্বাচন সম্পন্ন হয়। উল্লেখ্য যে কেইমাহ মানৰ পূৰ্বে মাজুলীৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘত অনুষ্ঠিত জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সভাত তথা নিৰ্বাচনী সভাত অতি অভাৱনীয় পৰিস্থিতি উদ্ভৱ হোৱাৰ পৰিপেক্ষেত্ৰত এখন নিকা সমিতি গঠন নোহোৱাত অধিকাংশ সদস্যই আপত্তি কৰাত স্থগিত হৈ থকা জিলা ক্ৰীড়া সংস্থা। আজি মাজুলী প্ৰশাসনৰ পৃষ্ঠপোষকতা অনুষ্ঠিত নিৰ্বাচনত মাজুলী জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, অতিৰিক্ত আয়ুক্ত, জিলা ক্ৰীড়া বিষয়াৰ বলিষ্ঠ পদক্ষেপ শান্তিপূৰ্ণ ভাবে আজিৰ নিৰ্বাচন সম্পন্ন হয়।

বৈজ্ঞানিক পদ্ধতিৰে মৰাপাট কৰিলে লাভান্বিত হ'ব কৃষক

# মৰাপাট নিগম লিমিটেড গুৱাহাটী আঞ্চলিকৰ উদ্যোগত কৃষি সজাগতা সভা

**অসম বাৰ্তা, খাৰুপেটীয়া, ১৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ কৃষি প্ৰধান অঞ্চল সমূহত দিনক দিনে নাইকিয়া হব ধৰিছে মৰাপাটৰ খেতি । মৰাপাট খেতিত ব্যয় হোৱা সময় আৰু অত্যধিক খৰচৰ তুলনাত কম মূল্য হোৱাৰ বাবেই খেতিয়ক সকলে দিনক দিনে মৰাপাটৰ খেতি কৰিবলৈ এৰি দিছে। খেতিয়ক সকলৰ মাজত মৰাপাটৰ চাহিদা আৰু মৰাপাটৰ মানদণ্ড উন্নত মানৰ প্ৰতি লক্ষ্য ৰাখি খৈৰাকাটা ঈদগাহ ময়দানত এখন কৃষি সজাগতা সভা অনুষ্ঠিত কৰা হয়। ছক্ৰাবস্তি গাঁও পঞ্চায়তৰ সভাপতি ছহিদুল ইছলামৰ সভাপতিতত্বত আয়োজিত সভাত শতাধিক খেতিয়কৰ লগতে ব্লক ছুপাৰভাইজাৰ তবিবুৰ ৰহমান মৰাপাট নিগম লিমিটেড খাৰুপেটীয়া শাখাৰ পৰিচালক তৰিনিৰাম মেধি কৃষি বিজ্ঞানীদ্বয় তিলক মণ্ডল আৰু সুদিপ্ত ভৌমিক আদি উপস্থিত থাকে।কলিকতাৰ পৰা অহা কৃষি বিজ্ঞানী তিলক মণ্ডলৰ ভাষণত কয় যে বৈজ্ঞানিক পদ্ধতিৰে মৰাপাট পচন কৰিলে মৰাপাটৰ মানদণ্ড উন্নত হোৱাৰ লগতে মৰাপাটৰ ৰঙ সুন্দৰ হয় ।যাৰ ফলত সেই মৰাপাট বজাৰত চাহিদা বৃদ্ধি হোৱাৰ লগতে কৃষকে উচিত মূলত বিক্ৰী কৰিব পাৰে। আমাৰ খেতিয়ক সকলে মৰাপাট পচনৰ সময়ত কলগছ বোকা আৰু মেটেকাৰে পুৰণি পদ্ধতি ব্যৱহাৰ কৰি মৰাপাট পচন কৰে সেই মৰাপাটৰ ৰঙ কলা হোৱাৰ লগতে মানদণ্ড উন্নত নহয়। যাৰ ফলত অধিক লোকচানৰ সন্মূখীন হৈ লাহে-লাহে মৰাপাটৰ খেতি কৰিবলৈ এৰি দিছে খেতিয়ক সকলে। কিন্তু মৰাপাট পচনৰ সময়ত সেই পুৰণি পদ্ধতি ব্যৱহাৰ কৰাৰ পৰিবৰ্তে নিনফেট ছাথী পাউদাৰ ব্যৱহাৰ কৰি মৰাপাট পচন কৰিলে মৰাপাটৰ মানদণ্ড উন্নত হয় । সেই মৰাপাট বজাৰত অধিক দামত বিক্ৰী কৰিব পাৰে খেতিয়কে। সুদূৰ কলিকতাৰ পৰা অহা কৃষি বিজ্ঞানীৰ দলটোৱে কেনেকৈ বৈজ্ঞানিক পদ্ধতিৰে মৰাপাট পচন কৰা হয় খেতিয়ক সকলৰ মাজত বিতংকৈ বুজাই দিয়ে। দৰঙৰ খৈৰাকাটা ঈদগাহ ময়দানত অনুষ্ঠিত হোৱা কৃষি সজাগতা সভাৰ জড়িয়তে বৃহত্তৰ অঞ্চলৰ খেতিয়ক সকলে লাভান্বিত হ'ব বুলি মত প্ৰকাশ কৰে কৃষি বিজ্ঞানীৰ দলটোৱে।

# মৰিগাঁৱত প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ উদ্যোগত নিচা মুক্তি ভাৰত সজাগতা অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁৱৰ প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ উদ্যোগত, ভাৰতৰ চৰকাৰৰ নাৰ্কটিক কণ্ট্ৰোল ব্যুৰ আৰু সামাজিক ন্যায় মন্ত্ৰণালয়ৰ সহযোগত আজি মৰিগাঁৱত এক নিচা মুক্তি ভাৰত সজাগতা অভিযান অনুষ্ঠিত কৰা হয়। প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ মৰিগাঁও সেৱা কেন্দ্ৰত পুৱাৰ ভাগত অনুষ্ঠিত কৰা এই অভিযানৰ উদ্বোধনী অনুষ্ঠানটোত অভিযানত ব্যৱহৃত সুসজ্জিত বাহনখনৰ সন্মুখত পতাকা জোকাৰি অভিযানৰ শুভাৰম্ভ কৰে প্ৰাক্তন ৰঞ্জি ট্ৰফী খেলুৱৈ, জ্যেষ্ঠ পশু চিকিৎসক তথা জিলাখনৰ উত্তৰ খোলা মৌজাৰ বিশিষ্ট সমাজসেৱক ড° পাৰ্থ সাৰথি হাজৰিকাই। অনুষ্ঠানটোত উদ্যোক্তা অনুষ্ঠানটোৰ সঞ্চালিকা মনিকা বেহেন প্ৰমুখ্যে বহুকেইজন বিশিষ্টব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে নিচামুক্ত ভাগত অভিযানটোত ব্যৱহৃত বাহনখনত সংযুক্ত কৰা যন্ত্ৰ চালিত কুম্ভকৰ্ণৰ পুত্তলিকা এটাৰ জৰিয়তে জিলাখনৰ লেলাইবড়িকে ধৰি বহুকেইটা অঞ্চলত ব্যাপক ভাবে সজাগতা অভিযানৰ বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্যতে আজি এই নিচামুক্তি ভাৰত সজাগতা অভিযান আৰম্ভ কৰা হয়।

ছাত্ৰী নিৱাসত হাত-ভৰি বান্ধি ছাত্ৰীক নিৰ্যাতনৰ অভিযোগ

# হোজাইত আজমল আৰ্টচ কলেজত চাঞ্চল্যকৰ ঘটনা

**অসম বাৰ্তা, ডবকা, ১৪ ছেপ্টেম্বৰ ঃ** হোজাই আজমল নেতৃত্বাধীন আজমল আৰ্টচ কলেজৰ ছাত্ৰী নিৱাসত এগৰাকী ছাত্ৰীক নিৰ্যাতনৰ অভিযোগ উত্থাপন হৈছে। কিছুদিন পুৰ্বে আজমল চুপাৰ ৪০ ৰ ছাত্ৰী নিৱাসত এগৰাকী ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ মাৰনৌযাওঁতে পুনৰ ছাত্ৰী নিৱাসত এগৰাকী ছাত্ৰীক হাত-ভৰি বান্ধি ছাত্ৰীৰ চুলি কটাৰ লগতে শাৰীৰিক নিৰ্যাতনৰ ঘটনা পোহৰলৈ অহাত হোজাইত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। মঙ্গলবাৰে নিশা আজমল আৰ্টচ কলেজৰ হোজাই বিযুওপল্লীৰ ফাইজোল কমপ্লেক্স'ৰ দ্বিতীয় মহলাত থকা ছাত্ৰী নিৱাসত সংঘটিত হৈছে এই ঘটনা। কিন্তু পিছদিনাখনেই পোহৰলৈ আহিছে এই ঘটনা। আজমল নেতৃত্বাধীন হোজাইৰ শিক্ষানুষ্ঠান বোৰত সংগঠিত এনেধৰণৰ ঘটনাই হোজাইত অসমৰ বিভিন্ন জিলাৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক সকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইমান কটকটীয়া নিৰাপত্তা আৰু কঠোৰ অনুশাসন বজায় ৰখা আজমলৰ শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰী নিবাসত কেনেদৰে এনে ঘটনা সংঘটিত হ'ব পাৰিলে এই লৈ চাঞ্চল্য বিৰাজ কৰিছে হোজাইৰ সৰ্বত্ৰ। ছাত্ৰী গৰাকী মৰিগাঁও জিলাৰ লাহৰীঘাটৰ আছিল বুলি জানিব পৰা গৈছে। উল্লেখ যে আজমল আজমল নেতৃত্বাধীন এনে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পুৰ্বেও কেতবোৰ চাঞ্চল্যৰ ঘটনা সংগঠিত হৈছে। ছাত্ৰী গৰাকীৰ পৰিয়ালৰ লোকে উত্থাপন কৰা অভিযোগ অনুসৰি সমগ্ৰ ঘটনাৰ কোনো সঠিক উত্তৰ দিব পৰা নাই বিদ্যালয়ৰ অধ্যক্ষই। সমগ্ৰ ঘটনাৰ বিষয়ে ছাত্ৰী গৰাকীৰ পিতৃয়ে হোজাই থানাত এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে।

# ডিব্ৰুগড়ৰ বৰবৰুৱা চ্যুকাফা ভৱনত সদৌ অসম জনস্বাস্থ্য কাৰিকৰী অস্থায়ী শ্ৰমিক কৰ্মচাৰীৰ সভা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ বৰবৰুৱা চ্যুকাফা ভৱনত সদৌ অসম জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী শ্ৰমিক-কৰ্মচাৰী পৰিষদৰ আহ্বানত আজি (১২-৯-২৫) এখনি গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হৈ যায়। ডিব্ৰুগড়ৰ জিলা সভাপতি কামাখ্যা প্ৰসাদ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি দেৱ কুমাৰ শৰ্মা, সম্পাদক বাপন নম: শুদ্ৰ, উপ-সভাপতি বাবুল নাথ, জিলা উপ-সভাপতি বসন্ত চুতীয়াকে ধৰি কেন্দ্ৰীয় আৰু জিলাৰ ভালেসংখ্যক বিষয়ববীয়া উপস্থিত থকা সভাখনিত আঁত ধৰে জিলা সম্পাদক ঋতুপৰ্ণ মাউৎ। নৱজ্যোতি লাহনৰ নেতৃত্বত ডিব্ৰুগড় জিলাৰ ভিন্ন প্ৰান্তৰ পৰা শতাধিক কৰ্মচাৰী উপস্থিত থকা সভাত জলমিত্ৰ সকলক স্থায়ী নিযুক্তিৰ উপৰি শ্ৰমিক আইন অনুসৰি ন্যূনতম ভাট্টা প্ৰদান কৰা, এঙ্গেজমেণ্টৰ সলনি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা নিযুক্তি পত্ৰ প্ৰদান কৰা, জলমিত্ৰসকলৰ জীৱনৰ নিৰাপত্তা আৰু পৰিয়ালৰ সুৰক্ষা নিশ্চিত কৰা, জলমিত্ৰসকলৰ নিযুক্তি পাবলৈ থাকি যোৱা সকলো পুৰণা শ্ৰমিকক নিযুক্তি প্ৰদান কৰা, জলমিত্ৰৰ ইউজাৰ কমিটি, পঞ্চায়তৰ পৰা মুক্ত কৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা দৰমহা প্ৰদানৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। আনহাতে আঁচনিৰ নামত (ভূমি) মাটিৰ গৰাকীয়ে পাবলগা টকাৰ বিপৰীতে চৰকাৰীভাবে চোৱা-চিতা কৰা বাবে পাবলগা ধন মোকলাই দিবলৈ চৰকাৰক দাবী জনায়। আগন্তুক দিনত দাবী পূৰণ নহ'লে গণতান্ত্ৰিকভাৱে আন্দোলন কৰিব বুলি চৰকাৰক দাবী জনায়।

খুমটাইৰ অগপ নেতা কংগ্ৰেছ দলত যোগদান

# খুমটাইত কংগ্ৰেছৰ সাংগঠনিক তৎপৰতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৪ ছেপ্টেম্বৰ ঃ** শাসকীয় ভাৰতীয় জনতা পাৰ্টিয়ে চৰকাৰৰ আঁচনি সমূহ বাছি বাছি একাংশ লোকক প্ৰদান কৰি অহাৰ সময়তে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে গোলাঘাট জিলাত বুথে বুথে সাংগঠনিক দিশ শক্তিশালী কৰিবলৈ তৎপৰতা অব্যাহত ৰখা দেখা গৈছে। আজি কঠালগুৰি ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি চন্দন গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্যকৰী সভানেত্ৰী, প্ৰাক্তন বিধায়িকা ৰ'জলীনা তিৰ্কী, অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদিকা দিপান্বীতা দুৱৰা, গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সভাপতি মদন বৰা, উপ সভাপতি ভূপেন ৰাজখোৱা, জ্যেষ্ঠ মুখপাত্ৰ দিগন্ত বাইলুং, কঠালগুৰি ব্লক কংগ্ৰেছ কমিটিৰ ক্ৰমে সাধাৰণ সম্পাদক(সাংগঠনিক) সঞ্জীৱ তালুকদাৰ, সাধাৰণ সম্পাদক তৰুণ কটকী, অন্যতম সম্পাদক সমীৰ মজুমদাৰ, কঠালগুৰি মণ্ডল কংগ্ৰেছৰ সভাপতি বিজয় মুখীয়াৰ, সাধাৰণ সম্পাদক ইদ্ৰীছ আলি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে। কঠালগুৰি মণ্ডল কংগ্ৰেছৰ ৮টা বুথৰ সভাপতি আৰু সাধাৰণ সম্পাদককে প্ৰমুখ্যে কৰি শতাধিক কংগ্ৰেছ কৰ্মী উপস্থিত থকা সভাত অসম গণ পৰিষদ, কঠালগুৰি আঞ্চলিকৰ প্ৰাক্তন সভাপতি, অগপ নেতা খগেন বৰবৰা, প্ৰাক্তন সাধাৰণ সম্পাদক, অগপ নেতা ৰঞ্জিত গগৈয়ে আজি আনুষ্ঠানিকভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছ দলত যোগদান কৰে। সভাত কংগ্ৰেছ দলৰ বুথ সমিতি সমূহ বৰ্ধিতভাৱে গঠন কৰি শক্তিশালী কৰিবলৈ সিদ্ধান্ত কৰে।

পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব সোণালী জয়ন্তী

# চেঙাত শ্ৰীশ্ৰী মহালক্ষ্মী পূজা মহোৎসৱৰ সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি তুংগত

## লাইখুঁটা স্থাপন বান্দালী সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰনাথ গোস্বামীৰ

**অসম বাৰ্তা, চেঙা, ১৪ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙা বামপাড়া পশ্চিম সংঘৰ উদ্যোগত শ্ৰীশ্ৰী মহালক্ষ্মী পূজা মহোৎসৱৰ সোণালী জয়ন্তী উদযাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে উদ্‌যাপন সমিতিয়ে। অহা ৬ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'ব শ্ৰীশ্ৰী মহালক্ষ্মী পূজা মহোৎসৱৰ সোণালী জয়ন্তী। সাগৰ চন্দ্ৰ বায়নক সভাপতি আৰু পংকজ ডেকাক সম্পাদক হিচাপে লৈ ইতিমধ্যেই এখনি শক্তিশালী সোণালী জয়ন্তী উদযাপন সমিতি গঠন কৰা হৈছে। আজি পুৱাৰ ভাগত চেঙাৰ শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ প্ৰাংগণত সোণালী জয়ন্তী উৎসৱ উদযাপনৰ লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপনৰ প্ৰাকমুহূৰ্তত বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি সাগৰ চন্দ্ৰ বায়নে। লাইখুঁটা স্থাপন কৰে বান্দালী সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰনাথ গোস্বামীয়ে। সত্ৰাধিকাৰ দ্বিজেন্দ্ৰনাথ গোস্বামীয়ে লাইখুঁটা স্থাপন কৰি ভাষণ প্ৰসংগত কয় যে- "এই অনুষ্ঠানভাগিয়ে অঞ্চলটোত আধ্যাত্মিক ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব। আধ্যাত্মিক শিক্ষা আৰু কৰ্মই মানুহৰ আসুৰিক প্ৰবৃত্তিক নিয়ন্ত্ৰণ কৰে, সমাজখন সুন্দৰ কৰে। এই অনুষ্ঠানে গোটেই মানুহখিনিৰ মাজত ধৰ্মীয় চেতনাৰ উপৰিও প্ৰেম-পিৰিতি, সদভাৱ অক্ষুণ্ণ ৰাখিব। ইয়াৰ দ্বাৰাই নিশ্চয় সমাজখনৰ উন্নতি হ'ব।" লাইখুঁটা স্থাপন কাৰ্যসূচীৰ আঁত ধৰে চেঙা ঐক্য সন্মিলনৰ উপ সভাপতি খনিন পাঠকে। সোণালী জয়ন্তীৰ প্ৰতিটো কাৰ্যসূচীতেই ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে চেঙা বামপাড়া পশ্চিম সংঘৰ সভাপতি আনন্দ পাটোৱাৰী আৰু সম্পাদক শৈলেন পাটোৱাৰীয়ে।

৬০ জন আক্ৰান্ত; সংকটজনক অৱস্থাত পোন্ধৰ জনক জিলা চিকিৎসালয়ত ভৰ্তি

# নামনি মাজুলীৰ গোৱালগাঁৱত প্ৰসাদত বিষক্ৰিয়া

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ গোৱাল গাঁৱত মাধৱদেৱৰ তিথিৰ মা - প্ৰসাদত বিষক্ৰিয়া হৈ গাঁওখনৰ অৰ্ধ শতাধিক লোক অসুস্থ হৈ পৰিছে। উক্ত বিষক্ৰিয়া হৈ স্বাস্থ্যৰ অৱনতি ঘটাৰ বাবে সংকটজনক অৱস্থাৰ কেইবাজনো ৰোগীক মাজুলীৰ গড়মূৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ঘটনাৰ বিৱৰণী মতে কালি গাঁৱৰ নামঘৰত মহাপুৰুষ মাধৱদেৱৰ তিথি উদযাপন কৰিছিল। উক্ত, তিথিত গাঁজি মণ্ডমাহ প্ৰসাদ হিচাপে ৰাইজে খাইছিল। তথ্য অনুসৰি গাওঁখনৰ অৱনী মূদৈৰ নামৰ মানুহজনৰ ঘৰৰ পৰাই গাঁও পৰিচালনা আৰু উন্নয়ন সমিতিয়ে উক্ত মণ্ড মাহখিনি ক্ৰয় কৰিছিল আৰু দুদিন আগৰে পৰা গাঁজি হ'বলৈ থৈ দিছিল আৰু কালি মণ্ডমাহখিনি মাধৱদেৱৰ তিথিত নামঘৰত প্ৰসাদ হিচাপে ৰাইজে খাইছিল। উক্ত গাঁজি মণ্ডমাহ খোৱা লোক সকলৰ যোৱা ৰাতিৰ পৰা তীব্ৰ পেট বিষ, শৌচ, বমিৰ লগতে জ্বৰত আক্ৰান্ত হৈ পৰে। আজি ৰাতিপুৱাৰ পৰা উক্ত গাঁজি মা প্ৰসাদ খোৱা সকলো লোকৰ শৌচ, বমি, পেট বিষ আৰু জ্বৰ বেছি হৈ পৰে। পুৱা গোৱালগাঁৱৰ অৰ্ধ শতাধিক লোকৰ একেলগে ডায়েৰিয়া ৰোগত আক্ৰান্ত হোৱাত সমগ্ৰ গাঁওখনত হুৱা-দুৱা লাগে। তেতিয়া গাঁৱৰ ৰাইজে মাজুলীৰ জিলা প্ৰশাসনক খবৰ দিয়ে। মাজুলী জিলা প্ৰশাসনে তৎপৰতাৰে মাজুলীৰ ম'বাইল মেডিকেল ইউনিটৰ সকলো চিকিৎসক আৰু টেকনিচিয়ানক গোৱালগাঁৱলৈ পঠিয়াই দিয়ে। উক্ত, চিকিৎসকৰ দলটোয়ে গাঁওখনত আহি দীৰ্ঘ সময় চিকিৎসা প্ৰদান কৰে। কিন্তু, উক্ত, চিকিৎসাসেৱা পৰ্যাপ্ত নাছিল। ফলত গাঁওখনৰ পৰা ১০৮ এম্বুলেন্স সেৱাৰ জৰিয়তে জটিল ভাৱে ডায়েৰিয়াত আক্ৰান্ত বহুতো লোকক মাজুলীৰ জিলা চিকিৎসালয়লৈ লৈ যায়। গাঁৱখনৰ শিশুৰ পৰা বৃদ্ধলৈকে উক্ত বিষক্ৰিয়াত আক্ৰান্ত হয়। গোৱালগাঁৱৰ ডিম্পী মূদৈ (৩২), জাহ্নৱী মূদৈ( ৩১), সাৰংগ মূদৈ (৭), ললিত চন্দ্ৰ হাজৰিকা (৭২), কল্পনা বৰা (৩৫), অৱন্তি বৰা (৪২), উত্তম বৰা (৪৬), দেৱযানী শইকীয়া মূদৈ (৩২), জোন বৰা (২১) অনুশ্ৰী বৰা (৮) আৰু খগেন হাজৰিকা (৬৫), স্বৰ্ণ বৰা (৭৭), পুতুকণ হাজৰিকা (৫০), দীপাংকৰ হাজৰিকা (৪১), ৰিমলি বৰা (৩২) বৰ্তমান গড়মূৰৰ মাজুলী জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। উক্ত, বিষক্ৰিয়াৰ বুজ ল'বলৈ আজি দুপৰীয়া মাজুলীৰ অতিৰিক্ত উপায়ুক্ত সূৰুজ সোণোৱাল আৰু সহকাৰী ৰাজহ চক্ৰ বিষয়া নাটালিয়া নাটাসা সন্দিকৈ আজি ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত কৰিছে। ইতিমধ্যে মণ্ডমাহৰ নমুনা মাজুলীৰ খাদ্য সুৰক্ষা বিষয়াই সংগ্ৰহ কৰি পৰীক্ষাগাৰলৈ লৈ গৈছে। আনহাতে, গাঁওখনৰ প্ৰতি ঘৰতে এতিয়াও শৌচ আৰু পেটৰ বিষ হৈ থকা অগণন ৰোগী আছে বুলি গাঁৱৰ ৰাইজে জানিবলৈ দিছে। গাঁজি মণ্ডমাহ খোৱাৰ ফলতেই ৰাইজৰ বিষক্ৰিয়া হোৱা বুলি ৰাইজ নিশ্চিত হৈছে। আক্ৰান্ত ৰোগীৰ সংখ্যা বাঢ়ি বাঢ়ি গৈ আছে বুলি জানিব পৰা গৈছে। এতিয়াও গাঁওখনত আতংক মাৰ যোৱা নাই।

# বৰপেটাৰোড আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানত ড্ৰাগছসহ এজন সৰবৰাহকাৰী আটক

**অসম বাৰ্তা, বৰপেটাৰোড, ১৪ ছেপ্টেম্বৰ ঃ** বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত নিশা বৰপেটাৰোড ৰেল গেটৰ সমীপৰ আজাদ নগৰত সন্দেহ যুক্ত হেৰইন সহ ড্ৰাগছ সৰবৰাহকাৰী আটক কৰিবলৈ সক্ষম হয়। সৰবৰাহকাৰী গৰাকীৰ পৰা এটা ড্ৰাগছ ভৰ্তি প্লাষ্টিকৰ পেকেট জব্দ কৰাৰ লগতে ১৯টাকৈ খালী কণ্টেইনাৰৰ জব্দ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো হৈছে শক্তি নগৰৰ আতোৱাৰ আলী বুলি জানিব পৰা গৈছে। জানিব পৰা মতে দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ব্যৱসায়ী চলাই থকা ব্যৱসায়ী গৰাকীক নিশা বৰপেটাৰোড আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই ড্ৰাগছ সহ সৰবৰাহকাৰীক জনক আটক কৰিবলৈ সক্ষম হয়। বৰপেটাৰোড আৰক্ষীয়ে ড্ৰাগছ ব্যৱসায়ী আতোৱাৰ আলীক আটক কৰি আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# অসম চাহ মজদুৰ সংঘৰ তৎপৰতাত চাহ কোম্পানীৰ সৈতে বোনাচ চুক্তি সম্পন্ন

**অসম বাৰ্তা, ডিমৌ, ১৪ ছেপ্টেম্বৰ ঃ** আগন্তুক শাৰদীয় দুৰ্গা পূজাৰ পূৰ্বে চাহ বাগিচাৰ শ্ৰমিকসকলে গত বিত্তীয় বৰ্ষৰ অৰ্থাৎ ২০২৪-২৫ বৰ্ষৰ উপাৰ্জনৰ ওপৰত পাব লগা বোনাচ চুক্তি ইতিমধ্যে অসম চাহ মজদুৰ সংঘ (এচিএমএচ) আৰু চাহ কোম্পানীসমূহৰ মাজত সমাপ্তিৰ ৯৫ শতাংশ সম্পন্ন হৈছে। কেন্দ্ৰীয় সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ আৰু সাধাৰণ সম্পাদক তথা মন্ত্ৰী ৰূপেশ গোৱালাৰ চেষ্টা আৰু তৎপৰতাত তলত উল্লেখ কৰা ব্ৰহ্মপুত্ৰ উপত্যকাত থকা চাহ কোম্পানীসমূহে সংঘৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সভাগৃহত উপস্থিত হৈ দীঘলীয়া আলোচনাৰ অন্তত চুক্তি পত্ৰত স্বাক্ষৰ কৰে। উল্লেখ্য যে এই বছৰ প্ৰতিটো কোম্পানীৰ উপৰিও ব্যক্তিগত মালিকাধীন বাগিচা সমূহেও ২০ শতাংশ বোনাচ কিছু কোম্পানী এবাৰতে আৰু কিছুৱে দুটা কিস্তিত দিয়াৰ চুক্তি কৰে। আসাম কোম্পানী (১৪ খন) ২০ শতাংশ, ৰাচেল (৬ খন) ২০ শতাংশ, গিলিবাৰ্ডচ (৬ খন) ২০ শতাংশ, গুডৰিক (১৫ খন) ২০ শতাংশ, লছমী (১৩ খন) ২০শতাংশ, এচিয়ান গ্ৰুপ (২) ২০ শতাংশ, এম, কেশ্বাহ (১৪ খন) ২০ শতাংশ, জোকতলি (৪ খন) ২০ শতাংশ, এণ্ড্ৰইউল (১০ খন) ২০ শতাংশ, মেকলয়েড ৰাচেল (৩১ খন) ২০ শতাংশ, মহিমা লিমিটেড (৩ খন) ২০ শতাংশ, অমৰাৱতী চাহ কোম্পানী (২ খন) ২০ শতাংশ, ধনশ্ৰী (১১ খন) ২০ শতাংশ। চিংলো কোম্পানীৰ (৪ খন) ২০ শতাংশ বোনাচ চুক্তি কৰা হৈছে। বাকী থকা কেইটামান কোম্পানীৰ লগত কেন্দ্ৰীয় সংঘৰ আলোচনা অব্যাহত আছে। আনহাতে সংঘৰ অন্তৰ্গত থকা শাখা সমূহৰ দ্বাৰাই ব্যক্তিগত মালিকাধীন বাগিচা সমূহতো ২০ শতাংশ বোনাচ প্ৰদানৰ সিদ্ধান্ত আৰু চুক্তি কৰাৰ পাছত ইতিমধ্যে শ্ৰমিকৰ মাজত বোনাচ বিতৰণ পৰ্ব আৰম্ভ হৈছে বুলি কেন্দ্ৰীয় সংঘৰ কোষাধ্যক্ষ তথা মৰাণ শাখা সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে সংঘৰ এক প্ৰেছ বিজ্ঞপ্তি যোগে জনাইছে। বোনাচ আৰু আগন্তুক দুৰ্গা পূজাৰ সময়ছোৱাত বাগিচাত শান্তি-সম্প্ৰীতি বজাই ৰাখিবলৈ ঘাটোৱাৰ আৰু গোৱালাই শ্ৰমিক ৰাইজলৈ আহ্বান জনাইছে বুলি অসম চাহ মজদুৰ সংঘ-মৰাণ শাখাৰ লক্ষেশ্বৰ তাঁতীয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে সদৰী কৰিছে।

# বান্দৰদেৱা আৰক্ষীৰ গোপন অভিযানত ড্ৰাগছসহ আটক অৰুণাচলী এগৰাকী যুৱতীসহ এজন যুৱক

**অসম বাৰ্তা, বান্দৰদেৱা, ১৪ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা সমীপৰ মালতি আই থানৰ সন্মুখৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত বান্দৰদেৱা আৰক্ষীয়ে আজি এক গোপন সূত্ৰৰ ভিত্তিত বান্দৰদেৱা অভিমুখে কঢ়িয়াই অনা AR 01 T9021 নম্বৰৰ স্কুটি খনত অৰুণাচলৰ চিম্ফুৰ টেছি টাৰে আৰু অনু পাবাম নামৰ যুৱক যুৱতী দুগৰাকীৰ পৰা ৩৫টা ড্ৰাগছভৰ্তি কণ্ট্ৰেইনাৰসহ হাতে লোতে আটক কৰিবলৈ সক্ষম হয়। বান্দৰদেৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অৰূপ বাহাদুৰ থাপা আৰু দুলু মণি শইকীয়াসহ এটা আৰক্ষী দলে উক্ত অভিযান চলাই ৩৫টা ড্ৰাগছভৰ্তি কণ্ট্ৰেইনাৰসহ যুৱক জনক কৰায়ত্ত কৰে। জব্দকৃত উক্ত ড্ৰাগছ খিনিৰ ওজন ৫৩.৮৬ গ্ৰাম বুলি আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত আইনী ব্যৱস্থাৰ বাবে ধৃত যুৱক যুৱতী দুগৰাকীক স্থানীয় বিহপুৰীয়া আৰক্ষী থানালৈ প্ৰেৰণ কৰাৰ লগতে আৰক্ষীয়ে অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

মুখ্যমন্ত্ৰীৰ 'বিজ্ঞান প্ৰতিভা সন্ধান' আঁচনি

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিৰ্বাচিত নলবাৰীৰ দাগাপাৰাৰ বন্যাশ্ৰী মহন্তক বীৰ লাচিত সেনা, মুকালমুৱা আঞ্চলিকৰ সম্বৰ্ধনা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৪ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰে ২০২৪ চনৰ পৰা আৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ 'বিজ্ঞান প্ৰতিভা সন্ধান' আঁচনিৰ অধীনত নলবাৰী জিলাৰ কালদিস্থিত পি এম শ্ৰী আদৰ্শ বিদ্যালয়, বৰক্ষেত্ৰীৰ ছাত্ৰী বন্যাশ্ৰী মহন্ত বাছনি হৈছে। উক্ত আঁচনিৰ জৰিয়তে অসমৰ প্ৰতিভা আন্তৰ্জাতিক মঞ্চলৈ লৈ যাবৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে এই আঁচনিৰ বাবে শিক্ষাৰ্থীসকলে প্ৰথমে অনলাইন আবেদন জমা দিব লাগে। ইয়াৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত লিখিত পৰীক্ষাত অংশ ল'ব লাগে। লিখিত পৰীক্ষাত উত্তীৰ্ণ হৈ ছাত্ৰ-ছাত্ৰীসকলে পুনৰ অনলাইন সাক্ষাৎকাৰত অংশগ্ৰহণ কৰে। এনেধৰণে নিৰ্বাচন প্ৰক্ৰিয়া হোৱাৰ পিচত চূড়ান্ত বাছনি তালিকাত ছাত্ৰীগৰাকী নিৰ্বাচিত হোৱাত বিদ্যালয়খনৰ লগতে সমগ্ৰ অঞ্চলটোৱে গৌৰববোধ কৰিছে। বন্যাশ্ৰী মহন্ত নলবাৰীৰ দগাপাৰা গাঁৱৰ চতিন মহন্ত আৰু শিক্ষয়িত্ৰী ৰাণু ডেকাৰ একমাত্ৰ কন্যা। ছাত্ৰীগৰাকীৰ এই উত্তৰণত বীৰ লাচিত সেনা মুকালমুৱা আঞ্চলিক সমিতিয়ে ছাত্ৰীগৰাকীৰ বাসগৃহলৈ গৈ ছাত্ৰীগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে ছাত্ৰীগৰাকীক শুভেচ্ছা জনায়।

# মাকটাইগাঁৱত বিপিএফৰ প্ৰচাৰ সভা আৰু যোগদান কাৰ্যসূচী অনুষ্ঠিত

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** ৪ নং যমদুৱাৰ সমষ্টিৰ অন্তৰ্গত মাকটাই গাঁৱত আজি অনুষ্ঠিত হয় বিপিএফৰ প্ৰচাৰ সভাৰ লগতে যোগদান কাৰ্যসূচী। বিটিচি নিৰ্বাচনৰ মাত্ৰ কেইদিনমান বাকি থাকোঁতেই শাসক—বিৰোধী সকলো দলেই নিজৰ ভেটি অধিক শক্তিশালী কৰিবলৈ ব্যাপক প্ৰচাৰ আৰম্ভ কৰিছে। মাকটাই গাঁও প্ৰাইমাৰীৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত উপস্থিত থাকে পশ্চিম কোকৰাঝাৰ বিধায়ক তথা ৬ নং কচুগাঁও পৰিষদীয় সমষ্টিৰ বিপিএফ প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰী, লগতে ৪ নং যমদুৱাৰ সমষ্টিৰ বিপিএফ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰী। লগতে গোসাই গাওঁ জিলা বিপিএফ মহিলা মাৰ্চাৰ সভানেত্ৰী আৰু সম্পাদিকা উপৰিও বিভিন্ন দলীয় কৰ্মী, সমৰ্থক আৰু স্থানীয় লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বক্তাসকলে বিপিএফৰ উন্নয়নমূলক কামকাজৰ বিৱৰণ দাঙি ধৰে আৰু আগন্তুক নিৰ্বাচনত দলক বিজয়ী কৰাৰ আহ্বান জনায়। এক আছুতীয়া সাক্ষাৎকাৰৰ মিলিত হৈ বিটিচি পৰিষদীয় নিৰ্বাচনত বিপিএফে ত্ৰিশখন আসন জয় লাভ কৰিব লগতে ৪ নং যমদুৱাৰ সমষ্টিখন ইয়াৰ শীৰ্ষত থাকিব বুলি গোষনা কৰে উইলিয়াম নাৰ্জাৰীয়ে।

## সম্পাদকীয়

# ইনছুলিন উৎপাদনৰ ন-দিগন্ত; সুলভ স্বাস্থ্যৰ পথত ভাৰতীয় উদ্ভাৱন

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি) গুৱাহাটীৰ গৱেষকসকলে সম্প্ৰতি এক গুৰুত্বপূৰ্ণ উদ্ভাৱনৰ জৰিয়তে বিশ্বৰ স্বাস্থ্যজনিত অন্যতম চ্যালেঞ্জ—ডায়েবেটিছ—ৰ সন্মুখীনতাৰ পথত এক নতুন আলোকপাত কৰিছে। ছ্যুড'ম'নাছ ফ্লু'ৰেচেন্স নামৰ এক নিৰাপদ বেক্টেৰিয়া ব্যৱহাৰ কৰি ইনছুলিন উৎপাদনৰ এই নতুন পদ্ধতিয়ে ডায়েবেটিছ ৰোগীসকলৰ বাবে জীৱনৰক্ষাকাৰী এই হৰমʼনক অধিক সুলভ আৰু সহজলভ্য কৰি তুলিব বুলি আশা কৰা হৈছে। এই গৱেষণা দলটোৰ নেতৃত্বত আছিল অধ্যাপক ড° বীৰাংকী ভেংকটা দাস, যিয়ে আই আই টি গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক হিচাপেও স্বীকৃতি লাভ কৰিছে। তেওঁৰ সহযোগীসকল—অনুমান চাহু, প্ৰবীৰ কুমাৰ দাস, ডাঃ এম এছ আৰ চি মূৰ্তি আৰু অধ্যাপক সঞ্জুক্ত পাত্ৰ—ৰ অবদানো সমানে প্ৰশংসনীয়। ইতিমধ্যে এই প্ৰযুক্তিক ভাৰতীয় পেটেণ্ট প্ৰদান কৰা হৈছে, যিয়ে ইয়াক বাণিজ্যিকভাৱে বিকশিত কৰাৰ পথ মুকলি কৰিছে।

ডায়েবেটিছ আজি বিশ্বব্যাপী এক মহামাৰীৰ ৰূপ লৈছে। আন্তঃৰাষ্ট্ৰীয় ডায়েবেটিছ ফেডাৰেচনৰ তথ্যমতে, বৰ্তমান বিশ্বত ৫৩.৭ কোটিতকৈ অধিক প্ৰাপ্তবয়স্ক লোক এই ৰোগত আক্ৰান্ত, আৰু ২০৫০ চনৰ ভিতৰত প্ৰতি ৮ জনৰ ভিতৰত এজনৰ এই ৰোগ হোৱাৰ সম্ভাৱনা আছে। ভাৰততো এই সংখ্যা অতি উদ্বেগজনক—প্ৰায় ১০ কোটি লোক ডায়েবেটিছত ভুগি আছে। এনে পৰিস্থিতিত ইনছুলিনৰ ভূমিকা অপৰিহাৰ্য। কিন্তু বৰ্তমানৰ উৎপাদন পদ্ধতিসমূহ—যেনে ইষ্ট বা স্তন্যপায়ী কোষৰ ব্যৱহাৰ—ব্যয়বহুল আৰু জটিল, যাৰ ফলত বিশেষকৈ উন্নয়নশীল দেশসমূহত ইনছুলিনৰ অভাৱ দেখা যায়। অনেক ৰোগীয়ে দামী দৰৰ বাবে চিকিৎসা ল'ব নোৱাৰি মৃত্যুৰ মুখলৈ ঠেলি দিয়া হয়।

আই আই টি গুৱাহাটীৰ এই উদ্ভাৱনে ঠিক এই সমস্যাৰ সমাধানৰ দিশত এক প্ৰগতিশীল পদক্ষেপ। ছ্যুড'ম'নাছ ফ্লু'ৰেচেন্স বেক্টেৰিয়াক বি এছ এল-১ অণুজীৱ হিচাপে ব্যৱহাৰ কৰি জেনেটিক, মেটাবলিক আৰু বায়'কেমিকেল ইঞ্জিনীয়াৰিংৰ মাধ্যমত পুনঃসংযোজিত ইনছুলিন উৎপাদন কৰা হৈছে। এই পদ্ধতিয়ে প্ৰ'টিনক দ্ৰৱণীয় ৰূপত উৎপাদন কৰি প্ৰক্ৰিয়াটো সহজ আৰু কম খৰচী কৰি তুলিছে। বিযাক্ত যৌগৰ ঠাইত খাদ্য গ্ৰেডৰ প্ৰৰোচক ব্যৱহাৰ কৰাৰ সুবিধাই ইয়াক অধিক নিৰাপদ কৰিছে। ফলত, ইনছুলিনৰ উৎপাদন খৰচ কমি যাব, আৰু ইয়াক বিশ্বৰ দূৰৱৰ্তী অঞ্চললৈও সহজে যোগান ধৰিব পৰা যাব।

ভাৰতৰ দৰে এক দেশত, য'ত স্বাস্থ্য সেৱাৰ অসমতা অতি প্ৰকট, এই উদ্ভাৱনে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। ইয়াৰ জৰিয়তে স্বাস্থ্য খণ্ডত স্বনিৰ্ভৰতা বৃদ্ধি পাব, আৰু বিদেশী আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাব। চৰকাৰে এনে গৱেষণাক অধিক অনুদান আৰু সহায় প্ৰদান কৰি বাণিজ্যিক উৎপাদনৰ দিশত আগুৱাই যাব লাগে। একে সময়তে, ফাৰ্মা কোম্পানীসমূহক এই প্ৰযুক্তি গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা উচিত।

এই গৱেষণাই কেৱল ইনছুলিনৰ সুলভতা নিশ্চিত কৰাই নহয়, ভাৰতীয় বিজ্ঞানীসকলৰ সৃষ্টিশীলতাকো বিশ্বমঞ্চত প্ৰতিষ্ঠিত কৰিছে। ডায়েবেটিছৰ বিৰুদ্ধে যুঁজত এয়া এক বিজয়ী অধ্যায়, যিয়ে লাখ লাখ লোকৰ জীৱন ৰক্ষা কৰিব পাৰে। স্বাস্থ্যজনিত সমতাৰ পথত এনে উদ্ভাৱনক আমি সকলোৱে স্বাগতম জনোৱা উচিত।

[redacted]মখন যে কোনো বিদেশীৰ বাবে চৰণীয়া পথাৰ নহয় সেই কথা এই আন্দোলন সমূহে স্পষ্টভাৱে প্ৰমাণ কৰি দিছে। কিছুদিন পূৰ্বে অস[redacted]াজধানী গুৱাহাটীৰ মাজমজিয়াত অনুষ্ঠিত হোৱা এখন সভাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দিল্লীৰ তথাকথিত মানবাধিকাৰ কৰ্মী চৈয়দা হামিদ [redacted] গুৱাহাটীত উপস্থিত হৈছিল। গুৱাহাটীত তেওঁক উপযুক্ত সন্মান প্ৰদান কৰাৰ লগতে মঞ্চত ভাষণ দিবলৈ সভাৰ উদ্যোক্তা সকলে সুবিধা প্ৰদান কৰিছিল। সভাত হামিদে ভাষণ প্ৰদান কৰি যেতিয়াই সভাগৃহৰ বাহিৰলৈ ওলাই আহিছিল তেতিয়াই তেওঁ মুখামুখি হৈছিল সাংবাদিকৰ।

# অসমৰ বিদেশী সমস্যা, অসম বিৰোধী মন্তব্য আৰু অসমীয়া জাতিৰ অধিকাৰ আৰু স্বাভিমান

দেৱৰ্ষি গৌতম



অসম হৈছে এক ইতিহাস বিজড়িত ৰাজ্য। অসম আৰু অসমীয়া জাতিৰ এক বৰ্ণিল ইতিহাস আছে। অসমৰ এই বৰ্ণিল ইতিহাসে যুগ যুগান্তৰৰ পৰা অসমীয়া জাতিক সমৃদ্ধ কৰি ৰাখিছে আৰু আগলৈও ৰাখিব। অসমত বসবাস কৰা প্ৰতিটো জাতি, প্ৰতিটো জনগোষ্ঠী, প্ৰতিটো ভাষা, প্ৰতিটো ধৰ্মৰ লোকে এক এনাজৰী দোলেৰে বান্ধ খাই আছে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে অসমৰ বৃহত্তৰ অসমীয়া জাতিটোৱে অতীজৰে পৰা একত্ৰিত ভাবে বাপতি সাহোন বিহুৰ সমান্তৰালকৈ প্ৰতিটো জাতীয় আৰু ধৰ্মীয় উৎসৱ পালন কৰি আহিছে। অসমীয়া জাতিয়ে যেতিয়াই অস্তিত্বৰ সংকট অহা বুলি অনুভৱ কৰিছে তেতিয়া কিন্তু জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোৱে একেলগে জাতিটোক জীয়াই ৰখাৰ স্বাৰ্থত মাৰ বান্ধি থিয় দি আহিছে। বহু সময়ত অসমীয়া জাতিক দুৰ্বল কৰিবলৈ বিভিন্ন অপশক্তিয়ে চেষ্টা কৰি আহিছে। এই সকলোবোৰ অপশক্তিক উৎখাত কৰিবলৈ স্বতঃস্ফূতভাৱে ওলাই অহা অসমীয়া জনতাৰ আবেগৰ বহিৰ্প্ৰকাশ ভাষা আন্দোলনৰ পৰা আৰম্ভ হৈ একাদিক্ৰমে অসম আন্দোলন, কা অথবা কেব বিৰোধী আন্দোলনৰ মাজেদি প্ৰমাণিত হৈছে। অসমখন যে কোনো বিদেশীৰ বাবে চৰণীয়া পথাৰ নহয় সেই কথা এই আন্দোলন সমূহে স্পষ্টভাৱে প্ৰমাণ কৰি দিছে। কিছুদিন পূৰ্বে অসমৰ ৰাজধানী গুৱাহাটীৰ মাজমজিয়াত অনুষ্ঠিত হোৱা এখন সভাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দিল্লীৰ তথাকথিত মানবাধিকাৰ কৰ্মী চৈয়দা হামিদ গুৱাহাটীত উপস্থিত হৈছিল। গুৱাহাটীত তেওঁক উপযুক্ত সন্মান প্ৰদান কৰাৰ লগতে মঞ্চত ভাষণ দিবলৈ সভাৰ উদ্যোক্তা সকলে সুবিধা প্ৰদান কৰিছিল। সভাত হামিদে ভাষণ প্ৰদান কৰি যেতিয়াই সভাগৃহৰ বাহিৰলৈ ওলাই আহিছিল তেতিয়াই তেওঁ মুখামুখি হৈছিল সাংবাদিকৰ। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত হামিদে কৈছিল যে অসমত বাংলাদেশী থকাৰ বাবে কাৰো একো অসুবিধা হোৱা নাই। নেদেখাজনে পৃথিৱীখন মানুহৰ বাবে সৃষ্টি কৰিছে। গতিকে অসমত বাংলাদেশী থাকিলেও সেই বাংলাদেশী বোৰে অসমৰ লোকসকলৰ অধিকাৰ খৰ্ব কৰা নাই। হামিদে সাংবাদিক সকলৰ সন্মুখত প্ৰদান কৰা এই বক্তব্য সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ লগে লগে সমগ্ৰ অসমতে এক আলোড়নৰ সৃষ্টি হয়। এই ঘটনাৰ প্ৰতিক্ৰিয়া শেষ হোৱাৰ আগতেই আকৌ চৈয়দা হামিদে পুনৰ এবাৰ দিল্লীত বহি অসমক উদ্দেশ্যি বিৰূপ মন্তব্য প্ৰকাশ কৰে। চৈয়দা হামিদৰ এই সকলো বক্তব্যৰ ফলত এক ৰাজনৈতিক বাকযুদ্ধ আৰম্ভ হোৱাটো কোনো নতুন কথা নহয়। কিন্তু ৰাজনৈতিক বাকযুদ্ধৰ সমান্তৰালকৈ অসম আৰু অসমীয়া জাতিক প্ৰতিনিধিত্ব কৰা প্ৰতিটো জাতীয় দল সংগঠনে এই বক্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বক্তব্যৰ ক্ৰিয়া প্ৰতিক্ৰিয়া কিছু সংখ্যক ইতিমধ্যে হৈ গৈছে আৰু কিছু সংখ্যক এতিয়াও চলি আছে। এইখিনিতে আটাইতকৈ ডাঙৰ প্ৰশ্নটো হল যে চৈয়দা হামিদ নামৰ এই তথাকথিত মানবাধিকাৰ কৰ্মী গৰাকীক অসমৰ সভাত ভাষণ দিবলৈ কোনে আমন্ত্ৰণ জনাইছিল ? অসমলৈ আহি অসমৰ এক জ্বলন্ত সমস্যাৰ ওপৰত মন্তব্য আগবঢ়োৱাৰ আগত চৈয়দা হামিদে সম্যক জ্ঞানখিনি আহৰণ কৰি লোৱাটো অত্যন্ত জৰুৰী আছিল। আচলতে অসম সম্পৰ্কে চৈয়দা হামিদৰ অসম সম্পৰ্কে জ্ঞানৰ পৰিসৰ কিমান বহল সেয়া এক প্ৰশ্নৰ বিষয়। চৈয়দা হামিদক অসম সম্পৰ্কে কোনে জ্ঞান প্ৰদান কৰিছে সেই বিষয়টো কিন্তু অতি স্পৰ্শকাতৰ বিষয়। কাৰণ কোনো লোকে প্ৰদান কৰা তথ্যৰ ওপৰত ভিত্তি কৰিহে চৈয়দা হামিদে নিজৰ বক্তব্য সংবাদ মাধ্যমৰ আগত ৰাখিছে। চৈয়দা হামিদে তেওঁৰ বক্তব্যৰ পৰা এটা কথা বুজাব বিচাৰিছে যে দিল্লী আৰু অসমৰ সমস্যা একে। কিন্তু চৈয়দা হামিদে হয়তো গমেই নাপায় যে অসমত বিদেশী বিতাৰণৰ বাবে এক দীঘলীয়া আন্দোলন হৈছিল আৰু সেই আন্দোলনত অসমৰ ৮৫৫ জন সুঠাম ডেকাৰ কেঁচা তেজৰ বলিদানৰ অন্তত স্বাক্ষৰিত হৈছিল ঐতিহাসিক অসম চুক্তি। আচলতে চৈয়দা হামিদে তেওঁৰ বক্তব্যৰ জৰিয়তে অসম আন্দোলনত শ্বহীদ হোৱা ৮৫৫ জন ব্যক্তিৰ কেঁচা তেজক পোনপটীয়াকৈ অপমান কৰিলে। অসমৰ ভূমিত পদাৰ্পণ কৰি অসম আৰু অসমীয়া জাতিৰ স্বাভিমানক অপমান কৰাৰ অধিকাৰ চৈয়দা হামিদে কাৰ পৰা লাভ কৰিলে সেয়া কিন্তু আজিৰ সময়ত এক বিচাৰ্য বিষয়। কাৰণ স্থানীয় কোনো লোকৰ সহায় অবিহনে দেশৰ অন্য প্ৰান্তৰ এগৰাকী ব্যক্তিয়ে হঠাৎ অন্য এখন ঠাইলৈ আহি এনেধৰণৰ জাতি বিৰোধী, অসম বিৰোধী আৰু দেশ বিৰোধী মন্তব্য আগবঢ়াবলৈ সাহস গোটাব নোৱাৰে। চৈয়দা হামিদৰ দৰে এগৰাকী ব্যক্তিক অসমলৈ আমন্ত্ৰণ কৰি আনি যিসকল লোকে অসম আৰু অসমীয়া জাতিটোক অপমান কৰিলে তেনে ব্যক্তিসকলক অসমীয়া ৰাইজে অসমৰ জাতীয় জীৱনৰ পৰা নস্যাত কৰিব লাগে। নহলে পৰৱৰ্তী সময়তো এনে ব্যক্তিসকলে অসম আৰু আসমীয়া জাতি বিৰোধী ব্যক্তিসকলক ব্যৱহাৰ কৰি নিজৰ ন্যস্ত স্বাৰ্থ সিদ্ধি কৰিবলৈ চেষ্টা কৰিব। চৈয়দা হামিদে কোৱাৰ দৰে যদি বাংলাদেশী অসমৰ ভূমিত থকাটো একো ডাঙৰ কথা নহয় তেনেহলে দেশৰ নাগৰিকত্বৰ মৰ্য্যদা কত জীয়াই থাকিব? এখন দেশৰ নাগৰিক অথবা বিদেশী বুলি যদি কোনো পৰিচয় নাথাকে তেনেহলে তেনে দেশ এখনৰ সংবিধানৰ মৰ্যাদা আৰু গণতন্ত্ৰৰ মৰ্য্যদা কিদৰে জীয়াই থাকিব? দেশৰ সংবিধান খনে প্ৰতিগৰাকী ভাৰতীয় নাগৰিককহে প্ৰতিটো অধিকাৰ প্ৰদান কৰিছে। গতিকে বিদেশী নাগৰিক ভাৰতৰ ভূমিত থকাটো একো ডাঙৰ কথা নহয় আৰু তেওঁলোকক মানৱতাৰ দোহাইদি ভাৰতত বসবাস কৰিবলৈ দিব লাগে বুলি কৰা দাবী বা মন্তব্যই কেৱল দেশকে অপমান কৰা নাই দেশৰ সংবিধান খনকো এক প্ৰকাৰ অপমান কৰিছে। দেশ এখন সুৰক্ষিত হৈ থাকিবলৈ হলে সদায় বিদেশী শক্তিক চিনাক্ত কৰাটো অতিকৈ জৰুৰী। বিদেশী শক্তিয়ে দেশ এখনত যিকোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰি এক অৰাজকতা সাধাৰণ জনতাৰ মাজত বিয়পাই দিবলৈ চেষ্টা অব্যাহত ৰাখে। এনে ক্ষেত্ৰত যদি কোনো এগৰাকী ব্যক্তিয়ে এখন দেশত বিদেশী থকাটো সৰু কথা বুলি অভিহিত কৰে তেনেহলে তেনে ব্যক্তি দেশৰ ৰাষ্ট্ৰীয় সুৰক্ষা আৰু খণ্ডতাৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰিব পাৰি। চৰকাৰ, বিৰোধী তথা জাতীয় সংগঠন সকলোৱে চৈয়দা হামিদাৰ বক্তব্যক গৰিহণা আৰু ধিক্কাৰ জনাইছে। কিন্তু কেৱল মুখেৰে গৰিহণা জনালেই দায়িত্ব শেষ হব জানো। এনে ব্যক্তিসকলে মূলত অসম আৰু অসমীয়া জাতিক যাতে ভৱিষ্যতৰ দিনত অপমান কৰিব নোৱাৰে তাৰ বাবে আইনী ব্যৱস্থা গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী। অন্যথা এনে ব্যক্তি সকলে নিয়মীয়া অন্তৰালৰ ব্যৱধানত নিজৰ ৰাজনৈতিক স্বাৰ্থ আৰু ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে অসম আৰু অসমীয়া জাতিক অপমান কৰিবলৈ কিঞ্চিত পৰিমানেও কুণ্ঠাবোধ নকৰিব। এনে ব্যক্তিবোৰে যাতে ভৱিষ্যতৰ দিনত অসম আৰু অসমীয়া জাতিক অপমান কৰিবলৈ এশ বাৰ ভাবিবলৈ বাধ্য হয় তেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ সমান্তৰালকৈ অসমৰ বিষয়ে ভুল তথ্য প্ৰদান কৰা আৰু অসমলৈ মাতি আনি এই ব্যক্তিবোৰক অসমক অপমান কৰিবলৈ সুবিধা কৰি দিয়া ব্যক্তিসকলক অসমত ৰাজহুৱাকৈ বৰ্জন কৰিব লাগে। যদি অসমৰ অস্তিত্বৰ সংকট আহি পৰে তেনেহলে অসমীয়া জাতিৰ ভৱিষ্যত অতি সোনকালে ইতিহাসৰ পাতত যে বিলীন হব সেয়া সকলোৱে বোধগম্য। জাতিৰ ৰক্ষাৰ স্বাৰ্থত যাতে কোনেও ব্যক্তিস্বাৰ্থৰ কথা নাভাবে সেয়া অতিকৈ গুৰুত্বপূৰ্ণ।

## যোগাযোগৰ পৃথিৱী

# গ্ৰাহামবেলৰ পৰা মোবাইল বৃহৎ পৰিক্ৰমা



ড° আৰ কে বেজবৰুৱা

মনত নাই যদিয়ো, সেয়া ২০০০ চনৰ আগৰ ঘটনা। সেই সৰু খেলনা দৰে বস্তু এটা আমি অসমত কিছুমান আঢ্যৱন্ত মানুহৰ হাতত দেখা পাইছিলোঁ। ৰাস্তাত থিয় হৈ নাইবা ঘৰৰ বেলকনিৰ পৰা কাৰোবাৰ লগত কথা পাতিছিল। কাষেৰে পাৰ হৈ যোৱা মানুহে তেওঁক ঔৎসুক্যতাৰে নিৰীক্ষণ কৰিছিল। কথা পতাজনৰ মুখত ফুটি উঠিছিল গৌৰৱৰ অভিব্যক্তি। সেয়া আছিল মোবাইল ফোন। চাবলৈ গ'লে মোবাইল ফোনৰ ইতিহাস খুব বেছি দিনৰ নহয়। আলেকজেণ্ডাৰ গ্ৰাহাম বেলে আৱিষ্কাৰ কৰা টেলিফোনৰ পৰিবৰ্তন আৰু সংবৰ্দ্ধন ঘটি বেতাঁৰ মাধ্যমত শব্দৰ অহা-যোৱাক মোবাইলে আমাক যোগান ধৰে। এই খিনিতে আলেকজেণ্ডাৰ গ্ৰাহাম বেলৰ বিষয়ে দুটামান কথাউল্লেখ কৰিলে ভাল হ'ব।

গ্ৰাহাম বেলৰ পিতৃ আৰু ককাদেউতাকৰ বক্তৃতা প্ৰশিক্ষণৰ শিক্ষক আছিল। তেওঁৰ পিতৃয়ে 'দৃশ্যমান বক্তৃতা' পদ্ধতিৰ ওপৰত কাম কৰা। এই পদ্ধতিত বক্তৃতা লিখি লৈ বধিৰ ব্যক্তিক কথা কবলৈ শিকোৱা হয়। তাতেই উৎসাহ পাই গ্ৰাহামবেলে কাণ আৰু কণ্ঠ সংযোগৰ কাৰ্য্যকৰী হোৱাকৈ এটা বক্তৃতা যন্ত্ৰ তৈয়াৰ কৰাৰ চেষ্টা কৰিছিল। মানুহৰ শৰীৰ বিদ্যাৰ বিষয়ে যথেষ্ট অধ্যয়ন কৰি শ্ৰৱণ সম্পৰ্কে জ্ঞান আহৰণ কৰিছিল। ১৮৭১ চনত মুক-বধিৰ শিক্ষাৰ্থীৰ বাবে তেওঁ বোষ্টন বিশ্ববিদ্যালয়ত ভোকেল ফিজিওল'জি বিষয়ৰ অধ্যাপক নিযুক্ত হৈছিল।



তাৰ মাজত তেওঁ শব্দ তৰংগক উচ্চ আৰু নিম্ন গ্ৰাম প্ৰবাহত বৈদ্যুতিক তৰংগলৈ পৰিবৰ্তিত কৰাৰ কথাও চিন্তা কৰিছিল।

তাৰ মাজতে তেওঁৰ জীৱনলৈ প্ৰেমৰ আগমন ঘটে। গাৰ্ডিনাৰ হাৱাৰ্ড নামৰ ধনী ব্যক্তি এজনৰ মুক-বধিৰ কন্যা মেবেলক তেওঁ কথা কোৱাবলৈ (বৰ্তমান ভইচ থেৰাপী বুলি কয়) শিকাইছিল। সেই মেবেলৰ লগত গ্ৰাহামবেলৰ প্ৰেম হয়। মেবেলৰ বাক শক্তি উন্নত কৰাৰ বাবে গ্ৰাহামবেলেউঠি পৰি লাগিল। কঠোৰ পৰিশ্ৰম আৰু চিন্তাৰে তেওঁ যন্ত্ৰ এটা সাজি উলিয়ালে। তাকেই টেলিফোন বুলি পিছলৈ কোৱা হৈছিল। সেই যন্ত্ৰৰ সহায়ত পোন প্ৰথম বাৰৰ বাবে বোধগম্য হোৱাকৈ টেলিফোন বাৰ্তালাপ সম্পন্ন কৰা হৈছিল ১৮৭৬ চনৰ ১০ মাৰ্চ তাৰিখে। তাৰ পিছত গ্ৰাহাম বেলে টেলিফোনৰ পেটেণ্টৰ বাবে আবেদন কৰিছিল। বিভিন্ন সংঘাত আৰু পৰিশ্ৰমৰ পিছত ১৮৭৬ চনত বৈদ্যুতিক তাঁৰৰ মাজেৰে কথা পঠোৱা যন্ত্ৰৰ বাবে গ্ৰাহামবেলে পেটেণ্ট লাভ কৰিছিল। বিশ্বৰ যোগাযোগ ব্যৱস্থাত টেলিফোনে বিপ্লৱৰ সূচনা কৰিলে। টেলিফোন হৈ পৰিল পৃথিৱীৰ সংযোগ কৰাৰ আটাইতকৈ সুবিধাজনক আৰু নিৰ্ভৰশীল জালিকা (নেটৱৰ্কিং) প্ৰণালী। ডেভিড হিউজৰ নাম 'মাইক্ৰোফোন'ৰ আৱিষ্কাৰৰ সৈতে জড়িত কৰা হয়। তেওঁ এজন সঙ্গীতৰ প্ৰশিক্ষক আছিল। গ্ৰাহাম বেলে প্ৰথম অৱস্থাত তৈয়াৰ কৰা যন্ত্ৰটো ডেভিড হিউজে ১৮৭৮ চনত কিছু উন্নত কৰি তোলে।

১৮৫০ চনত পৰীক্ষামূলক ভাৱে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ডাইমণ্ড হাৰবাৰৰ পৰা কলিকতালৈ টেলিগ্ৰাফ সেৱাঁ চলাইছিল। তাৰ পৰৱৰ্তী সময়ত ১৮৫৩ চনৰ পৰা পেচোঁৱাৰ, আগ্ৰা, বোম্বে, মাদ্ৰাজ আদি ঠাই টেলিগ্ৰাফেৰে সংযুক্ত কৰিছিল। এই কামত মুখ্য ভূমিকা লৈছিল- William O'shaughnessy নামৰ বৃটিছ এজনে আৰু Oriental Telephone Company Ltd.-য়ে। ১৯০২ চনত cable telegram -ৰে ভাৰতৰ বিভিন্ন ঠাই সংযুক্ত কৰা হৈছিল। ১৯৬০ চনত লক্ষ্ণৌ আৰু কাণপুৰৰ মাজত STD সেঁৱা সম্ভৱ হৈছিল। পিছলৈ টেলিসংযোগ ব্যৱস্থালৈ আমূল পৰিৱৰ্তন আহিল। আৰম্ভণি কালৰ ধাতুৰ পৰিবৰ্তে টেলিফোনিক বাৰ্তাবোৰ ফাইবাৰ অপটিক কেবলৰ মাজেৰে পোহৰৰ গতিত প্ৰবাহিত কৰাৰ ব্যৱস্থাই বিশ্বজুৰি প্ৰযুক্তিক আৰু এঢাপ আগুৱাই লৈ গ'ল। ১৯৭৩ চনত ম'ট'ৰোলা কোম্পানীৰ কৰ্মচাৰী মাৰ্টিন কুপাৰে মোবাইল ফোন আৱিষ্কাৰ কৰি বিশ্বক চমকিত কৰিছিল। আচৰিত ঘটনা এটা! গ্ৰাহাম বেলে তাঁৰৰ সহায়ত শব্দ প্ৰেৰণ কৰা এই ঘটনা আৱিষ্কাৰ কৰাৰ এশ বছৰ পিছত বিনা তাঁৰত আকৌ এবাৰ শব্দৰ খেল সংঘটিত হৈছিল। কিন্তু তাৰ সু-ব্যৱহাৰৰ বাবে ভাৰতৰ জনতাই কিছুমান বছৰ অপেক্ষা কৰিব লগীয়া হ'ল।

ইউনিয়ন টেলিকম মিনিষ্টাৰ - সুখৰাম আৰু পশ্চিম বংগৰ মুখ্যমন্ত্ৰী - জ্যোতি বসুৰ মাজত প্ৰথম টেলিফোনিক বাৰ্তালাপেৰে ১৯৮৫ চনৰ ৩১ জুলাই তাৰিখে ভাৰতত মোবাইল সেৱাৰ শুভাৰম্ভ হৈছিল। নতুন দিল্লীৰ সঞ্চাৰ ভৱনৰ পৰা কলিকতাৰ ৰাইটাৰ্ছ বিল্ডিঙৰ মাজত Modi Telstra's Mobil Net Service- য়ে এই কথোপকথন কৰাইছিল। তেতিয়াৰ পৰাই Modi Group আৰু Australian telecom giant Telstra group ৰ সহযোগত ভাৰতৰ কলিকতাত (কোলকাতা) চেলুলাৰ সেঁৱাৰ আৰম্ভণি হৈছিল। মাৰ্টিন কুপাৰে মোবাইল ফোন আৱিষ্কাৰ কৰাৰ লগে লগে পৃথিৱীখন যেন আৰু অধিক সক্ৰিয় হৈ উঠিল। প্ৰথমতে কেৱল বাৰ্তালাপ কৰিব পৰা যন্ত্ৰটোত আখৰ লিখি পঠিয়াব পৰাকৈ উন্নত কৰা হ'ল। তাৰ পিছত তাত কেমেৰা সংযোগ কৰি নতুন মাত্ৰা প্ৰদান কৰা হয়। লাহে লাহে ২ জি, ৩ জি, ৪ জি আৰু বৰ্তমান ৫ জি চীমে যোগাযোগ ব্যৱস্থাক কোন স্তৰত উপনীত কৰাইছে, সেয়া সকলোৱে জানে আৰু তাক ব্যৱহাৰ কৰি আছে।

আগতে টেলিফোনটো আছিল দ্ৰুত যোগাযোগৰ মাধ্যম। বৰ্তমান মোবাইল ফোন হৈ পৰিছে আমাৰ জীৱনৰ এৰাব নোৱাৰা এক সংগী। দৈনন্দিন জীৱনৰ যিকোনো সময়তে প্ৰয়োজন হোৱা সকলো বস্তু তথা তথ্য এতিয়া মোবাইলত সংৰক্ষিত কৰি ৰখা হয়। যিকোনো সময়তে এই তথ্য সমূহ মোবাইলৰ মাধ্যমত প্ৰেৰণ কৰা হয়। আধাৰ কাৰ্ড, পান কাৰ্ড, মাটিৰ বিভিন্ন কাগজ-পত্ৰ, ডাক্তৰৰ প্ৰেছক্ৰিপছন, লিখা-মেলা, জন্মৰ তাৰিখ, কিবা মনত ৰাখিব লগীয়া দিন বা সময় সকলো মোবাইলটোত সংৰক্ষণ কৰা হয়। টকা-পইচাৰ লেন-দেন কৰিব পৰা হোৱাৰে পৰা মোবাইল হৈ পৰিছে আটাইতকৈ নিৰ্ভৰযোগ্য বাহক বা ডাকোৱাল হৈছে মোবাইল ফোনটো। আমাৰ সকলো ধৰণৰ নথিপত্ৰ, টকা-পইচা, আমাৰ সৃষ্টি, সম্পত্তি এক মাত্ৰ মোবাইলতে সংৰক্ষণ কৰা হয়। গতিকে মোবাইল অবিহনে আমি এখন্তেকৰ বাবেও চলিব নোৱাৰোঁ। মোবাইল ব্যৱহাৰৰ সপক্ষে আৰু বিপক্ষে অনেক বিতৰ্ক চলি আছে যদিয়ো, কোনো কাৰণতে মোবাইল বৰ্জন কৰা সম্ভৱ নহয়। কিন্তু মোবাইলৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাটো আমাৰ হাতত।



# শঙ্কৰে খন্দিলে নামৰে পুখুৰী মাধৱে বন্ধালে আলি

নমিতা দাস

"শঙ্কৰে খন্দিলে নামৰে পুখুৰী মাধৱে বন্ধালে আলি
আলিৰ দুয়ো পাৰে ৰুলে কদমপুলি ভকতে জিৰাব বুলি"

আৰে এহি ভকতিৰ শুনিয়ো সাধন ।
মোতে সমৰ্পিয়া কৰিবেক কৰ্মগন ।।
ভকত প্ৰতিমা মোৰ দুয়ো অধিস্থান ।
দুয়োকো পূজা দৰ্শন কৰিব অতিমান ।।

পৃথিৱীৰ ভিতৰতে ভাৰতবৰ্ষ হৈছে ধৰ্মনিৰপেক্ষ দেশ। অসম প্ৰদেশ আধ্যাত্মিক চিন্তা চৰ্চাৰে বিশ্বাসী। বিভিন্ন দেৱ- দেৱী পুজা অৰ্চনাৰ নামত বলি-বিধানে উচ্চ স্থান দখল কৰাৰ সময়তে মহাপূৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে এক শৰণ বৈষ্ণৱ ধৰ্ম প্ৰবৰ্তন কৰে।

মহাপুৰুষ গুৰু দুজনাই সিচিঁ যোৱা বৈষ্ণৱ ধৰ্মৰ প্ৰধান কাৰক হৈছে নাম-ধৰ্ম। নামেৰে মানৱ সমাজলৈ জ্ঞানৰ অমৃত ভাণ্ডাৰ প্ৰদান কৰি গৈছে। যাৰ দ্বাৰা জীৱনৰ প্ৰয়োজনীয় সকলো জ্ঞান তত্ত্ব আহৰণ কৰিবলৈ শিকাই।

লৌকিক সংসাৰখনত ব্যস্ত থকাৰ সময়তে আমি আমাৰ পঞ্চইন্দ্ৰিডয় জাগ্ৰত হৈ হিংসা, অন্যায়, অসুৱা বাসনাৰ প্ৰতি আকৃষ্ট নহৈ সত্য, শৌচ, দয়া, ক্ষমা কষ্টসহিষ্ণুতা আদি গুনবোৰৰ প্ৰতিও যাতে আকৃস্ত হৈ জ্ঞান আৰু ভক্তিৰে সংসাৰ ধৰ্ম পালন কৰি যাব পাৰো তাৰ বাবেই ভগবানৰ শ্ৰীচৰণত শৰণ লবলৈ মহাপূৰুষ দুজনাই আমাক বৈষ্ণব ধৰ্ম প্ৰববৰ্তন কৰি তাৰ প্ৰতি আকৃষ্ট কৰাৰ উদ্দেশ্যে বৰগীত, ভাওনা, ঘোষা পদসমূহত ভগৱান শ্ৰীকৃষ্ণৰ অপাৰ মহিমা বৰ্ণনা কৰিছে।

ভক্তি ৰস সমূহ ভক্তগণৰ মাজত বৰ্ণনা কৰাৰ উদ্দেশ্যে নামঘৰ স্থাপন কৰি তাত পুৱা গধূলী ধূপ-চাকি জ্বলাই পবিত্ৰ মনেৰে পূজা-অৰ্চনা কৰি ভক্তি ৰসেৰেজীৱনৰ কৰ্তব্য পালন কৰিবলৈ যাতে উজু হৈ পৰে তাৰ বাৰে বিভিন্ন উপমা দাঙি ধৰি কৈছে যে পদুম ফুল পানীত ফুলিলেও কেতিয়াও পানী নলগাৰ দৰে। লৌকিক জীৱন অতিবাহিত কৰি আধ্যাত্মিকতাৰে মনৰ দৃহতা আহিলে জীৱনৰ লক্ষ্যত উপনীত হৈ আনন্দ লাভ কৰি মানৱ জীৱনৰ পৰিপূৰ্ণতা আনিবলে গুৰু দুজনাই আমাক সৰল পথ দৰ্শাই গৈছে।

ভাই মুখে বোলাৰাম হৃদয়ে ধৰা ৰূপ ।
এতেকে মুকুতি পাইবা কহিয়োস্বৰূপ ।।

দুজনা গুৰুৰ মহান আদৰ্শই অসমীয়া সমাজ জীৱনৰ ভেটি দৃহ কৰি গৈছে।এইবিশ্ব ব্ৰহ্মাণ্ডৰ জীৱ সমূহৰ সৃষ্টি, স্থিতি, লয় প্ৰলয় আদিৰ কাৰক যে পৰমেশ্বৰ এই কথা চিৰসত্য। সেয়ে আমি স্বিকাৰ কৰিবই লাগিব যে প্ৰতিটো জীৱতে ভগবান বিদ্য মান। মাত্ৰ গুণ, কৰ্ম, ৰূপ আদিহে পৃথক।

কুকুৰ শৃগাল গদৰ্ভৰো আত্মৰাম। ।
জানিয়া সবাকো পৰি কৰিবা প্ৰনাম ।।

সেয়ে অনন্ত কোটি ব্ৰহ্মাণ্ডৰ এক শ্ৰীহৰিয়েই অনন্ত কোটি ৰূপে বিৰাজমান ।এনে জ্ঞান মূলক শক্তিৰ সাধনাৰেই অসমীয়াৰ জনজীৱন বিৰাজমান।



# পৱিত্ৰ ভাদ মাহ আৰু আধ্যাত্মিকতা

✍ ইভা গন্ধীয়া ফুকন

অসমীয়া বাৰটা মাহৰ প্ৰতিটো মাহৰে নিজস্ব তাৎপৰ্য আৰু বিশিষ্টতা আছে। তাৰ ভিতৰত ভাদ মাহৰ স্থান অন্যতম। ভাদ মাহ অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। ভাদ মাহৰ আগমণৰ লগে লগে অসমৰ প্ৰকৃতিত এক শান্ত পৰিবৰ্তন অনুভৱ হয়। জ্যোতিষ শাস্ত্ৰ মতেও ভাদ মাহ অতি শক্তিশালী মাহ। ভাদ মাহ প্ৰতিজন অসমীয়াৰ বাবে পৱিত্ৰ মাহ। অসমীয়া মাহৰ পঞ্চম মাহ। সত্ৰ নামঘৰত নাম প্ৰসঙ্গ, হৰি নামৰ ধ্বনিৰে মুখৰিত হয়। ভকত আই সকলৰ হাত চাপৰি, নেগেৰা, খোল, তাল, দবা, শংখ ধ্বনিৰে উচ্ছৰমুখৰ হৈ পৰে।

ভাদ মাহতে কৃষ্ণপক্ষৰ অষ্টমী তিথিৰ ৰোহিনী নক্ষত্ৰৰ শুভ ক্ষণত পৰম পুৰুষ আধ্যাত্মিক জীৱনৰ সবাতোকৈ ভক্তি আৰু প্ৰভাৱশালী শ্ৰী কৃষ্ণৰ জন্ম হৈছিল। যি গৰাকী পৰম পুৰুষক আমি পৰম ব্ৰহ্ম বুলি অভিহিত কৰি আহিছোঁ। পৰম ব্ৰহ্মই হৈছে স্বয়ং শ্ৰী কৃষ্ণ। পৰম ব্ৰহ্মৰ জন্মৰ এই মাহটো পৱিত্ৰ মাহ হিচাপে গণ্য কৰা হয়।

"ভাদ মাহৰে ৰোহিনী নক্ষত্ৰ
মঙ্গলবাৰৰ দিনা ৰাতি
কংসৰ কাৰাগাৰে
গোসাঁই ওপজিলে
কেৱে নাজানিলে
কেৱল বাসুদেৱৰ বিনে।"

এই মাহতে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উদ্‌যাপিত হয়। গুৰুজনাই অসমীয়া সমাজ, সাহিত্য-সংস্কৃতি আৰু আধ্যাত্মিক দিশ টনকিয়াল কৰি গৈছে। এই মাহতে মহাপুৰুষ মাধৱদেৱৰো তিৰোভাৱ তিথি।

ভাল লাগে আমাৰ গুৰু দুজনাই নিৰ্মাণ কৰি যোৱা নামঘৰত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে সমবেত হ'লে। শংকৰ গুৰুৱে সমাজক একেডাল ডোলেৰে বান্ধি ৰাখিবলৈ যি চেষ্টা কৰিছিল সেয়া সাৰ্থক হোৱা যেন লাগে। খোল, তাল, নেগেৰা, দবা, শংখ গুৰুজনাৰে সৃষ্টি। এই মাহতে মহাপুৰুষ মাধৱদেৱৰো তিৰুভাব তিথি। অন্যতম গুৰু হৰিদেৱৰো আৰ্বিভাৱ তিথি উদ্‌যাপিত হয় এই ভাদ মাহতে।

ভাদ মাহৰ প্ৰথম আৰু দ্বিতীয় দিনা মনসা পূজা অনুষ্ঠিত কৰা হয়। এই ভাদ মাহতে গণেশ চতুৰ্থীও পৰে। গণেশ পূজাই আৰম্ভণি আমাৰ পূজাসমূহৰ বুলি কব পাৰি। দুৰ্গা পূজা, কালি পূজা আদি। অসমৰ চাহ জনজাতি সকলৰ কৰম পূজাও ভাদ মাহতে অনুষ্ঠিত হয়। কৰম পূজাৰ অন্যতম আকৰ্ষণ হৈছে ঝুমইৰ নৃত্য। বৰ্তমান এই নৃত্যই চাহ বাগিচাৰ মাজতেই আবদ্ধ থকা নাই। ঝুমই নৃত্যই বিশ্ব দৰবাৰত জিলিকিবলৈ সক্ষম হৈছে। ভাদ মাহৰ সংক্ৰান্তিৰ দিনা বিশ্বকৰ্মা পূজা অনুষ্ঠিত হয়।

কৃষি প্ৰধান ৰাইজে খেতিখোলা সামৰি অকন আজৰি হয়। এই আজৰি সময়কণ আধ্যাত্মিক ভাৱত বুৰ গৈ ঈশ্বৰৰ গুনানুকীৰ্তন কৰি ভক্তি ভাৱত বিভোৰ হৈ থাকে। ভাদমাহটো যেন ঈশ্বৰ আৰাধনাৰ মাহ। মানসিক শান্তি নহ'লে দৈহিক শান্তি অসম্ভৱ। দাৰ্শনিক সকলৰ মতেও আধ্যাত্মিক শক্তিয়েই পৰম শক্তি। মানৱীয় সৃষ্টিশীলতাক বাধাহীনভাবে বিকাশ ঘটাবলৈ আধ্যাত্মিকতাৰ প্ৰয়োজন। জাত- পাত, উচ্চ - নীচ ভেদ ভাৱ আঁতৰাই আধ্যাত্মিক আদৰ্শত বৰ্তী হৈ অদৃশ্যক উপাসনা কৰাই সততা, শান্তি, কৰ্তব্য পালনৰ পথ দেখুৱায়। গুৰুজনাই সেয়ে কৈছে –

কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম,
জানিয়া সবাকো কৰিবা প্ৰণাম।

দৈনন্দিন ভোগবাদ, যান্ত্ৰিকতা, প্ৰদূষণ, ৰোগাক্ৰান্ত, মন ভাৰাক্ৰান্ত মানুহে হিংসা ,দ্বন্দ্ব, বৈষম্য পৰিহাৰ কৰি ভগৱানৰ গুনানুকীৰ্তনৰ জৰিয়তে সৃষ্টি হোৱা শব্দ ব্ৰহ্মৰ দ্বাৰা মন- প্ৰাণ জুৰ পৰাৰ লগতে আকাশ বতাহ নিৰ্মল কৰা যেন লাগে।

আকাশত হৰি নাম
বতাহত হৰি নাম
হৰি নাম ভকতৰ মাজত।

গাঁৱে- ভূঞে, চহৰে- নগৰে প্ৰতিটো নামঘৰ হৰি নামে গুঞ্জৰিত। সৰগৰ পৰা মৰ্তলৈ নমাই অনা যেন সপ্ত বৈকুণ্ঠ।

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃত নদী
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি।

এই ভাদ মাহতে মাহ প্ৰসাদৰ শৰাই এভাগ আগবঢ়াই পৰিয়ালৰ লগতে সকলোৰে কুশল মঙ্গল কামনা কৰা হয়। ভাদ মাহৰ আধ্যাত্মিক কলা- সংস্কৃতিৰ মাজেৰে আমাৰ দেশ তথা জাতিৰ বিকাশ হওক। ভাদ মাহটো শ্ৰীকৃষ্ণ আৰু বিষ্ণুৰ মাহাত্ম্য প্ৰকাশৰ মাহ। সেইবাবে এই মাহক পৱিত্ৰ মাহ বুলিব পাৰি। আধ্যাত্মিক জীৱনৰ উপলব্ধিৰ বাবে উত্তম হৈছে ভাদ মাহ।

# আৰ্থ-সামাজিক দিশত ধৰ্মীয় উৎসৱৰ ভূমিকা

ধৰ্মীয় উৎসৱ সমূহ এক বহল পৰিসৰৰ ধৰ্মীয়, সাংস্কৃতিক, সামাজিক তথা অৰ্থনৈতিক প্ৰভাৱৰ বাহক স্বৰূপ। ধৰ্মীয় উৎসৱ হৈছে এনে এক আনন্দ অনুষ্ঠান, যি এক নিৰ্দিষ্ট ধৰ্মৰ বিশ্বাস, ৰীতি-নীতি আৰু পৰম্পৰা অনুসৰি উদ্‌যাপিত হয়। আপাদ দৃষ্টিত উৎসৱ বা ধৰ্মীয় উৎসৱ সমূহ আনন্দ লাভৰ বাবে পালন কৰা হয় যদিও ইয়াৰ কিছুমান আন দিশো থাকে। এই ক্ষেত্ৰত ধৰ্মীয় উৎসৱৰ আৰ্থ-সামাজিক দিশটোৰ কথা বিশেষ



ভাবে উল্লেখযোগ্য। আৰ্থ -সামাজিক উন্নয়নে মানুহৰ সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক দিশৰ ওপৰত বিশেষ ভাৱে আলোকপাত কৰে আৰু প্ৰভাৱ পেলায়, জীৱনৰ মান উন্নত কৰাত সহায় কৰে। এখন সমাজৰ বাবে আৰ্থ সামাজিক দিশটো বিশেষ গুৰুত্বৰ। কিয়নো, আৰ্থ সামাজিক দিশ হৈছে এখন সমাজত বাস কৰা মানুহখিনিৰ জীৱনৰ অৰ্থনৈতিক আৰু সামাজিক ভেঁটি, যাৰ জৰিয়তে সমাজ খনৰ উন্নতিৰ পথ প্ৰশস্ত হৈ উঠে। ঠিক সেইদৰে সময়ে সময়ে উদ্‌যাপন কৰা ধৰ্মীয় উৎসৱেও আৰ্থ সামাজিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে সমাজৰ বিকাশ তথা উন্নতিৰ ক্ষেত্ৰত এক শক্তিশালী মাধ্যম হিচাপে কাম কৰে।

ধৰ্মীয় উৎসৱৰ আৰ্থ-সামাজিক দিশ সমূহ বহুদা বিভক্ত। ধৰ্মীয় উৎসৱে সামাজিক একতা বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিক কাৰ্য-কলাপ আদিক উদ্দীপিত কৰে, সাংস্কৃতিক ঐতিহ্য বজাই ৰখাত সহায় কৰে। উল্লেখ্য যে যি ধৰণৰ উৎসৱেই নহওক কিয়, সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে উৎসৱ এক গুৰুত্বপূৰ্ণ উপাদান। সৰ্বজনীন ভাবে ধৰ্মীয় উৎসৱে কেৱল মানসিক আৰু আধ্যাত্মিক দিশকেই প্ৰাধান্য নিদিয়ে, ই স্থানীয়, ৰাষ্ট্ৰীয় তথা আন্তঃৰ্জাতিক পৰ্যায়ত অৰ্থনীতি টনকিয়াল কৰে। যাৰ ফলত ব্যৱসায়িক প্ৰচাৰ, পৰ্যটনৰ বিকাশ, নতুন ব্যৱসায়ৰ সৃষ্টি তথা স্থানীয় অৰ্থনীতিৰ প্ৰতি স্পৰ্ধা বাঢ়ে, অৰ্থনৈতিক অৱস্থা উন্নত হোৱাৰ বাট সুগম হয়। এই সমূহৰ উপৰিও পৰ্যটনৰ প্ৰসাৰ, ব্যৱসায়িক প্ৰচাৰ, অৰ্থনৈতিক সুযোগৰ সৃষ্টি, স্থানীয় অৰ্থনীতিৰ উন্নয়ন, সাংস্কৃতিক উন্নয়ন তথা নতুন -নতুন ব্যৱসায়ৰ সৃষ্টিৰ বাট মুকলি কৰে। এই উৎসৱ সমূহে স্থানীয় সংস্কৃতিৰ প্ৰতি ধাৰণা বৃদ্ধি কৰি পৰ্যটনৰ জৰিয়তে আৰ্থিক লাভালাভো কঢ়িয়াই আনে, যিয়ে সমাজৰ আৰ্থ -সামাজিক বা বিত্তীয় অৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত অৰিহনা যোগায়। ধৰ্মীয় উৎসৱ সমূহে বহু পৰ্যটকক আকৰ্ষণ কৰে। যাৰ ফলত স্থানীয় পৰ্যটন উদ্যোগৰ বৃদ্ধি ঘটায় আৰু ইয়াৰ ফলত স্থানীয় অৰ্থনীতি বা দেশৰ অৰ্থনীতিটো এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ঠিক সেইদৰে, বিভিন্ন জাতি- জনগোষ্ঠীয়ে উদ্‌যাপন কৰা উৎসৱ সমূহে জনগোষ্ঠীয় সমন্বয়ৰ লগতে স্থানীয় অৰ্থনীতিৰ এক সু-সংহত বৃদ্ধিৰ পথ দেখুৱায়। অৰ্থাৎ এক শক্তিশালী অৰ্থনৈতিক মাধ্যম হিচাপে ই কাম কৰে। যাৰ ফলত এক বহুল অৰ্থনৈতিক বিকাশ সম্ভৱ হৈ উঠে। উল্লেখ্য যে উৎসৱৰ সময়ত লাভ কৰা অৰ্থনৈতিক সুযোগ - সুবিধাই অঞ্চলটোৰ আৰ্থ -সামাজিক অৱস্থাৰ উন্নয়নত এক বিশেষ ভূমিকা পালন কৰে।

উৎসৱৰ সময়ত স্থানীয় বজাৰ, ব্যৱসায়ী তথা শিল্পী সকলৰো উপাৰ্জনৰ বাট মুকলি হোৱা দেখা যায়। যিয়ে অৰ্থনৈতিক বিকাশ ঘটায়। এক শক্তিশালী অৰ্থনৈতিক সংহতিৰ মাধ্যম স্বৰূপ ধৰ্মীয় উৎসৱ সমূহে স্থানীয় ঐতিহ্য, কলা আৰু সংস্কৃতিৰ প্ৰতি মানুহক আকৰ্ষণ কৰাৰ লগতে কলা সম্পদৰ বিক্ৰী যেনে - লোক নৃত্য, গীত -মাত তথা আন -আন সাংস্কৃতিক কাৰ্যসূচীত অংশ লোৱা লোকসকলে তেওঁলোকৰ কলা -শিল্পক বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰিবলৈ সক্ষম হয়।

ধৰ্মীয় উৎসৱে স্থানীয় অৰ্থনীতিত বা আৰ্থ-সামাজিক দিশত বিশেষ প্ৰভাৱ পেলায়। সেইবাবেই সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে উৎসৱক এক গুৰুত্বপূৰ্ণ উপাদান বুলি অভিহিত কৰা হয়। ধৰ্মীয় উৎসৱৰ সময়ত স্থানীয় ব্যৱসায়ীসকলে তেওঁলোকৰ স্থানীয় ভাবে উৎপাদিত সামগ্ৰী সমূহ বিক্ৰী কৰাৰ সুযোগ লাভ কৰে। উৎসৱৰ সময়ত, উৎসৱৰ বাবেই পোনপটীয়া আৰু পৰোক্ষ ভাৱে বহু মানুহৰ বাবে অস্থায়ী ভাবে হ'লেও নিয়োগ বা সংস্থাপনৰ সুবিধা লাভ কৰে বা সুযোগৰ সৃষ্টি হয়। এক কথাত ক'বলৈ গ'লে ধৰ্মীয় উৎসৱ সমূহে সামাজিক সম্প্ৰীতি বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো বিশেষ ভূমিকা পালন কৰে বা এক মাধ্যম হিচাপে কাম কৰে। উৎসৱৰ সময়ত স্থানীয় অৰ্থনীতি চহকী হয়। যাৰ ফলত স্থানীয় লোক সকলৰ আয় বৃদ্ধি

## নিবেদিতা হাজৰিকা

পায় আৰু তেওঁলোকৰ অৰ্থনৈতিক সৰলতা বৃদ্ধি হয়। এই সমূহৰ উপৰিও এই সময়ত দ্ৰব্যৰ বিনিময় তথা ক্ৰয় - বিক্ৰয় বৃদ্ধি স্বাভাৱিকতে অধিক হোৱা পৰিলক্ষিত হয়, যাৰ ফলত বজাৰত এক বিশেষ পৰিৱৰ্তন আহে। এই সমূহৰ উপৰিও ই এক নতুন অৰ্থনৈতিক চক্ৰ সৃষ্টি কৰাৰ লগতে অৰ্থনীতিৰ চক্ৰটো সক্ৰিয় কৰি তোলে। এনেদৰেই দেখা যায় যে স্থানীয় অৰ্থনীতি টনকিয়াল কৰাৰ ক্ষেত্ৰত ধৰ্মীয় উৎসৱ সমূহে বিশেষ ভূমিকা পালন কৰে।

আৰ্থ -সামাজিক দিশত ধৰ্মীয় উৎসৱৰ বহুবোৰ সকাৰাত্মক দিশ থকাৰ বিপৰীতে ইয়াৰ কিছুমান নেতিবাচক প্ৰভাৱ বা দিশো নথকা নহয়। ধৰ্মীয় উৎসৱ আৰু আৰ্থিক বিপৰ্যয়ৰ মাজত এক জটিল সম্পৰ্ক আছে বা জটিল সম্পৰ্ক দেখা পোৱা যায়। যাৰ বাবে আৰ্থিক বিপৰ্যয়ৰ সৃষ্টি হয় আৰু ইয়াৰ ফলত উৎসৱ উদ্‌যাপনৰ ধৰণ সলনি হয়। ধৰ্মীয় উৎসৱৰ বাবে কেতিয়াবা অৰ্থনৈতিক ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পৰাও দেখা যায়। এই সমূহৰ ভিতৰত ব্যয় বৃদ্ধি, অৰ্থনৈতিক শোষণ (কেতিয়াবা) আদিৰো বলি হ'ব লগা হয়। যাৰ ফলত সাধাৰণ মানুহৰ বাবে সমস্যাৰ সৃষ্টি হয় আৰু কিছুমান ক্ষেত্ৰত অৰ্থনীতিৰ অপচয় হোৱাৰো পূৰ্ণ সম্ভাৱনা থাকে। ধৰ্মীয় উৎসৱৰ সময়ত মানুহৰ আৰ্থিক দিশত প্ৰভাৱ পৰাৰো সম্ভাৱনা নুই কৰিব নোৱাৰি। এনে অৱস্থাৰ সৃষ্টি সাধাৰণতেই হোৱা দেখা যায়। ফলত তেওঁলোকে নিজৰ -নিজৰ ঘৰৰ অৰ্থনীতিৰ ওচৰত চাপ দিবলৈ বাধ্য হয়। কিছুমান উৎসৱে আকৌ চৰকাৰৰ নিয়ম সমূহ মানি লোৱাৰ বাবে অৰ্থনৈতিক শোষণৰ বাবে বাট মুকলি কৰি দিয়াৰ দৰে হয়।

ধৰ্মীয় উৎসৱত বিভিন্ন আৰ্থিক বিপৰ্যয় আদিও হোৱা দেখা যায়। যাৰ ভিতৰত উৎসৱৰ বাবে হোৱা অত্যধিক খৰচ, ঋণ আদি ল'বলগীয়া হোৱা, কৃষি আধাৰিত সমাজৰ কৃষি কৰ্মত বাধা আহি পৰাৰ দৰে সমস্যাৰ সৃষ্টি হয় বা সমস্যাৰ সৃষ্টি কৰে। এনে হোৱাৰ ফলত বিশেষ ভাৱে ক্ষতিগ্ৰস্ত হয় দুখীয়া শ্ৰেণীৰ লোক সকল। আৰ্থিক সমস্যা সৃষ্টি হোৱাৰ ফলত আৰ্থ- সামাজিক বৈষম্যৰ সৃষ্টি হয় আৰু তেনে ক্ষেত্ৰত ই জটিল ৰূপ লোৱাৰো সম্ভাৱনা থাকে। এই ধৰণৰ সমস্যাবোৰৰ বাবে ধৰ্মীয় উৎসৱ পালনৰ ক্ষেত্ৰত বিপৰ্যয় নামি আহিব পাৰে বা সমস্যাৰ সৃষ্টি হোৱাৰো আশংকা নুই কৰিব নোৱাৰি। অৱশ্যে সাৱধানতা অৱলম্বন কৰি তথা উপযুক্ত পৰিকল্পনাৰ দ্বাৰা এই আৰ্থিক বিপৰ্যয় সমূহ ৰোধ কৰিব পাৰি।

ধৰ্মীয় উৎসৱ সমূহ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হোৱাৰ লগতে বৃত্তীয় দিশকো ই প্ৰভাৱিত কৰে। এক শক্তিশালী অৰ্থনৈতিক মাধ্যম হিচাপেও ধৰ্মীয় উৎসৱৰ বিশেষ ভূমিকা আছে। ধৰ্মীয় উৎসৱ আৰু স্থানীয় অৰ্থনীতিৰ মাজত এক গভীৰ সম্পৰ্ক আছে। স্থানীয় মানুহৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত ই এক সুযোগ প্ৰদান কৰে। স্থানীয় সমাজৰ অৰ্থনৈতিক বৃদ্ধি আৰু বিকাশৰ বাট মুকলি কৰা ধৰ্মীয় উৎসৱক অন্তঃত স্বাভাৱিকতে এক শক্তিশালী মাধ্যম বুলি ক'ব পাৰি। আপাত দৃষ্টিত উৎসৱ সমূহ সমাজত আনন্দ, একতা আৰু পৰম্পৰা বজাই ৰাখিবলৈ পালন কৰা হয় বুলি ভবা হয় যদিও ইয়াৰ কিছুমান অন্তৰ্নিহিত দিশো আছে। যিবোৰ সাধাৰণ দৃষ্টিত বা ওপৰে -ওপৰে চালে ধৰিব নোৱাৰি বা বুজিব পৰা নাযায়। উদাহৰণ স্বৰূপে উৎসৱৰ পৰা হোৱা আৰ্থিক লাভ বা আৰ্থ-সামাজিক প্ৰভাৱৰ কথাই ক'ব পাৰি। ধৰ্মীয় উৎসৱে আৰ্থিক বা আৰ্থ - সামাজিক দিশক প্ৰভাৱিত কৰাটো এক শুভ লক্ষণ। ধৰ্মীয় উৎসৱ সমূহ কেৱল ধৰ্মীয় বিশ্বাসেই নহয়, বৰঞ্চ ই এখন সমাজৰ আৰ্থ- সামাজিক, সাংস্কৃতিক আৰু ঐতিহ্যবাহী জীৱন ধাৰণৰ এক গুৰুত্বপূৰ্ণ ভাগ।

# জন্মাষ্টমী

# শ্ৰীকৃষ্ণৰ প্ৰেম আৰু জ্ঞানৰ আধ্যাত্মিক যাত্ৰা



✍ সত্যব্ৰত বৰা

জন্মাষ্টমী হৈছে ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিনটোৰ পৱিত্ৰ উৎসৱ। অতি উৎসাহ আৰু ভক্তিৰে পালন কৰা হয় দিনটো। এই উৎসৱ কেৱল এটা ধৰ্মীয় অনুষ্ঠান নহয়, বৰঞ্চ ই আমাৰ হৃদয়ত থকা আধ্যাত্মিক চেতনাক জাগ্ৰত কৰাৰ এক সুযোগ। শ্ৰীকৃষ্ণৰ জন্মৰ কাহিনী আৰু তেওঁৰ জীৱনৰ শিক্ষাই আমাক জীৱনৰ গভীৰ তাৎপৰ্য আৰু আধ্যাত্মিক পথৰ সন্ধান দিয়ে। জন্মাষ্টমীৰ আধ্যাত্মিক গুৰুত্ব অতি গভীৰ, কিয়নো ই আমাক কেৱল ভক্তিৰ পথত আগবঢ়াই নিয়াই নহয় লগতে আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ সৈতেও গভীৰভাৱে জড়িত কৰে।

শ্ৰীকৃষ্ণৰ জন্মৰ কাহিনী আমাৰ বাবে এক প্ৰেৰণাদায়ক আধ্যাত্মিক বাৰ্তা। মথুৰাৰ কাৰাগাৰত কংসৰ অত্যাচাৰৰ মাজত দেৱকী আৰু বাসুদেৱৰ পুত্ৰ হিচাপে শ্ৰীকৃষ্ণৰ জন্ম হৈছিল। পৰিস্থিতিটোৱে আমাক বুজায় যে জীৱনৰ যিমানেই অন্ধকাৰ পৰিস্থিতি নহওক কিয়, ঐশ্বৰিক শক্তিৰ আগমনৰ জৰিয়তে আমি মুক্তি লাভ কৰিব পাৰোঁ। কাৰাগাৰৰ শিকলি আমাৰ জীৱনৰ বন্ধন যেনে ইচ্ছা, মায়া, অহংকাৰৰ প্ৰতীক। শ্ৰীকৃষ্ণৰ জন্মই আমাক শিকায় যে এই বন্ধনৰ পৰা মুক্তি লাভৰ পথ হৈছে ভক্তি আৰু আধ্যাত্মিক জ্ঞান। জন্মাষ্টমীৰ দিনটোত আমি এই বাৰ্তাৰ কথা চিন্তা কৰোঁ আৰু জীৱনৰ অন্ধকাৰৰ পৰা পোহৰৰ পথলৈ যোৱাৰ প্ৰেৰণা লাভ কৰোঁ।

জন্মাষ্টমীৰ আধ্যাত্মিক তাৎপৰ্যৰ মূলতে আছে শ্ৰীকৃষ্ণৰ শিক্ষা। ভগৱদ্‌গীতাত সন্নিৱিষ্ট আছে এই শিক্ষা। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক জীৱনৰ উদ্দেশ্য, কৰ্মৰ গুৰুত্ব আৰু আত্মাৰ অমৰত্বৰ বিষয়ে শিক্ষা দিছিল। তেওঁ কৈছিল, "কৰ্ম কৰা, কিন্তু ফলৰ প্ৰতি আসক্ত নহ'বা।" এই নিষ্কাম কৰ্মৰ দৰ্শনে জন্মাষ্টমীৰ দিনটোত আমাক জীৱনৰ প্ৰতি এক নতুন দৃষ্টিভংগী দিয়ে। আমাৰ দৈনন্দিন জীৱনত এই শিক্ষা প্ৰয়োগ কৰিব পাৰোঁ। কঠোৰ পৰিশ্ৰম কৰি কিন্তু ফলৰ চিন্তা নকৰি আমি মানসিক শান্তি আৰু আধ্যাত্মিক স্থিৰতা লাভ কৰিব পাৰোঁ।

শ্ৰীকৃষ্ণৰ জীৱনৰ লীলা আমাৰ বাবে আধ্যাত্মিক পথৰ এক প্ৰতীক। তেওঁৰ বাল্যকালৰ কাহিনী যেনে মাখন চুৰি কৰা, গোপীৰ সৈতে খেলা বা কংসৰ সৈতে যুদ্ধই আমাক জীৱনৰ সৰলতা আৰু আনন্দৰ শিক্ষা দিয়ে। তেওঁৰ লীলাৰ জৰিয়তে আমি বুজো যে আধ্যাত্মিকতা কঠিন বা জটিল হ'ব নালাগে। জীৱনৰ প্ৰতিটো মুহূৰ্তত আমি ঐশ্বৰিক উপস্থিতি অনুভৱ কৰিব পাৰোঁ। জন্মাষ্টমীৰ দিনটোত গাঁৱে-নগৰে ভক্তিময় ভজন, নাম-কীৰ্তন আৰু নাটকৰ জৰিয়তে এই লীলাৰ কথা পুনৰ স্মৰণ কৰা হয়। এই অনুষ্ঠানবোৰে আমাৰ হৃদয়ত ভক্তি ভাৱ উৎপন্ন কৰে।

ভক্তিৰ পথ জন্মাষ্টমীৰ এক গুৰুত্বপূৰ্ণ দিশ। শ্ৰীকৃষ্ণৰ ৰাধাৰ সৈতে প্ৰেম আৰু গোপীসকলৰ সৈতে ৰাসলীলাই আমাক আত্মাৰ পৰমাত্মাৰ সৈতে মিলনৰ প্ৰতীক দেখুৱায়। এই প্ৰেম কেৱল শাৰীৰিক নহয়, বৰঞ্চ ই এক আধ্যাত্মিক সংযোগ। জন্মাষ্টমীৰ ভজন আৰু কীৰ্তনৰ মাজেৰে আমি এই প্ৰেমৰ স্বাদ পাওঁ। নামঘৰ আৰু মন্দিৰবোৰত এই দিনটোত ভক্তসকলে একত্ৰিত হৈ শ্ৰীকৃষ্ণৰ নাম গায় আৰু তেওঁৰ প্ৰতি সম্পূৰ্ণ আত্মসমৰ্পণৰ ভাৱ জাগ্ৰত কৰে। এই ভক্তিয়ে আমাক শিকায় যে জীৱনৰ প্ৰতিটো কাম আমি ঐশ্বৰিক প্ৰেমৰ সৈতে জড়িত হৈ কৰিব পাৰোঁ।

জন্মাষ্টমীৰ মধ্যৰাতিৰ পূজাৰো এক বিশেষ আধ্যাত্মিক তাৎপৰ্য আছে। মধ্যৰাতি শ্ৰীকৃষ্ণৰ জন্মৰ মুহূৰ্তটো অজ্ঞানৰ পৰা জ্ঞানৰ পথলৈ যোৱাৰ প্ৰতীক। ঘৰে ঘৰে ভক্তসকলে এই সময়ত উপবাস কৰে, পূজা কৰে । এই আচাৰবোৰৰ জৰিয়তে আমি আমাৰ মনৰ অশুদ্ধি ধুই পেলাওঁ আৰু ঐশ্বৰিক শক্তিৰ প্ৰতি আমাৰ হৃদয় মুকলি কৰোঁ। উপবাসৰ জৰিয়তে আমি কেৱল শৰীৰৰ শুদ্ধি নহয়, মনৰ শান্তিও লাভ কৰোঁ।

জন্মাষ্টমীয়ে আমাক সমাজৰ গুৰুত্বৰ কথাও মনত পেলায়। এই দিনটোত লোকসকল একত্ৰিত হৈ পূজা-অৰ্চনা, নাম-কীৰ্তন আৰু ৰাসলীলাৰ আয়োজন কৰে। কিছুমান স্থানত শ্ৰীকৃষ্ণৰ জীৱনৰ দৃশ্যৰ নাটকো প্ৰদৰ্শিত হয়। এই সামূহিক কাৰ্যকলাপে আমাক একতা আৰু সহযোগিতাৰ শিক্ষা দিয়ে। শ্ৰীকৃষ্ণৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ বাৰ্তা হৈছে যে আমি সকলোৰে প্ৰতি সমান দৃষ্টি ৰাখিব লাগে। তেওঁৰ শিক্ষা অনুসৰি, ঈশ্বৰৰ বাবে কোনো হীন বা শ্ৰেষ্ঠ নাই। জন্মাষ্টমীৰ বাৰ্তাই আমাক সমাজত সমতা আৰু ভাতৃত্বৰ ভাৱ জাগ্ৰত কৰে।

শ্ৰীকৃষ্ণৰ শিক্ষাৰ সৰ্বজনীনতা জন্মাষ্টমীৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। তেওঁৰ বাণী কেৱল হিন্দু ধৰ্মৰ বাবেই নহয়, সমগ্ৰ মানৱজাতিৰ বাবে প্ৰযোজ্য। তেওঁৰ শিক্ষাই আমাক জীৱনৰ সংঘাত, ভয় আৰু সন্দেহৰ মাজতো শান্তিৰ পথ বিচাৰি উলিয়াবলৈ শিকায়। জন্মাষ্টমীৰ দিনটোত আমি এই শিক্ষাৰ ওপৰত চিন্তা কৰোঁ আৰু আমাৰ জীৱনত ইয়াক প্ৰয়োগ কৰিবলৈ চেষ্টা কৰোঁ। আমি আমাৰ সংস্কৃতিৰ গভীৰতা আৰু আধ্যাত্মিক ঐতিহ্যৰ সৌন্দৰ্য উপলব্ধি কৰোঁ।

জন্মাষ্টমী আমাৰ বাবে কেৱল এটা উৎসৱ নহয়, ই আমাৰ আধ্যাত্মিক যাত্ৰাৰ এক মাইলৰ খুঁটি। ই আমাক শ্ৰীকৃষ্ণৰ প্ৰেম, জ্ঞান আৰু শান্তিৰ পথত আগবঢ়াই নিয়ে। এই দিনটোত আমি আমাৰ হৃদয়ত শ্ৰীকৃষ্ণৰ উপস্থিতি অনুভৱ কৰোঁ আৰু তেওঁৰ শিক্ষাৰ জৰিয়তে জীৱনৰ সত্যৰ সন্ধান কৰোঁ। আমাৰ সংস্কৃতি আৰু ধৰ্মৰ সৈতে গভীৰভাৱে সংযোগ স্থাপন কৰোঁ আৰু শ্ৰীকৃষ্ণৰ ঐশ্বৰিক প্ৰেমত ডুব যাওঁ।

# পৱিত্ৰ জন্মাষ্টমীৰ কিছু আভাস

হিন্দু ধৰ্মৰ অন্যতম ধৰ্মীয় উৎসৱ জন্মাষ্টমী। কৃষ্ণ জন্মাষ্টমীক কৃষ্ণাষ্টমী, গকুলাষ্টমী, অষ্টমী ৰোহিণী, শ্ৰীকৃষ্ণ জয়ন্তী আদি নামেৰেও জনা যায়। জন্মাষ্টমী হৈছে ভগৱান বিষ্ণুৰ অষ্টম অৱতাৰ শ্ৰীকৃষ্ণৰ জন্মোৎসৱ।

অসমতো এই দিনটোৰ বহু তাৎপৰ্য আছে। বিশেষকৈ বৈষ্ণৱ ধৰ্মাৱলম্বী লোকসকলৰ মাজত বহু সমাদৃত এই দিন। কৃষ্ণ জন্মাষ্টমী উপলক্ষে অসমৰ ভিন্ন প্ৰান্তত থকা বৈষ্ণৱ ধৰ্মাৱলম্বী নামঘৰ বা গোসাঁইঘৰ সমূহ আজি মুখৰিত হৈ পৰিব কৃষ্ণৰ গুণানুকীৰ্তনেৰে।

আকাশে বতাহে বিয়পি পৰিব হৰি নামৰ অমিয়া সুৰ....

তাৰে এটি কলি -
কৃষ্ণ জন্ম হোৱা শুনি আহিলে নাৰদ্ মুনি অ
চাৰি মুখে ব্ৰহ্মাই পঢ়ে বেদ
হৰ বৃষভতে সতী আহে পুষ্পৰথে
বসুমতী কৰে নাভিছে...

জন্মাষ্টমী উপলক্ষে অসমৰ বিভিন্ন সত্ৰ, নামঘৰত অনুস্থিত হয় জন্মাষ্টমীৰ আয়োজন। এই নাম প্ৰসংগ পিছৰ দিনৰ ৰাতিপুৱালৈকে চলে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী শাস্ত্ৰীয়ভাৱে উদযাপিত হোৱাৰ বাহিৰেও নাটকীয় সমলযুক্ত বিভিন্ন আচৰণৰ সৈতেও পালন কৰা দেখা যায়। কোনো কোনো নামঘৰ বা গোসাঁই ঘৰত ভকত-ভকতনীসকলে শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালনৰ উদ্দেশ্যে ৰং-বিৰঙৰ কাপোৰেৰে শিশু কৃষ্ণৰ এটি পুতলা নিৰ্মাণ কৰে। হৰিৰ গুণানুকীৰ্তন,হৰি নামৰ অমিয়া সুৰ, প্ৰাৰ্থনাদি শেষ হোৱাৰ পিছত এজন পুৰুষ বা এজনী নাৰীয়ে দৈৱকীৰ ভাও লয়। তেওঁৰ যেন প্ৰসৱ বেদনা আৰম্ভ হৈছে। তাত উপস্থিত থকা পুৰুষ এগৰাকীয়ে ধাই বা চিকিৎসকৰ ভাও লৈ দৈৱকীৰ চিকিৎসাৰ বাবে আগবাঢ়ে। কিন্তু তেওঁৰ চিকিৎসাৰ কোনো কাম নহ'ল।কিন্তু তেওঁৰ অৰিহণা ফেৰা কল-তামোল-পাণ আদি ৰূপে নিবলৈও নাপাহৰিলে।

## কল্যাণী গগৈ

তেওঁৰ দৰে আৰু দুজন চিকিৎসকে দৈৱকীৰ বিষ উপশম কৰিবলৈ চেষ্টা কৰিলে,যদিও কোনো সফল নহ'ল। মাজ নিশা আন এজন ভকতে ধাই বা চিকিৎসকৰ ভাও লৈ আগবাঢ়ি আহিল। তেওঁৰ উপস্থিতি আছিল ফলপ্ৰসূ-অৰ্থাৎ দৈৱকীয়ে বাল গোপাল বা ভগৱান শ্ৰীকৃষ্ণক জন্ম দিলে। সেই মুহূৰ্ততে পুৰোহিতজনে নামঘৰ বা গোসাঁইঘৰৰ মণিকূটৰ পৰা কৃষ্ণৰ পুতলাটি দুয়ো হাতত তুলি লৈ-কৃষ্ণ জন্মিলে, কৃষ্ণ জন্মিলে বুলি চিঞৰি দিয়ে,লগে লগে আয়তীসকলে মংগল উৰুলি আৰু হৰিধ্বনিৰ লগতে নৃত্যভংগীও প্ৰদৰ্শন কৰে আৰু পুনৰ হৰি নামৰেৰে মুখৰিত কৰি তোলে এইদৰে....

কংসৰ কাৰাগাৰে হৰি
ঘোৰ অন্ধকাৰে
জন্ম লৈলা তুমি হৰি
দৈৱকীৰ গৰ্ভতে
অ.....
বাসুদেৱে কোলে লৈয়া
চলিলা বাটে
তোমাক থৈয়া যোগমায়াক
আনিলে যে কোলে

এনেদৰে পুনৰ হৰি নামৰেৰে মুখৰিত কৰাৰ সময়তে তাত উপস্থিত থকা এজন পুৰুষে বসুদেৱৰ ভাও লৈ শিশু কৃষ্ণক নন্দ ৰজাৰ ঘৰত গৈ থৈ অহাৰ কাহিনীভাগ উপস্থাপন কৰে। শেষত সকলোৱে মঙ্গল উৰুলি আৰু জয়ধ্বনিৰে আকাশ কপাই তোলে আৰু ভগৱান শ্ৰীহৰিৰ চৰণত সেৱা লয়।

পূৰ্ব পুৰুষ সকলৰ মতে এই জন্মাষ্টমী নাম গোৱা প্ৰথা বৈষ্ণৱযুগৰ পৰাই চলি আহিছে। এই উৎসৱৰ মুখ্য উদ্দেশ্য হৈছে ভগৱান শ্ৰীকৃষ্ণৰ জন্মৰ উদ্‌যাপন কৰা। এই উৎসৱত শ্ৰীকৃষ্ণৰ জন্মৰ স্মৰণ কৰা হয় আৰু তেওঁৰ জীৱনৰ বিভিন্ন ঘটনা পালন কৰা হয়, যি আধ্যাত্মিকতা, প্ৰেম আৰু দয়াৰ প্ৰতীক। জন্মাষ্টমী এক সামাজিক-ধৰ্মীয় উৎসৱ যি শ্ৰীকৃষ্ণৰ জীৱনৰ পৰা অনুপ্ৰাণিত হয় আৰু ভক্তসকলক আধ্যাত্মিক আনন্দ আৰু আশীৰ্বাদ প্ৰদান কৰে। বিশ্বাস অনুসৰি এই দিনটোত ভগৱান শ্ৰীকৃষ্ণক আৰধনা কৰিলে মনৰ ইচ্ছা পূৰণ হয়।

কৃষ্ণ জন্মাষ্টমীৰ এই পৱিত্ৰ ক্ষণত শতকোটি নমন পৃথিৱীৰ ত্ৰাণকৰ্তা গৰাকীলৈ। কৃষ্ণৰ জ্ঞানে আপোনাক সৎ পথৰ প্ৰদৰ্শন কৰক, তেওঁৰ বাঁহীৰ ঐশ্বৰিক সুৰে আপোনাৰ জীৱনলৈ কঢ়িয়াই আনক সুখ-সমৃদ্ধি, সফলতা, সম্প্ৰীতি আৰু শান্তিৰ বতৰা আৰু তেওঁৰ প্ৰেমে আপোনাক সদায় সুৰক্ষা কৰক।

# অসমৰ লোক-সংস্কৃতিত ভাদ মাহ

ভাদমহীয়া নামৰ সুগন্ধই সুকীয়া। এই মাহত মানুহৰ আধ্যাত্মিক চিন্তা-চৰ্চা আৰু অনুভূতিৰে ইজনে সিজনৰ লগত একাত্ম হৈ পৰে। প্ৰবাদ আছে যে ভাদ মাহত জন্ম হোৱাসকল সৌভাগ্যশালী আৰু সেয়ে ভাত-পিঠা খুওৱাৰ নিয়ম আছে। খেতি শেষ কৰি খেতিয়কে এই মাহত নাঙল ধোৱা পিঠাও খায়। ভাদ মাহত জগা কলী গৰুৰ গাখীৰ খাব নালাগে। কোনোৱে কয় ভাদ মাহত কলমৌ শাকো খাব নালাগে। এই কলমৌ পাততে হেনো গোঁসাই উপজিছিল।

ভাদ মাহটো হিন্দু ধৰ্মাৱলম্বী লোকৰ বাবে পৱিত্ৰ মাহ। অসমৰ লোক সংস্কৃতিত ভাদ মাহৰ গুৰুত্ব অপৰিসীম। এই মাহত মানুহৰ আধ্যাত্মিক চিন্তা-চৰ্চাৰ মাত্ৰা বৃদ্ধি পায়। নামঘৰ, সত্ৰ, মঠ-মন্দিৰবোৰ সন্ধিয়া ধূপ-চাকিৰ ধোঁৱাৰ সুগন্ধই মন-প্ৰাণ উথলি উঠে। হিন্দুধৰ্মৰ ভক্তসকলে এই ভাদ মাহতে দুখ-যন্ত্ৰণা দূৰ কৰাৰ মানসেৰে আই মাতৃ আৰু পুৰুষসকলে ভাগে ভাগে নামঘৰত গৈ ভাগৱত পাঠ কৰে আৰু দিহা নাম পৰিবেশন কৰে। ভাদ মাহত গুৰু দুজনাৰ তিথিৰ লগতে শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ভাদ মাহৰ শুক্লপক্ষৰ দ্বিতীয়া তিথিত শংকৰদেৱৰ মৃত্যু তিথি, কৃষ্ণ পক্ষৰ পঞ্চমী তিথিত মাধৱদেৱৰ মৃত্যু তিথি আৰু কৃষ্ণ পক্ষৰ অষ্টমী তিথিত শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমী উদ্‌যাপন কৰা হয়। কোনো কোনো ভক্তই পঞ্চমী তিথিত হৰিদেৱৰ তিথিও পালন কৰে। ভাদ মাহৰ এই তিথি কেইটাত অসমৰ বহু ঠাইত ভাওনা পাতে। ভাদ মাহৰ আটাইকেইটা দিনতে ভক্তই নাম-প্ৰসঙ্গ কৰে। শাওণ মাহৰ শেষৰ দিনটোৰ পৰা ভাদ-আহিনৰ সংক্ৰান্তিৰ দিনালৈকে অৰ্থাৎ বিশ্বকৰ্মা পূজালৈকে হৰিনামৰ ধাৰা ভক্তসকলে চলাই নিয়ে। সাধাৰণতে দিনৰ ভাগত আইমাতৃসকলে আৰু ৰাতিৰ ভাগত পুৰুষসকলে নামঘৰত নাম

## ব্ৰজেন দাস

লয়। আইমাতৃসকলে বিশ্বাস কৰে পৱিত্ৰ ভাদ মাহত নাম ল'লে সমাজৰ অমঙ্গল নাশ হয় আৰু মনৰ কামনা পূৰ্ণ হয়। ভাদ মাহৰ শেষৰ দিনটোত উদযাপন কৰা হয় বিশ্বকৰ্মা পূজা। ভাদ মাহত কৰম পূজাও হয়। চাহ জনগোষ্ঠীৰ লোকসকলে এই পূজাত ঝুমুৰ গীত -নৃত্য পৰিবেশন কৰি প্ৰেমৰ উন্মেষ ঘটায়। ঝুমুৰৰ তালে-তালে বাগানৰ শ্ৰমিক সকলৰ মন-প্ৰাণ হৰি নিয়ে। আনন্দত আত্মহাৰা হয়।

ভাদমহীয়া নামৰ সুগন্ধই সুকীয়া। এই মাহত মানুহৰ আধ্যাত্মিক চিন্তা-চৰ্চা আৰু অনুভূতিৰে ইজনে সিজনৰ লগত একাত্ম হৈ পৰে। প্ৰবাদ আছে যে ভাদ মাহত জন্ম হোৱাসকল সৌভাগ্যশালী আৰু সেয়ে ভাত-পিঠা খুওৱাৰ নিয়ম আছে। খেতি শেষ কৰি খেতিয়কে এই মাহত নাঙল ধোৱা পিঠাও খায়। ভাদ মাহত জগা কলী গৰুৰ গাখীৰ খাব নাপায়। কোনোৱে কয় ভাদ মাহত কলমৌ শাকো খাব নাপায়। এই কলমৌ পাততে হেনো গোঁসাই উপজিছিল। গতিকে এই মাহত কলমৌ খালে ভগৱান বিতুষ্ট হয় আৰু অমঙ্গল ঘটে।

ভাদ মাহ সঁচাকৈয়ে পৱিত্ৰ মাহ। ই হৰিনামৰ অমিয়া সুৰৰ সুবাস বিলোৱা মাহ। যাৰ ঠিকনা প্ৰসাৰিত হয় গঞাৰ হৃদয়ৰ কোঁহে-কোঁহে। কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাতো পোৱা যায় ভাদ মাহৰ অমৃত বিলোৱা মন্ত্ৰ-

"হাত চাপৰিত
গধূলি গোপাল এবুকুকৈ
মূৰ দোঁৱাই ৰ'ল
বগা চাদৰ গাত মেৰিয়াই
গোটেই মাহ গ'ল
আকাশখনেও—।।"



## বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক

বিভিন্ন প্ৰডা" উৎপাদন কৰা হ'ব আৰু শোধনাগাৰটোৱে অসমৰ কৃষকসকলক নতুন সুযোগ প্ৰদান কৰিব। তাৰ পিছতেই তেখেতে এক পʼলিপ্ৰপেলিন উৎপাদন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি অসমৰ শিল্পখণ্ডৰ বিকাশত গতি যোগাইছে, যাৰ কেন্দ্ৰীয় ব্যয় ৭, ২৩০ কোটি টকা আৰু ক্ষমতা বছৰি ৩৬০ লাখ মেট্ৰিক টন হ'ব, যিয়ে হাইড্ৰʼকাৰ্বন শৃংখলত বছৰি ১ মিলিয়ন টন কাৰ্বন-ডাই-অʼইড হ্ৰাস কৰি পৰিৱেশ সুৰক্ষাত অৰিহণা যোগাব আৰু লগতে ৭৫, ০০০ কৰ্মদিন সৃষ্টি কৰি যুৱসমাজক নতুন চাকৰিৰ সুযোগ দিব; এই উদ্বোধনৰ পিছত প্ৰধানমন্ত্ৰীগৰাকীয়ে এক জনসভাত অংশগ্ৰহণ কৰি প্ৰথমতে অসমীয়া ভাষাতে আগতীয়াকৈ শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জ্ঞাপন কৰি স্থানীয় সংস্কৃতিৰ প্ৰতি সন্মান প্ৰকাশ কৰিছে আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক শ্ৰদ্ধা নিবেদন কৰি অসমৰ ঐতিহ্যক স্মৰণ কৰিছে, যোৱা দুদিনত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত লাভ কৰা মৰম-চেনেহৰ কথা উল্লেখ কৰি তেখেতে কয় যে উত্তৰ-পূৰ্বাঞ্চলত আহিলে তেখেতে বিশেষ মৰম লাভ কৰে আৰু আজিৰ দিনটো বিকশিত অসম আৰু বিকশিত ভাৰতৰ গৌৰৱময় যাত্ৰাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ কাৰণ আজি প্ৰায় ১৮ হাজাৰ কোটি টকাৰ প্ৰকল্প অসমে লাভ কৰিছে যিয়ে বিকশিত অসমৰ পথক অধিক শক্তিশালী কৰিব; প্ৰধানমন্ত্ৰীয়ে অসমক ভাৰতবৰ্ষৰ ইন্ধন সামৰ্থ্য বৃদ্ধি কৰাত সক্ষম ৰাজ্য বুলি বৰ্ণনা কৰি কয় যে ইয়াত উৎপাদিত তৈলজাত সামগ্ৰীয়ে দেশৰ প্ৰগতিক গতি প্ৰদান কৰে আৰু কিছুসময়ৰ আগতে উদ্বোধিত বাঁহৰ পৰা বায়ʼ ইথানল প্ৰকল্প অসমৰ বাবে গৌৰৱৰ বিষয় যিয়ে অসমৰ বিকাশত গতি যোগাব। ইয়াৰ উপৰিও পʼলিপ্ৰপেলিন প্ৰকল্পৰ আধাৰশিলা স্থাপনে অসমৰ উন্নয়নত অৰিহণা যোগাব। তেখেতে লালকিল্লাৰ পৰা ঘোষিত সমুদ্ৰ মন্থনৰ কথা উল্লেখ কৰি কয় যে ভাৰতৰ সমুদ্ৰৰ তলত বহু পৰিমাণে ইন্ধন আৰু গেছৰ ভাণ্ডাৰ মজুত থাকিব পাৰে যাৰ বাবে এক মিছন আৰম্ভ কৰা হৈছে আৰু এক দশকৰ পূৰ্বে ভাৰত সৌৰ শক্তিত পিছ পৰি আছিল যদিও এতিয়া বিশ্বৰ পাঁচ নম্বৰ স্থানত আছে, পৰিৱৰ্তনশীল সময়ত ভাৰতক তেল আৰু গেছৰ বিকল্প হিচাপে ইথানলৰ প্ৰয়োজন যাৰ বাবে আজি বাঁহৰ পৰা ইথানল প্ৰস্তুত প্ৰকল্প উদ্বোধিত হৈছে যিয়ে অসমৰ কৃষক পৰিয়ালক সুবিধা প্ৰদান কৰিব কাৰণ চৰকাৰে কৃষকক বাঁহৰ খেতি কৰিবলৈ সুবিধা দিব আৰু বাঁহ ক্ৰয় কৰাৰ ব্যৱস্থা কৰিব লগতে বাঁহৰ চীপছ প্ৰস্তুত কৰা সৰু প্ৰকল্প স্থাপন কৰা হ'ব আৰু প্ৰত্যেক বছৰে প্ৰায় ২০০ কোটি টকা এই অঞ্চলত ব্যয় কৰা হ'ব। কংগ্ৰেছক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে কংগ্ৰেছে দেশত দীঘলীয়া সময় শাসন চলাইছিল আৰু অসমতো চৰকাৰ চলাইছিল কিন্তু বিকাশৰ গতি লেহেমীয়া আছিল যদিও বিজেপিৰ ডবল ইঞ্জিন চৰকাৰে অসমৰ পুৰণি চিনাকিক মজবুত কৰিছে আৰু আমাৰ চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে লগতে অসমত বিজেপি চৰকাৰে কেন্দ্ৰীয় নতুন শিক্ষা নীতি সোনকালে গ্ৰহণ কৰিছে, কংগ্ৰেছে অসমৰ মহান বীৰ-বীৰাংগনাক সঠিক সন্মান নিদিলে যদিও আমাৰ চৰকাৰে বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত কৰি তেখেতৰ জীৱনী ২৩টা ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিছে আৰু শিৱসাগৰৰ ৰংঘৰক নতুনত্ব দিয়া হৈছে লগতে শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক বিশ্ব ঐতিহ্য তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা অব্যাহত ৰখা হৈছে কাৰণ অসমত যিমানেই পৰ্যটকৰ আগমন হ'ব সিমানে নিবনুৱা সমস্যা সমাধান হ'ব; উল্লেখ্য যে আজিৰ এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰমুখ্য কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, হৰদীপ সিং পুৰী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়া আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত আছিল।

## ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যৰ

স্থানসমূহ স্থান পাইছে। মেঘালয়ৰ পূৰ্ব খাচী পাহাৰৰ গুহা আৰু নাগালেণ্ডৰ কিফিৰেৰ নাগা হিল অফিঅ'লাইট এই তালিকাত উত্তৰ-পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰিছে। ইয়াৰ উপৰিও অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিৰ তিৰুমালা পাহাৰৰ প্ৰাকৃতিক ঐতিহ্য আৰু বিশাখাপট্টনমৰ ভীমিলিৰ এৰা মাট্টি ডিব্বালুৰ ৰঙা বালিৰ টিলাও এই তালিকাত স্থান লাভ কৰিছে। মহাৰাষ্ট্ৰৰ পঞ্চগণি আৰু মহাবলেশ্বৰৰ ডেকান ট্ৰেপ, কৰ্ণাটকৰ উডুপিৰ ছেইণ্ট মেৰীজ দ্বীপপুঞ্জৰ ভূতাত্ত্বিক ঐতিহ্য আৰু কেৰালাৰ ভাৰ্কলাৰ প্ৰাকৃতিক ঐতিহ্যই এই তালিকা সম্পূৰ্ণ কৰিছে। ইউনেস্ক'ত ভাৰতৰ স্থায়ী প্ৰতিনিধি দলে এ'ত এক পোষ্টৰ জৰিয়তে ঘোষণা কৰিছে যে এই সাতটা সম্পত্তিৰ সংযোজনে ভাৰতৰ চহকী প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণৰ প্ৰতি দায়বদ্ধতাক উজ্জ্বল কৰি তুলিছে। এই নতুন সংযোজনৰ সৈতে ভাৰতৰ মুঠ ৬৯টা সম্পত্তি এতিয়ালৈকে ইউনেস্ক'ৰ আংশিক তালিকাত অন্তৰ্ভুক্ত হৈছে, য'ত ৪৯টা সাংস্কৃতিক, ৩টা মিশ্ৰিত আৰু ১৭টা প্ৰাকৃতিক শ্ৰেণীৰ অন্তৰ্গত।

## '২৬ৰ নিৰ্বাচনত ৩৬খন

নিৰ্বাচনত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে ৩৬টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ঘোষণা কৰিছে। তেজপুৰৰ বিহগুৰি চন্দ্ৰনাথ শৰ্মা ভৱনত ২০০ৰো অধিক সদস্যৰ উপস্থিতিত অনুষ্ঠিত এটা বৈঠকত তেওঁ এই সিদ্ধান্ত সদৰি কৰে শিৱসাগৰৰ বিধায়কগৰাকীয়ে। এই ঘোষণাই দলটোৰ ৰাজনৈতিক উচ্চাকাংক্ষাক প্ৰতিফলিত কৰিছে, য'ত তেওঁলোকে নিজক এক শক্তিশালী আঞ্চলিক যুদ্ধ শক্তি হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ সাজু কৰিছে। অখিল গগৈয়ে বৈঠকত কয় যে, ৰাইজৰ দল এতিয়া এনে অৱস্থাত যে, ৩৬টা সমষ্টিত তেওঁলোকে নহয় জয়ী হ'ব পাৰে, নহয় শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে থাকিব পাৰে। তেওঁ নিজৰ নিৰ্বাচনী অংশগ্ৰহণৰ বিষয়ে প্ৰথমবাৰে স্পষ্টভাৱে ঘোষণা কৰে যে, শিৱসাগৰ সমষ্টিৰ পৰা তেওঁ নিৰ্বাচনত অৱতীৰ্ণ হ'ব। এই ঘোষণাই দলৰ ভিতৰৰ উৎসাহ বৃদ্ধি কৰিছে, আৰু সদস্যসকলে এই সিদ্ধান্তক স্বাগত জনাইছে। গগৈয়ে আৰু কয় যে, দলটোৰ সাংগঠনিক শক্তি এতিয়া এনে যে, বহু আসনত জয়লাভ কৰি নতুন চৰকাৰ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই বৈঠকটো দলৰ ভৱিষ্যত কৌশলৰ প্ৰথম পদক্ষেপ হিচাপে দেখা যায়, য'ত সদস্যসকলে নিৰ্বাচনী প্ৰস্তুতিৰ ওপৰত আলোচনা কৰিছে। বিৰোধী দলসমূহৰ সৈতে ঐক্যৰ বিষয়ত অখিল গগৈয়ে সমৰ্থন প্ৰকাশ কৰিলেও কংগ্ৰেছ দলৰ মনোভাৱৰ প্ৰতি অসন্তুষ্টি জনাইছে। তেওঁ কয়, "ৰাইজৰ দল সদায় বিৰোধী ঐক্যৰ পক্ষত থাকিছে, কিন্তু আসন ভাগ-বতৰাৰ আলোচনাত সন্মানজনক স্থানৰ দাবী ৰাখিব।" কংগ্ৰেছৰ নেতৃত্বৰ প্ৰতি ইংগিত কৰি তেওঁ কয় যে, যি দলটোৱে নেতৃত্ব ল'ব লাগিছিল, সেই দলটোৱে প্ৰয়োজনীয় সংহতা প্ৰদৰ্শন নকৰিলে। এই মন্তব্যই অসমৰ বিৰোধী মহাৰথীসমূহৰ মাজত আলোচনাৰ পটভূমিত অধিক তাৎপৰ্যপূৰ্ণ হৈ উঠিছে, য'ত ৰাইজৰ দলৰ দৰে আঞ্চলিক দলসমূহে আসন ভাগৰ বাবে স্পষ্ট অৱস্থান লৈছে। অখিল গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো কঠোৰভাৱে সমালোচনা কৰি বিশেষ তদন্তকাৰী দল (এছআইটি)ৰ প্ৰতিবেদন সম্পৰ্কীয় মন্তব্যক "ৰাজনৈতিক প্ৰহসন" বুলি অভিহিত কৰিছে। তেওঁ কয়, মুখ্যমন্ত্ৰীয়ে ১০ ছেপ্টেম্বৰত এই প্ৰতিবেদন প্ৰকাশ বা পদত্যাগৰ প্ৰতিশ্ৰুতি দিছিল, কিন্তু কোনোটোৱেই পূৰণ নকৰিলে, যিয়ে প্ৰতিবেদনৰ কোনো মূল্য নাই বুলি প্ৰমাণ কৰে। "সন্দেহযুক্ত নাগৰিক"ৰ কথাটোকো গগৈয়ে ভোটৰ ৰাজনীতিৰ কৌশল বুলি উলাই কৰে, যিয়ে নাগৰিকক নাগৰিক বা অ-নাগৰিক হিচাপে নিৰ্ধাৰণ কৰাৰ পৰিৱৰ্তে সন্দেহৰ মাজত ৰাখি ভোট বেংক গঢ়ি তোলাৰ প্ৰচেষ্টা। এই সমালোচনাই মুখ্যমন্ত্ৰীৰ সাম্প্ৰতিক মন্তব্যক নতুন মাত্ৰা দিছে, য'ত তেওঁলোকে এছআইটিৰ প্ৰতিবেদনৰ ভিত্তিত "সন্দেহযুক্ত" নাগৰিকসকলক চিহ্নিত কৰাৰ কথা কৈছিল। গগৈয়ে এই নীতিক "শুধু ৰাজনৈতিক বক্তৃতা" বুলি অভিহিত কৰি অসমৰ জনগণক সতৰ্ক কৰিছে।

## '২৬ত অনুপ্ৰৱেশকাৰী

লগতে নাৰ্চিং কলেজ আৰু জিএনএম স্কুল নিৰ্মাণৰ কাম শুভাৰম্ভ কৰে। এই স্বাস্থ্যসেৱা প্ৰকল্পসমূহত মুঠ বিনিয়োগৰ পৰিমাণ ৫৭০ কোটি বুলি চৰকাৰী বিষয়াসকলে পিটিআইক জনায়। মোদীয়ে আনুমানিক ১২০০ কোটি বিনিয়োগেৰে নিৰ্মাণ কৰা ২.৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ নাৰেংগী-কুৰুৱা দলং আৰু কামৰূপ আৰু দৰং জিলাক মেঘালয়ৰ ৰি ভয় জিলাৰ সৈতে সংযোগ কৰিব পৰা ১১৮.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আমি এইমছ আৰু চিকিৎসা মহাবিদ্যালয়ৰ নেটৱৰ্ক দেশৰ চুক-কোণলৈ সম্প্ৰসাৰিত কৰিছো। অসমত কৰ্কট ৰোগৰ বিশেষ চিকিৎসালয়ো নিৰ্মাণ কৰা হৈছে। "যিকোনো অঞ্চলৰ দ্ৰুত বিকাশৰ বাবে দ্ৰুত সংযোগ অতি গুৰুত্বপূৰ্ণ। সেইবাবেই আমাৰ চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত সংযোগৰ ওপৰত যথেষ্ট গুৰুত্ব দি আহিছে। আজি সমগ্ৰ দেশে এক উন্নত ভাৰত গঢ়াৰ বাবে ঐক্যবদ্ধভাৱে আগবাঢ়িছে। বিশেষকৈ আমাৰ যুৱ বন্ধুসকলৰ বাবে উন্নত ভাৰত এক সপোন আৰু সংকল্প। এই সংকল্প পূৰণৰ ক্ষেত্ৰত আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে।" -প্ৰধানমন্ত্ৰীয়ে কয়। মোদীয়ে বিভিন্ন দিশৰ ওপৰত মন্তব্য কৰে। মোদীয়ে এই সময়চোৱাত কংগ্ৰেছকো কটাক্ষ কৰে। তেওঁ কয় যে, কংগ্ৰেছৰ সভাপতিয়ে ড০ ভূপেন হাজৰিকাৰ বিৰুদ্ধে অসন্তুষ্টিজনক মন্তব্য কৰিছিল। ইয়াৰ লগতে কয়, মোৰ বিৰুদ্ধে বহু সময়ত বহু কথা কয়। কিন্তু মই শিৱৰ ভক্ত, মই সকলো বিহ পান কৰি লওঁ। কিন্তু আনক অপমান কৰিলে সেয়া সহ্য নহয়। মোদীয়ে কয় যে, কংগ্ৰেছৰ পূৰ্বপুৰুষসকলৰ দৰে বৰ্তমানৰ প্ৰজন্ময়ো এনে ধৰণৰ অপমান কৰি আহিছে। এই সময়চোৱাত মোদীয়ে ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰীৰ প্ৰসংগও উল্লেখ কৰে। তেওঁ কয় যে, সেই সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে দিয়া দুখ উত্তৰ-পূবে আজিলৈ পাহৰিব পৰা নাই।

## ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত নতুন পদ্ধতিৰে ছাত্ৰ একতা সভাৰ সভাৰ সাধাৰণ নিৰ্বাচন

**ষ্টাফ ৰিপʼৰ্টাৰ, ডিব্ৰুগড়, ১৩ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান 'ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়'ত ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন ২০২৫-২৬ বৰ্ষৰ বাবে আজি (১৩-৯-২৫)অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১১টা পদৰ ৬টা পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল। পোনপ্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ নিজা ফিনলেক্সা নামৰ ছফ্‌টৱেৰৰ দ্বাৰা সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰা হয়। নতুন পদ্ধতিৰে অনুষ্ঠিত হোৱা নিৰ্বাচনত ছাত্ৰ-ছাত্ৰী সকলে নিজৰ মোবাইলতে নিৰ্বাচনৰ ফলাফল সমূহ চোৱাৰ ব্যৱস্থা কৰে। ইফালে ভোট গ্ৰহণৰ অন্তত আৰম্ভ হয় ভোটগণনা প্ৰক্ৰিয়া। নতুন পদ্ধতিৰদ্বাৰা মাত্ৰ পোন্ধৰ মিনিটতে ঘোষণা কৰা ফলাফল অনুসৰি সভাপতি অংকুৰ সন্দিকৈ, উপ-সভাপতি হীৰকজ্যোতি চুতীয়া, সাধাৰণ সম্পাদক জুৰিখ চাংমাই নিৰ্বাচিত হয়। আন আন বিভাগৰ সম্পাদক সম্পাদিকা পদত নিৰ্বাচিত প্ৰাৰ্থী সকল হৈছে হিমাংশু পাঙগিঙ ক্ৰীড়া, শিবাশীষ পাল আলোচনী, জুমণি সোণোৱাল ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত নিৰ্বাচিত হয়। মহাবিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী সহযোগী অধ্যাপক ড° স্বপ্না নাথ নিৰ্বাচনৰ ৰিটাৰনিং বিষয়া হিচাপে আছিল। নিৰ্বাচন সুকলমে সম্পন্ন হোৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে সকলো শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

## দুদিনীয়া কাৰ্যসূচীৰে আমগুৰি কেন্দ্ৰীয় কৰম উৎসৱৰ উদ্‌যাপন

**অসম বাৰ্তা, গেলেকী, ১২ ছেপ্টেম্বৰ ঃ** চাহ জনগোষ্ঠী মৰ্চা শিৱসাগৰ জিলা সমিতি আৰু আমগুৰি মণ্ডলৰ উদ্যোগত আমগুৰি, বৰবাম, বাঘজান, টিফুক, বৰছিলা, দেউপানী, লাদৈগড়, আৰু বৰুৱা চাহ বাগিচাৰ সমূহ ৰাইজৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে আমগুৰি কেন্দ্ৰীয় কৰম উৎসৱ উদযাপন কৰা হৈছে। স্বৰ্গীয় আছু প্ৰজা সমন্বয় ক্ষেত্ৰ আমগুৰি চাহ বাগিচাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে এই কৰম উৎসৱ। এই কৰম উৎসৱৰ বিশেষ আকৰ্ষণ হব ৫০০ গৰাকী ঝুমুইৰ শিল্পীৰ প্ৰদৰ্শনীমূলক ঝুমুইৰ নৃত্য পৰিৱেশন। কাৰ্যসূচীৰ প্ৰথমৰ দিনা পুৱা পতাকা উত্তোলন কৰে শিৱসাগৰ জিলাৰ চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি সুজিত গোৱালাই। ৯: ৩০ মিনিটত বন্তি প্ৰজ্বলন কাৰ্যসূচীত বন্তি প্ৰজ্বলন কৰে উদযাপন সমিতিৰ সভাপতি মহাদেৱ প্ৰধানে সহযোগ কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি বিতুপন সিং ৰাজপুতে। পুৱা ১০ বজাৰ পৰা কৰমতীবৃন্দৰ দ্বাৰা জাৱা জাগৰণ অনুষ্ঠান অনুষ্ঠিত হয়। সন্ধিয়া ৫ বজাত মাঙ্গলিক নিয়মেৰে ডাল কটা আৰু অনা অনুষ্ঠান অনুষ্ঠিত হয় এই অনুষ্ঠানৰ আগধৰে চন্দন গোৱালা আৰু বিজয় কৰ্মকাৰে। নিশা ৮ বজাত আমন্ত্ৰিত শিল্পীৰ দ্বাৰা ঝুমইৰ নৃত্য গীত অনুষ্ঠানৰ পাছতেই প্ৰথম দিনৰ কাৰ্যসূচী অন্ত পৰে। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ৫ বজাত ডাল বিসৰ্জন অনুষ্ঠান অনুষ্ঠিত হয়। সন্ধিয়া ভাগলৈ অনুষ্ঠিত হয় ৫০০ গৰাকী ঝুমুইৰ শিল্পীৰ দ্বাৰা প্ৰদৰ্শনীমূলক ঝুমুইৰ নৃত্য। এই অনুষ্ঠানটোৰ পৰিচালনা কৰে দেবেনবীৰ দাস, অজিত ঘাটোৱাৰ, বলোৰাম ঘাটোৱাৰ আৰু বিশাল কুমাৰে। অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই। নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হয় সাংস্কৃতিক সন্ধিয়া। সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ কণ্ঠশিল্পী অৰ্জুন লাকৰা, সুৰেন্দ্ৰ লোহাৰ আৰু ৰাচিম আয়ানৰ গীতৰ শৰাই। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰিব ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটায়।

## মাজুলীৰ ব্ৰহ্মপুত্ৰৰ দাঁতিত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাৰ জেংৰাইমুখ থানাৰ অন্তৰ্গত হালধিবাৰী গাঁৱৰ সমীপৱৰ্তী ব্ৰহ্মপুত্ৰ নদীৰ (ৰামুদ টিকিয়া চাপৰি) কংকান সুঁতিত এটা অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰ হয়। আজি দিনৰ প্ৰায় ৩ বজাত উক্ত স্থানত নয়াবজাৰ টহলদাৰী চকীৰ আৰক্ষী উপস্থিত হৈ উপঙি থকা অৱস্থাত উদ্ধাৰ কৰা মৃত ব্যক্তি গৰাকীৰ বয়স প্ৰায় ৩৫-৪০ বছৰৰ ভিতৰত হ'ব বুলি আৰক্ষীয়ে ঠাৱৰ কৰিছে। ধূসৰ ৰঙৰ টি-চাৰ্ট, ধূসৰ ৰঙৰ আণ্ডাৰৱেৰ, মোজা পৰিহিত মৃতদেহটো আংশিক উৰলি যোৱাৰ অৱস্থাত উদ্ধাৰ কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মাজুলীৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বৰ্তমান চিনাক্তকৰণৰ উদ্দেশ্যে চিকিৎসালয়ৰ মৰ্গতে মৃতদেহটো ৰখা হৈছে বুলি জানিব পৰা গৈছে।

**মিছাজান খৰিকটীয়া আলিত ৰাইজৰ প্ৰতিবাদ**

## খোৱাপানীৰ পৰা বঞ্চিত ৰাইজ ওলাই আহিল ৰাজপথলৈ

**অসম বাৰ্তা, গেলেকী, ১৩ ছেপ্টেম্বৰ ঃ** নামতি মিছাজানৰ ঐতিহাসিক খৰিকটিয়া আলিত ৰাইজৰ ক্ষোভ দেখিবলৈ পোৱা গৈছে। বিগত মে' মাহৰ পৰা মিছাজান পানী যোগান আঁচনিৰ অন্তৰ্ভুক্ত পাঁচ খনকৈ গাঁৱৰ প্ৰায় ৩৫০ টাকৈ পৰিয়াল বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আছে। ইয়াৰ মূল কাৰণ হিচাপে পৰিগণিত হৈছে খৰিকটীয়া আলি পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠান। উল্লেখযোগ্য যে ঐতিহাসিক খৰিকটীয়া আলিৰ বহুল

কৰাৰ বাবে কাম চলাই আছে এটা ঠিকাদাৰী প্ৰতিষ্ঠানে। ফলত পথৰ কাষেদি পাৰ হৈ যোৱা পানী যোগান আঁচনিৰ পাইপ সমূহ ঠিকাদাৰী প্ৰতিষ্ঠানে কাম কৰি থকাৰ অৱস্থাত ভাঙি পেলোৱাৰ ফলত বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আছে কেইবাখনো গাঁৱৰ ৰাইজ। ৰাইজে উক্ত বিষয়টোৰ সন্দৰ্ভত ঠিকাদাৰী প্ৰতিষ্ঠানৰ পৰা কোনো ধৰণৰ সহযোগিতা নোপোৱাত বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাত বেলেগ বিভাগলৈ বিষয়টো ঠেলা মাৰি

ৰাইজক আভুৱা ভৰি থকাৰ অভিযোগ উত্থাপন হৈছে। যাৰ বাবে এতিয়া ৰাইজ ক্ষুব্ধ হৈ পৰিছে। ক্ষুব্ধ ৰাইজ একত্ৰিত হৈ ৰাজপথলৈ ওলাই অহা পৰিলক্ষিত হৈছে। ক্ষুব্ধ ৰাইজে পানীৰ সমস্যা সমাধান নোহোৱা পৰ্যন্ত পথ নিৰ্মাণকাৰী কৰ্মচাৰীক কাম বন্ধ ৰাখিবলৈ সকিয়নি প্ৰদান কৰিছে। লগতে অহা সাত দিনৰ ভিতৰত ৰাইজৰ সমাধানৰ ব্যৱস্থা গ্ৰহণ নকৰিলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান কৰিছে।

## অসমৰ উন্নয়নৰ দৌৰত

নেতৃত্ব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পৰামৰ্শত অসমৰ উন্নয়নৰ দ্ৰুতগতিৰ প্ৰশংসা কৰে। ঋষি বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনা সত্ৰত দেশৰ অৰ্থনৈতিক পৰিস্থিতিৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য আৰু ব্যৱসায়ৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। মন্ত্ৰী গোৱেলে কয় যে, ভাৰতৰ অৰ্থনীতি পূৰ্বৰ তুলনাত বহু উন্নত হৈছে। তেওঁ উল্লেখ কৰে, "আমাৰ চৰকাৰৰ প্ৰচেষ্টাত দেশৰ জনতা সকলো দিশৰ পৰা সকাহ পাইছে। ২০১২ৰ পৰিস্থিতিৰ সৈতে তুলনা কৰিলে আমাৰ অগ্ৰগতি স্পষ্ট।" তেওঁ কংগ্ৰেছৰ শাসনকালক তীব্ৰ সমালোচনা কৰি কয় যে, ইউপিএ চৰকাৰৰ সময়ত জনতা সকলো ক্ষেত্ৰতে বিপদৰ সন্মুখীন হৈছিল। ২০১৪ত প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্বত ভাৰত চৰকাৰে ৰিজাৰ্ভ বেংকৰ সৈতে মিলি বহুতো অৰ্থনৈতিক সংস্কাৰৰ জৰিয়তে দেশৰ অৰ্থনীতিক শক্তিশালী কৰিছে, যাৰ ফল জনতাৰ মাজত স্পষ্ট হৈছে। মূল্যবৃদ্ধিৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত গোৱেলে কয়, "অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ সৈতে মোকাবিলাৰ বাবে আমি প্ৰধানমন্ত্ৰীৰ নিৰ্দেশনাত প্ৰতিমাহে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা অন্যান্য বিষয়ববীয়াৰ সৈতে বৈঠকত বহি আলোচনা কৰোঁ। জনতাক এনে সমস্যাৰ পৰা মুক্ত কৰাৰ বাবে আমি সদায় প্ৰচেষ্টা চলাইছোঁ।" তেওঁ প্ৰধানমন্ত্ৰী মোডীৰ প্ৰশংসা কৰি কয়, "তেওঁৰ নেতৃত্বত পৰোক্ষ কৰ ব্যৱস্থাত ঐতিহাসিক পৰিৱৰ্তন আহিছে। বিগত ৩ ছেপ্টেম্বৰৰ পদক্ষেপৰ ফলত সাধাৰণ মানুহৰ ব্যৱহাৰৰ সামগ্ৰীৰ কৰ হ্ৰাস পাইছে।" উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ কথা উল্লেখ কৰি তেওঁ কয়, "এই অঞ্চলৰ অগ্ৰগতি ঐতিহাসিক। স্বাধীনতাৰ পিছৰ ১১ বছৰত উত্তৰ-পূৰ্বাঞ্চলে অভূতপূৰ্ব উন্নয়নৰ সাক্ষী হৈছে। প্ৰধানমন্ত্ৰী মোডীয়ে ৫০ বাৰতকৈও অধিক এই অঞ্চল ভ্ৰমণ কৰিছে। তেওঁ প্ৰথমৰ পৰাই কৈ আহিছে যে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন অবিহনে ভাৰতৰ প্ৰগতি সম্ভৱ নহয়।" তেওঁ জনাই যে, অঞ্চলৰ প্ৰতিখন ৰাজ্যৰ ৰাজধানী এতিয়া ৰেল আৰু হাইৱেৰ সৈতে সংযুক্ত হৈছে, যি পূৰ্বৰ শাসনকালত দুৰ্নীতিৰ খবৰৰ মাজত কল্পনাতীত আছিল। মুদ্ৰাস্ফীতিৰ বিষয়ে গোৱেলে কয়, "ভাৰতত মুদ্ৰাস্ফীতি মাত্ৰ ২ শতাংশ, যি স্বাধীনতাৰ ৭৫ বছৰৰ ইতিহাসত সৰ্বনিম্ন। কংগ্ৰেছৰ আমোলত এই হাৰ ২৫ৰ পৰা ২৭ শতাংশলৈকে উঠিছিল। আমি মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত ৰাখি জনতাৰ জীৱন সহজ কৰাৰ বাবে অমিত শাহ আৰু প্ৰধানমন্ত্ৰীৰ সৈতে নিয়মিত আলোচনা কৰোঁ।" দেশৰ অৰ্থনীতিৰ বিষয়ে তেওঁ কয়, "আইএমএফৰ তথ্য অনুসৰি, ভাৰত বৰ্তমান বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি। বিশ্বজুৰি অৰ্থনৈতিক অনিশ্চয়তাৰ মাজতো ভাৰতৰ অৰ্থনীতি দ্ৰুতগতিত বৃদ্ধি পাইছে। ডলাৰৰ বিপৰীতে টকাৰ মূল্যৰ অৱনমন বিশ্বৰ উদীয়মান অৰ্থনীতিসমূহৰ বাবে সাধাৰণ। যোৱা ৮-১০ মাহত এই প্ৰভাৱ অধিক পৰিলক্ষিত হৈছে, কিন্তু পৰিস্থিতি স্থিৰ হ'লে এই ক্ষেত্ৰতো উন্নতি হ'ব।" শেষত তেওঁ কয়, "আমাৰ কৃষক, যুৱক-যুৱতী, কাৰিকৰ আৰু ষ্টাৰ্টআপৰ সমন্বিত প্ৰচেষ্টাই ভাৰতক নতুন উচ্চতাত লৈ গৈছে। এইটোৱেই আমাৰ শক্তি। ২০৪৭ত স্বাধীনতাৰ শতবাৰ্ষিকীত ভাৰত ৩০ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হ'ব।"

## ইউ পি পি এল মানে এবছু-

সুবিধাৰ পৰা বঞ্চিত হোৱা দেখা গৈছে। সকলো সুবিধা এবছুয়ে লৈ আছিল। ইউপিপিএল চৰকাৰ নাহিলে বিটিচিত পুনৰ অশান্তি আহিব বুলি প্ৰমোদ বড়োয়ে নিজে কৈ আছে। আমাৰ দিনত যি গণ্ডগোল আৰু অশান্তিৰ সৃষ্টি হৈছিল সকলো প্ৰমোদ বড়োৰ নেতৃত্বত হৈছিল বুলি আজি টংলা মডেল হাইস্কুল খেল পথাৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰত ৩৪ নম্বৰ খালিং দুৱাৰ পৰিষদীয় সমষ্টিৰ বিপিএফ দলৰ প্ৰাৰ্থী বনজাৰী দৈমাৰীৰহৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে এই দৰে মন্তব্য কৰে। হাগ্ৰামা মহিলাৰীয়ে আৰু কয় যে আমাৰ লগত যুঁজি লাভ নাই, এবছুয়ে আমাক জিন্দেগী হেৰুৱাব নোৱাৰে। খালিং দুৱাৰ সমষ্টিত বি পি এফ দলৰ পজিচন খুবেই ভাল, আমাৰ জয়ী হোৱাটো নিছিত্ত। প্ৰায় দহ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰা বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভাত বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আৰু কয় যে এইবাৰ ইউ পি পি এল জিৰ হব। মূল প্ৰতিদ্বন্দ্বিতা বিজেপি আৰু বি পি এফৰ মাজতহে হব, ইউ পি পি এল হিচাপতেই নাহিব। এইবাৰ বি পি এফ দল জয়ী হোৱাটো এশ শতাংশ নিশ্চিত বুলি উল্লেখ কৰি হাগ্ৰামা মহিলাৰীয়ে এবছুয়ে ইউ পি পি এল দলক মুকলি সমৰ্থন জনোৱাৰ প্ৰসংগত আৰু কয় যে এবছুয়ে প্ৰতিবাৰে নিৰ্বাচন খেলিছে, প্ৰতিবাৰে হাৰিছে। এবছুহে চলাই আছে চৰকাৰ, ইউ পি পি এল নামত। অন্যান্য জাতি জনগোষ্ঠীৰ লোকসকলে এবছুৰ অফিচতগৈ কেনেদৰে আঁচনি লব সেইটো ডাঙৰ প্ৰশ্ন আৰু সেই কাৰণে বিটিচি ধ্বংসৰ মুখলৈ গৈছে। এইবাৰ ৰাইজৰ সিদ্ধান্ত বি পি এফে চৰকাৰ গঠন কৰিব। হাগ্ৰামা মহিলাৰিয়ে আৰু কয় যে বিপিএফ দল এইবাৰ চৰকাৰত আহিয়ে বিটিচিত বসবাস কৰা সকলো জাতি জনগোষ্ঠীৰ উন্নয়নৰ কাম আখৰে আখৰে ৰূপায়ণ কৰিব। শিক্ষিত যুৱক যুৱতীসকলক চৰকাৰী চাকৰিত নিয়োগ কৰাৰ উপৰিও ব্যৱসায়-বাণিজ্য কৰিবলৈ ইচ্ছা কৰা যুৱক - যুৱতীসকলক উপযুক্ত প্ৰশিক্ষণদি আৰ্থিক সাহায্য দিয়া হব বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি প্ৰদান কৰে। ৩৪ নম্বৰ খালিং দুৱাৰ পৰিষদীয় সমষ্টিৰ বিপিএফ দলৰ প্ৰাৰ্থী বনজাৰী দৈমাৰীৰহৈ নিৰ্বাচনী প্ৰচাৰৰ সভাত হাগ্ৰামা মহিলাৰীক সংগ দিয়ে ক্ৰমে বিধায়ক দুৰ্গাদাস বড়ো, প্ৰাক্তন বিধায়িকা বিপিএফৰ জ্যেষ্ঠ নেত্ৰী কুমলী বসুমতাৰী, যুৱ নেতা ৰিঞ্জয় বড়ো, জয়ন্ত কুমাৰ ভট্টাচাৰ্য সহিতে আন বহু কেইগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে।

## নুমলীগড়ত প্ৰধানমন্ত্ৰীৰ সভা

বাঁহভিত্তিক বায়' ইথানল প্ৰকল্পৰ উদ্বোধনৰ লগতে এক বিশাল জনসভাত ভাষণ দিবলৈ গৈছে। কিন্তু, যান-জঁটৰ বাবে শ শ বাছ আৰু অন্যান্য বাহন আদবাটতে আবদ্ধ হৈ পৰিছে, যাৰ ফলত বহু লোকে সভাস্থলীত উপস্থিত হ'ব নোৱাৰি ঘৰলৈ ঘূৰি যাবলৈ বাধ্য হৈছে। প্ৰধানমন্ত্ৰী মোডীৰ সভাত অংশ ল'বলৈ গোলাঘাট, কাৰ্বি আংলং, কলিয়াবৰ আদি বিভিন্ন অঞ্চলৰ পৰা প্ৰায় পাঁচ হাজাৰ সৰু-ডাঙৰ বাহনৰ জৰিয়তে ৰাইজ নুমলীগড়ৰ দিশে ৰাওনা হৈছিল। কিন্তু, ৰাষ্ট্ৰীয় ঘাইপথত সৃষ্টি হোৱা তীব্ৰ যান-জঁটৰ বাবে বহু বাহন সভাস্থলীত উপনীত হ'ব নোৱাৰিলে। ফলত, প্ৰিয় প্ৰধানমন্ত্ৰীক ওচৰৰ পৰা চোৱাৰ আৰু তেওঁৰ ভাষণ শুনাৰ আশা লৈ অহা বহু লোকৰ সপোন অধৰা হৈ ৰ'ল। এগৰাকী মহিলাই হতাশা প্ৰকাশ কৰি কয়, "আমি প্ৰধানমন্ত্ৰী মোডীক চাবলৈ ৰাতিপুৱা ১১ বজাত ঘৰৰ পৰা ওলাই আহিছিলোঁ। কিন্তু এই ভিৰ আৰু যান-জঁটৰ বাবে তেওঁৰ আঙুলি এটাও দেখা নহ'ল। বৰ্তমান ঘৰলৈ ঘূৰি যাবলৈ বাধ্য হৈছোঁ, আৰু বৰ দুখ লাগিছে।" আন এগৰাকী মহিলাই কয়, "মোডীজীক ওচৰৰ পৰা চোৱাৰ ইচ্ছা আছিল, কিন্তু গাড়ীৰ ভিৰৰ বাবে সভাস্থলীত যাব পৰা নাই। ভোক-তৃষ্ণাত থাকিবলগীয়া হৈছে, এতিয়া ঘৰলৈ ঘূৰি যোৱাৰ বাহিৰে উপায় নাই।" এজন বাছৰ চালকে জানায়, "বহুত বাহন একেলগে আহি পৰাৰ বাবেই এনে তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে। ইয়াত যান-বাহনৰ নিয়ন্ত্ৰণৰ বাবে পৰ্যাপ্ত আৰক্ষী নাই। প্ৰধানমন্ত্ৰী আহিবলৈ সাজু হৈছে, কিন্তু ইয়াৰ পৰা সভাস্থলী ২৩ কিলোমিটাৰ দূৰত। খোজকাঢ়ি যোৱা সম্ভৱ নহয়, আৰু গাড়ী এৰি থৈ যোৱাও সম্ভৱ নহয়।" নুমলীগড় শোধনাগাৰত উদ্বোধন হ'বলগীয়া বাঁহভিত্তিক বায়' ইথানল প্ৰকল্প ভাৰতৰ প্ৰথম এনে উদ্যোগ, যিয়ে পৰিৱেশ-বান্ধৱ জ্বালানীৰ ক্ষেত্ৰত নতুন মাইলৰ খুঁটি স্থাপন কৰিব। এই প্ৰকল্পৰ উদ্বোধনৰ পিছত প্ৰধানমন্ত্ৰীয়ে জনসভাত ভাষণ দি অসমৰ উন্নয়নৰ বিষয়ে নিজৰ দৃষ্টিভংগী ব্যক্ত কৰা কথা আছিল। কিন্তু, যান-জঁটৰ বাবে বহু লোকৰ এই সুযোগ হেৰুৱাৰ সম্ভাৱনাই সাধাৰণ ৰাইজৰ মাজত হতাশাৰ সৃষ্টি কৰিছে।

## অসমৰ বিকাশৰ গতি

ৰোধ কৰা অসম্ভৱ। দৰং জিলাৰ মঙলদৈত দেওবাৰে এক অনুষ্ঠানত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই দৃঢ় মন্তব্য প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মঙলদৈত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন কৰে। তেওঁ কৰুৱা-নাৰেংগী সংযোগী দলঙৰ আধাৰশিলা স্থাপনৰ লগতে দৰং মেডিকেল কলেজ, গুৱাহাটী ৰিং ৰোড আদি বহুকেইটা উচ্চাভিলাষী প্ৰকল্পৰ কামৰ আৰম্ভণি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই উপস্থিত ৰাইজক সম্বোধন কৰি কয়, "অসমৰ বিকাশৰ যাত্ৰা এতিয়া অপ্ৰতিৰোধ্য। কোনো শক্তিৰে এই গতি ৰখাব নোৱাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি অসমৰ বাবে ১৮, ৫৩০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ উপহাৰ লৈ আহিছে।" তেওঁ ৰাইজক উদ্দেশ্যি প্ৰশ্ন কৰি কয়, "কংগ্ৰেছৰ শাসনকালত কেতিয়াবা এদিনত এনে বিশাল পেকেজ অসমৰ বাবে আহিছিল নে?" এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সৈতে সাংসদ তথা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী কেশৱ মহন্ত আৰু অন্যান্য মন্ত্ৰী-বিধায়কসকল উপস্থিত আছিল। এই প্ৰকল্পসমূহে অসমৰ অৰ্থনৈতিক তথা সামাজিক উন্নয়নৰ পথত নতুন মাইলৰ খুঁটি স্থাপন কৰিব বুলি আশা কৰা হৈছে।

## মণিপুৰত আশা আৰু

সম্বোধন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "মণিপুৰৰ ভূমি আশা আৰু আকাংক্ষাৰ ভূমি। দুৰ্ভাগ্যজনকভাৱে এই সুন্দৰ অঞ্চলটোৰ ওপৰত হিংসাই ছাঁ পৰিছিল। কিছু সময়ৰ পূৰ্বে সাহায্য শিবিৰত বসবাস কৰা ক্ষতিগ্ৰস্তসকলক লগ পাইছিলো। তেওঁলোকক লগ পোৱাৰ পিছত মই নিশ্চিতভাৱে ক'ব পাৰো যে মণিপুৰত আশা আৰু বিশ্বাসৰ নতুন সূৰুয উদয় হৈছে।" ২০২৩ চনত মণিপুৰত মেইটেই জনগোষ্ঠী আৰু কুকি জনগোষ্ঠীৰ মাজত জাতিগত সংঘৰ্ষৰ সৃষ্টি হৈছিল। এই হিংসাত্মক ঘটনাত নিহত হৈছিল ২৫০ জনৰো অধিক লোক। দুয়োটা জনগোষ্ঠীৰ মাজত দীৰ্ঘদিনীয়া উত্তেজনা বিশেষকৈ ভূমি আৰু ৰাজহুৱা চাকৰিৰ প্ৰতিযোগিতাক কেন্দ্ৰ কৰিয়েই এই সংঘৰ্ষৰ সৃষ্টি হৈছিল। অধিকাৰ কৰ্মীসকলে স্থানীয় নেতাসকলকৰ ওপৰত ৰাজনৈতিক লাভৰ বাবে জাতিগত বিভাজন বৃদ্ধি কৰাৰ অভিযোগ উত্থাপন কৰিছে। চৰকাৰী তথ্য অনুসৰি ২০২৩ চনত প্ৰাৰম্ভিক হিংসাৰ সময়ত মণিপুৰত কেইবামাহো ধৰি ইণ্টাৰনেট সেৱা বন্ধ হৈ আছিল। সেই সময়তে প্ৰায় ৬০ হাজাৰ লোক ঘৰৰ পৰা স্থানান্তৰিত হৈছিল। অব্যাহত থকা উত্তেজনাৰ বাবে ৰাজ্যখনৰ হাজাৰ হাজাৰ বাসিন্দা এতিয়াও ঘৰলৈ উভতি যাব পৰা নাই। প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰে যে কেন্দ্ৰীয় চৰকাৰে হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হোৱা ৰাজ্যখনক পুনৰ নিয়মীয়া অৱস্থালৈ ঘূৰাই অনাৰ বাবে প্ৰচেষ্টা চলাইছে। "যিকোনো ঠাইতে উন্নয়ন হ'বলৈ শান্তি অতিকৈ প্ৰয়োজনীয় বস্তু। বিগত ১১ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ বহু সংঘাত আৰু বিবাদৰ সমাধান হৈছে। মানুহে শান্তিৰ পথ বাছি লৈ উন্নয়নক অগ্ৰাধিকাৰ দিছে। আমি সন্তুষ্ট যে শেহতীয়াকৈ পাহাৰ আৰু উপত্যকাত বিভিন্ন গোটৰ সৈতে চুক্তিৰ বাবে আলোচনা হৈছে। এইবোৰ ভাৰত চৰকাৰৰ প্ৰচেষ্টাৰ অংশ" শান্তি প্ৰতিষ্ঠা কৰাৰ লগতে আলোচনা, সন্মান, আৰু পাৰস্পৰিক বুজাবুজিক গুৰুত্ব দিও। প্ৰধানমন্ত্ৰীৰ ভাষণ উন্নয়নৰ ওপৰতে বেছি আছিল। ইম্ফলত নতুন বিমানবন্দৰ, নতুন ঘাইপথ, ৰেল আৰু পথ সংযোগ, জিৰিবামক ইম্ফলৰ সৈতে সংযোগ কৰাৰ ৰে'ল প্ৰকল্প, চিকিৎসা মহাবিদ্যালয় আদি। "আমি অতি সোনকালে বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হ'বলৈ ওলাইছো। এটা সময় আছিল যেতিয়া দিল্লীত লোৱা সিদ্ধান্তবোৰ ইয়াত উপনীত হ'বলৈ দশক দশক সময় লাগিছিল। আজি আমাৰ চুৰাচান্দপুৰ, আমাৰ মণিপুৰ দেশখনৰ বাকী অংশৰ সৈতে একেলগে আগবাঢ়িছে।" প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁৰ চৰকাৰে সমগ্ৰ দেশতে দৰিদ্ৰ লোকৰ বাবে পকী ঘৰ নিৰ্মাণৰ কথা ঘোষণা কৰিছে আৰু ইয়াৰ দ্বাৰা মণিপুৰেও লাভৱান হৈছে। ইতিমধ্যে ইয়াত প্ৰায় ৬০ হাজাৰ ঘৰ নিৰ্মাণ কৰা হৈছে, যাৰ ফলত হাজাৰ হাজাৰ পৰিয়ালক মৰ্যাদা আৰু নিৰাপত্তা দিয়া হৈছে। "বিগত বছৰত ১৫ কোটিতকৈ অধিক দেশবাসীয়ে বিশুদ্ধ খোৱা পানীৰ সুবিধা লাভ কৰিছে। মণিপুৰত ৭-৮ বছৰ আগলৈকে মাত্ৰ ২৫-৩০ হাজাৰ ঘৰত পাইপৰ যোগেদি পানী আহিছিল। আজি ইয়াত ৩.৫ লাখতকৈ অধিক ঘৰে টেপৰ পৰা পানীৰ সুবিধা লাভ কৰিছে" এই মন্তব্য কৰে প্ৰধানমন্ত্ৰী মোদীয়ে।

## হাগ্ৰামাক লাগে মাথোঁ ক্ষমতা,

শাসন হাগ্ৰামা মহিলাৰী নেতৃত্বত চলিছিল যদিও তেখেতে বি টি চিত শান্তিৰ বাতাবৰণ অনাৰ কথা ভবাৰ আহৰি যেন পোৱা নাছিল। হাগ্ৰামাক লাগে মাথোন ক্ষমতা। হাগ্ৰামাই বুজি নাপায় গণতন্ত্ৰ। এনেদৰে কয় ইউ পি পি এল দলৰ সভাপতি প্ৰমোদ বড়োৰ। আজি বি টি চিৰ ৪ নং যমদুৱাৰ সমষ্টিৰ পানৰোৱীত হেলিকপ্টাৰ যোগে আহি সমষ্টিটোৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী চৰণজিৎ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই দলৰ মুৰব্বী বড়োৱে আৰু কয় যে বি টি চিৰ এনে এক অস্থিৰ পৰিৱেশ আঁতৰাই ২০২০ চনত ইউ পি পি এল দলে সংকল্প লৈছিল বি টি চিত শান্তি ঘূৰাই আনিম। ইউ পি পি এল দলে আজি বি টি চিত শান্তি আনিবলৈ সক্ষম হল। জাতি জনগোষ্ঠীৰ মাজত হেৰাই যোৱা সমন্বয় ঘূৰাই আনিবলৈ সক্ষম হ'ল। উন্নয়ন প্ৰগতি আনিবলৈ সক্ষম হল। এয়াই পৰিৱৰ্তন। ইউ পি পি এল দল বি টি চিৰ শাসনত আহিলে বি টি চিত উচ্ছেদ চলিব, মাৰা মাৰি কাটা কাটি হ'ব আদি নানা ধৰণৰ কথা কৈছিল। কিন্তু বি টি চিত ইউ পি পি এল দলৰ শাসন আহিল। বিৰোধীৰ সকলো কথাৰ ওলোটা হল। বৰংঞ্চ ইউ পি পি এল দলৰ শাসনত বি টি চিত শান্তিৰ ধলহে নামি আহিছে। ইউ পি পি এল দল থকালৈকে বি টি চিত নচলে উচ্ছেদ, ঘৰ জ্বলালি, গোষ্ঠী সংঘৰ্ষ, দাদাগিৰি আদিকে ধৰি ধৰণৰ অপ্ৰীতিকৰ ঘটনা হবলৈ নিদিওঁ। বি টি চিত আজি চি শান্তি আহিছে সেই শান্তিক দীৰ্ঘস্থায়ী কৰাৰ বাবে সকলো জনগোষ্ঠীৰ লোকৰ সহযোগিতা কৰাৰ বাবে আহ্বান জনায়। ইউ পি পি এল দলৰ চৰকাৰৰ দিনত মাটিৰ পট্টা পৰা আৰম্ভ কৰি বহু আঁচনিৰে ৰাইজৰ হিতাৰ্থে কাম কৰা হল। বি পি এফ দিনত দুৰ্নীতি ভ্ৰাষ্টাচাৰৰ বাহিৰে ৰাইজৰ হিতাৰ্থে একোৱে কৰা নাছিল। বাকী দলবিলাকে কি কয় নকয় সেয়া আমাৰ কাৰণে একো ফেক্টৰ নহয় ৰাইজ আমাক মৰম দিব আৰু ইউ পি পি এল দলে একক সংখ্যাগৰিষ্ঠতাৰে বি টি আৰৰ পৰিষদীয় চৰকাৰ গঠন কৰাৰ বাবে সুযোগ দিব বুলি আত্মবিশ্বাসৰে সৈতে প্ৰকাশ কৰে। নিৰ্বাচনী সভাত কোকৰাঝাৰ লোক সভাৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে কয় যে - ৰাইজ আপোনালোকে বি পি এফ দলৰ ১৭ বছৰীয়া শাসন দেখিছিল কিমান অশান্তি আছিল। ইউ পি পি এলৰ দিনত শান্তি, প্ৰগতি, সমন্বয়ৰ শাসন হল। এয়াই বি পি এফ আৰু ইউ পি পি এল দলৰ পাৰ্থক্য। এতিয়া নিৰ্বাচনৰ বতৰ বহু দলৰ নেতাসকল আহি নানটা ডায়লক মাৰিব। তেনে আভুৱাভাৰা ডায়লক বাজি কথা কানসাৰ নিদিবলৈ আহ্বান জনায়। সাংসদ গৰাকীয়ে সমষ্টিবাসী ৰাইজক যমদুৱাৰত ইউ পি পি এল দলৰ বিজয় নিচান উৰুৱাই দিবলৈ আহ্বান জনায়। যমদুৱাৰ সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী চৰণজিৎ বসুমতাৰীৰ সপক্ষে অনুষ্ঠিত হোৱা নিৰ্বাচনী প্ৰচাৰ সভাত প্ৰায় তিনি সহস্ৰাধিক লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। আনহাতে বি টি চিৰ ৫ নং শৰাইবিল সমষ্টিতো। ইউ পি পি এল দলৰ প্ৰাৰ্থী ৰাজু কুমাৰ নাৰ্জাৰীৰ সপক্ষে ইউ পি পি এল দলৰ মুৰব্বী প্ৰমোদ বড়ো, সাংসদ জয়ন্ত বসুমাতাৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলাই ইউ পি পি এল দলৰ প্ৰাৰ্থী নাৰ্জাৰীৰ পক্ষত মাৰবান্ধি থিয় দিয়াৰ বাবে আহ্বান জনায়। নিৰ্বাচনী সভাখনত বি পি এফ দলৰ শাসনত কেনে অৱস্থাত আছিল সেই কথা সমূহ উনুকিয়াই দিয়ে আৰু ইউ পি পি এল দলৰ শাসনত বি টি চিত কেনেকুৱা অৱস্থাত আছে সেই কথা উপলব্ধি কৰাৰো আহ্বান জনায়। শৰাইবিল সমষ্টিতো ইউ পি পি পি এল দলৰ বিজয় নিচান উৰুৱাই শৰাইবিল সমষ্টিৰ উন্নয়ন প্ৰগতি, শান্তি বুটলি আনিবলৈ আহ্বান জনায়। নিৰ্বাচনী প্ৰচাৰ সভাত প্ৰায় পাঁচ সহস্ৰাধিক লোক উপস্থিত আছিল। নিৰ্বাচনী প্ৰচাৰ সভাত বিধায়ক জিৰণ বসুমাতাৰী, প্ৰাক্তন এম চি এল এ ৰেওৰেওৱা নাৰ্জিহাৰী, ইউ পি পি এল দলৰ সোমনাথ বসুমতাৰী উপস্থিত আছিল।

## গৌৰৱ গগৈৰ 'ব্ৰিটিছ

মন্তব্য কৰি মিত্ৰতাৰ প্ৰশ্নত কঠোৰ স্থিতি গ্ৰহণ কৰিছে। শনিবাৰে সন্ধিয়া তিতাবৰ পাব্লিক ক্লাৱত ৰাইজৰ দলৰ এক যোগদান কাৰ্যসূচীত অংশ লৈ তেওঁ কংগ্ৰেছৰ সৈতে মিত্ৰতাৰ সম্ভাৱনাৰ বিষয়ে স্পষ্ট কথা ক'বলৈ গৌৰৱ গগৈক আহ্বান জনায় আৰু বিজেপিৰ বিৰুদ্ধেও তীব্ৰ সমালোচনা কৰে। অখিল গগৈয়ে কয়, "গৌৰৱ গগৈয়ে মিত্ৰতাৰ বিষয়ত স্পষ্ট কথা ক'ব লাগে। তেওঁৰ ব্ৰিটিছ বা আমেৰিকান ষ্টাইলৰ কূটনীতি অসমত নচলিব। মিত্ৰতা হ'ব নে নহয়, তাক স্পষ্টকৈ কওক। অসমীয়া মানুহে স্পষ্ট আৰু প্ৰত্যক্ষ কথা ভাল পায়। যদি কংগ্ৰেছৰ সৈতে মিত্ৰতা নহয়, তেন্তে আমি ৰাইজৰ দলৰ পৰা অকলেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ কথা ভাবিম। গৌৰৱ গগৈয়ে আমাক বিভ্ৰান্ত কৰি ৰাখিব নোৱাৰে। এদিন তেওঁ নিজেই ইয়াৰ পৰিণাম বুজি পাব।" কংগ্ৰেছৰ প্ৰতি সমালোচনাৰ লগতে অখিল গগৈয়ে বিজেপিকো তীব্ৰভাৱে আক্ৰমণ কৰে। তেওঁ কয়, "বিজেপি এটা বৰ্ণবাদী দল, যিয়ে ভাৰত আৰু অসমত ব্ৰাহ্মণ্যবাদ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। তেওঁলোকে নিম্ন বৰ্ণৰ মানুহৰ অধিকাৰক কেতিয়াও স্বীকৃতি নিদিয়ে। মুখ্যমন্ত্ৰীৰ সৈতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়ে আলোচনাৰ কথা কেৱল মিছা প্ৰতিশ্ৰুতি। এই দাবী পূৰণৰ বাবে বিশাল জন-আন্দোলন আৰু অৰ্থনৈতিক অৱৰোধৰ দৰে পদক্ষেপৰ প্ৰয়োজন, কেৱল চতুৰ মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাৰে জনজাতিকৰণ সম্ভৱ নহয়।" মুখ্যমন্ত্ৰীৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আন্দোলনত বিজেপিৰ সদস্যৰ উপস্থিতিৰ দাবীক কটাক্ষ কৰি অখিল গগৈয়ে কয়, "যদি বিজেপিৰ লোকে এই আন্দোলনত অংশ লৈছে আৰু তেওঁলোকে মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰিছে, তেন্তে মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰা উচিত।" গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সংযোগৰ অভিযোগৰ বিষয়ে তেওঁ কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছে। বিৰোধী দলক দমন কৰাৰ বাবে তেওঁ এনে অভিযোগ উত্থাপন কৰিছে। হিমন্ত বিশ্ব শৰ্মাই কৈছিল যে ১০ ছেপ্টেম্বৰত গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সংযোগৰ প্ৰমাণ দাখিল নকৰিলে তেওঁ পদত্যাগ কৰিব। কিন্তু সেই প্ৰমাণ ক'ত? মুখ্যমন্ত্ৰীয়ে এই বিষয়ে উত্তৰ দিয়ক।" তিতাবৰৰ যোগদান কাৰ্যসূচীত প্ৰায় দুই শতাধিক যুৱক-যুৱতীৰ লগতে কংগ্ৰেছৰ কেইবাগৰাকী কৰ্মীয়ে ৰাইজৰ দলত যোগদান কৰে। এই কাৰ্যসূচীৰ জৰিয়তে ৰাইজৰ দলে উজনি অসমত নিজৰ শক্তি প্ৰদৰ্শনৰ লগতে আগন্তুক নিৰ্বাচনৰ বাবে প্ৰচাৰ তীব্ৰতৰ কৰিছে।

## ডিব্ৰুগড় প্ৰেছ ক্লাবৰ 'আমাৰ আলহী' অনুষ্ঠানত বিশিষ্ট চাহ বিশেষজ্ঞ উদ্ধৱ চন্দ্ৰ শৰ্মা




**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰ ঃ** চাহ উদ্যোগৰ সকলো অংশীদাৰৰ পৰা এক সামগ্ৰিক আৰু সৰ্বাংগীণ দৃষ্টিভংগীৰ জৰুৰী প্ৰয়োজন আছে, যাতে প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হৈ আহিবলগীয়া শতিকাসমূহৰ বাবে অসমৰ চাহ উদ্যোগ আগবাঢ়িব পাৰে। বিশিষ্ট চাহ খেতিয়ক, বিশেষজ্ঞ উদ্ধৱ চন্দ্ৰ শৰ্মাই 'সংকট আৰু প্ৰত্যাৱৰ্তন - ভাৰতৰ চাহ উদ্যোগৰ ভৱিষ্যৎ' -শীৰ্ষক বক্তৃতা প্ৰদান কৰি এই মন্তব্য প্ৰদান কৰে। ডিব্ৰুগড় প্ৰেছ ক্লাবে তেওঁলোকৰ 'আমাৰ আলহী' শৃংখলাৰ অধীনত ডিব্ৰুগড়ৰ ডি আৰ ডি এ কমপ্লেক্সৰ জাগৃতি প্ৰেক্ষাগৃহত আজি এই অনুষ্ঠানৰ আয়োজন কৰিছিল। শীৰ্ষস্থানীয় চাহ উৎপাদনকাৰী কোম্পানী ৱাৰেন টি লিমিটেডৰ কাৰ্য্যবাহী সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা শৰ্মাই কয় যে চাহ উদ্যোগ, বিশেষকৈ অসমৰ দুশ বছৰীয়া পুৰণি চাহ উদ্যোগ আজি বাগিচাৰ পৰা নিলামলৈ আৰু উৎপাদনৰ পৰা বিপণনলৈকে বিবিধ ক্ষেত্ৰৰ পৰা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তথাপি এনে নহয় যে উদ্যোগটোৱে প্ৰত্যাৱৰ্তন কৰিব নোৱাৰে, ইয়াৰ বাবে সকলো অংশীদাৰ আৰু টি বৰ্ড তথা কেন্দ্ৰীয় আৰু চাহ উৎপাদনকাৰী ৰাজ্য চৰকাৰৰ পৰা এক শক্তিশালী সামগ্ৰিক দৃষ্টিভংগীৰ প্ৰয়োজন বুলি তেখেতে উল্লেখ কৰে। ভাৰতত চাহৰ ব্যৱহাৰ কম। চাহৰ কম শতাংশ ব্যৱহাৰক লৈ উদ্বেগ প্ৰকাশ কৰি শৰ্মাই কয় যে দেশৰ জনসাধাৰণৰ মাজত, বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত চাহৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ জৰুৰী প্ৰয়োজন আছে। শৰ্মাই প্ৰজেক্টৰৰ জৰিয়তে বৰ্তমান অসমৰ চাহ উদ্যোগৰ সংকট আৰু প্ৰত্যাৱৰ্তনৰ ওপৰত বিস্তৃতভাৱে ভাষণত বৰ্ণনা কৰে। অনুষ্ঠানত উপস্থিত থাকি প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘটোৱাৰে কয় যে চাহ উদ্যোগক জীয়াই তুলিবলৈ চৰকাৰৰ কৰণীয় বহুত আছে। সময় থাকোঁতেই চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰিলে অসমত এক ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। বৰ্তমান অসমৰ কেঁচা চাহপাতৰ সমস্যা, ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যাক লৈ ভাৰতীয় চাহ বৰ্ডৰ ভূমিকা পুতৌজনক বুলি ঘটোৱাৰে অভিহিত কৰে। উপস্থিত চাহ বিশেষজ্ঞ অমিতাভ ফুকনেও চাহ উদ্যোগৰ বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰে। অসম চাহ কৰ্মচাৰী সংঘ (এচিকেএছ)ৰ সাধাৰণ সম্পাদক ৰিষভ কলিতাই চাহ উদ্যোগৰ উন্নয়নৰ বাবে এক সুকীয়া মন্ত্ৰণালয়ৰ পোষকতা কৰে। অনুষ্ঠানত অসম ৰাজ্যিক ভাৰতীয় চাহ মজদুৰ সংঘৰ সভাপতি অশোক ওৰাং, ক্ষুদ্ৰ চাহ খেতিয়ক, আছা, এটিটিএছএৰ প্ৰতিনিধি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাহ প্ৰযুক্তিবিদ্যা বিভাগৰ ছাত্ৰ-ছাত্ৰী, গণমাধ্যমকৰ্মী আৰু বিভিন্ন ক্ষেত্ৰৰলোক এই অনুষ্ঠানত উপস্থিত থাকে। বক্তৃতাৰ পিছত এক প্ৰশ্ন উত্তৰ শিতানত শৰ্মাই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সভাপতিত্ব কৰে ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক মানস জ্যোতি দত্তই আৰু আঁত ধৰে সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে।

**বৰগীত, ভোৰতাল, সত্ৰীয়া নৃত্যৰ মনোজ্ঞ অনুষ্ঠানে মুগ্ধ কৰিলে দৰ্শকক**

## গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত গেৰুৱাত অনুষ্ঠিত ভাওনা সমাৰোহত দৰ্শকৰ ভিৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত ভাওনা সমাৰোহত দৰ্শকৰ বিপুল ভিৰ পৰিলক্ষিত হৈছে। যোৱা নিশা বাঘজাপৰ এটি নাট্য দলে মৎস্য অৱতাৰ নামৰ ভাওনাখনি মঞ্চস্থ কৰাৰ পাছত আজি ২য়টো দিনাও পুৱাৰ পৰা অনুষ্ঠিত হয় বিভিন্ন কাৰ্যসূচী। দিনৰ ভাগত অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীতো আজি ছাত্ৰ-ছাত্ৰী আৰু দৰ্শকৰ যথেষ্ট ভিৰ পৰিলক্ষিত হয়। আবেলি দুই বজাৰ পৰা অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পী সকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। সাংস্কৃতিক অনুষ্ঠানত পদৰ্শিত বিশেষকৈ গজালি সংগীত বিদ্যালয় আৰু গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পদৰ্শন কৰা ভোৰতাল নৃত্য, মৰিগাঁৱৰ শিশু শিল্পী টুপাল কাশ্যপ ডেকাৰ খোল বাদন, গেৰুৱা বালিকা মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী সকলৰ দিহা নাম, সত্ৰীয়া নৃত্য, অলকা ডেকা বৰদলৈৰ বৰগীত, পুৱালি ডেকাই পৰিবেশন কৰা সুধাকণ্ঠৰ কালজয়ী গীতৰ অনুষ্ঠানে দৰ্শক সকলক মুগ্ধ কৰে। উল্লেখ্য যে আজি নিশা মঞ্চস্থ হ'ব দুখনকৈ আকৰ্শনীয় অংকীয়া নাট আৰু ভাওনা। ৰাম বিজয় নামৰ অংকীয়া নাটখন মঞ্চস্থ কৰিব শ্ৰীমন্ত শংকৰ দেৱ সংঘ গেৰুৱা আঞ্চলিকৰ শিল্পী সকলে। আজি মঞ্চস্থ হব লগা 'কুমৰ হৰণ' ভাওনা খনি মঞ্চস্থ কৰিব লখিমপুৰ জিলাৰ নাৰায়ন পুৰৰ চক্ৰপানী নাট্যগোষ্ঠীৰ শিল্পী সকলে।




## তিনিচুকীয়াত কবি, লেখক বিকাশজ্যোতি শইকীয়াৰ 'তথ্য বিচিত্ৰ' উন্মোচন

**অসম বাৰ্তা, তিনিচুকীয়া, ১৪ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়াৰ বৰগুৰিস্থিত ৰুণজুন গেষ্ট হাউচত বিশিষ্ট কবি, লেখক বিকাশজ্যোতি শইকীয়াৰ 'তথ্য বিচিত্ৰ' শীৰ্ষক গ্ৰন্থ মংগলবাৰে উন্মোচন কৰা হয়। বিশিষ্ট কবি অৰুণজ্যোতি তাঁতীয়ে আঁতধৰা অনুষ্ঠানটিত বিভিন্ন আমোদজনক তথ্যৰে সন্নিৱিষ্ট 'তথ্য বিচিত্ৰ' উন্মোচন কৰে কবি, নিবন্ধকাৰ তথা শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ জুনিয়ৰ কলেজৰ অধ্যক্ষ ভূষণজ্যোতি সন্দিকৈয়ে। সদৌ মৰাণ ছাত্ৰ সন্থা, তিনিচুকীয়া আঞ্চলিক সমিতিৰ সৌজন্যত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানটোত মটক স্বায়ত্ত শাসিত পৰিষদৰ সদস্য দীপজয় শইকীয়া, অৱসৰপ্ৰাপ্ত বেংক পৰিচালক জীৱন দত্ত, সমাজকৰ্মী শৰৎ দাস, তিনিচুকীয়া আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ সভাপতি দেৱজিৎ চুতীয়া, সাধাৰণ সম্পাদক হোমেন চুতীয়া, বিভিন্ন দল-সংগঠনৰ সদস্যৰ লগতে চহৰখনৰ গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। কিশোৰ-কিশোৰী আৰু আগ্ৰহীজনৰ বাবে প্ৰস্তুত কৰি উলিওৱা গ্ৰন্থখন কেৱল কিশোৰ-কিশোৰী বুলি নহয় সকলো বয়সৰ লোকৰ বাবেই উপযোগী বুলি উন্মোচনী ভাষণত ভূষণজ্যোতি সন্দিকৈয়ে উল্লেখ কৰে। পঢ়োৱৈ সমাজে এই গ্ৰন্থ খনি আদৰি ল'ব বুলি আশা প্ৰকাশ কৰিছে লেখক বিকাশজ্যোতি শইকীয়াই।

## চৰাইদেউৰ বৰহাটত বিয়াৰ প্ৰলোভনেৰে দৈহিক সম্পৰ্কৰে নাবালিকাক অন্তঃসত্ত্বা কৰা যুৱক আটক

**অসম বাৰ্তা, বৰহাট, ১৪ ছেপ্টেম্বৰ ঃ** চৰাইদেউ জিলাৰ বৰুৱাছালি মৌজাৰ অন্তৰ্গত বৰহাট আৰক্ষী থানা অধীনৰ টিয়কীয়া গাঁৱত এগৰাকী ১৬ বছৰীয়া নাবালিকাক বিয়াৰ প্ৰলোভনেৰে দীৰ্ঘদিন ধৰি অসৎ চৰিতাৰ্থ পূৰণ কৰাৰ ফলত বৰ্তমান নাবালিকা গৰাকী পাঁচ মহীয়া গৰ্ভৱতী বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণি মতে নাবালিকা গৰাকীৰ একে গাঁৱৰে লক্ষ্যজ্যোতি গগৈ নামৰ ত্ৰিশ বছৰীয়া অবিবাহিত যুৱকজনে এগৰাকী ১৬ বছৰীয়া নাবালিকাক বিভিন্ন প্ৰলোভনেৰে বিয়া কৰাম বুলি দীৰ্ঘদিনৰ পৰা নিজৰ অসৎ চৰিতাৰ্থ পূৰণ কৰাৰ উপৰিও আনকি নাবালিকা গৰাকীৰ মাক দেউতাকৰ অজ্ঞাতে যুৱক জনে এটা মোবাইল ফোন কিনি দিছিল। লক্ষ্যজ্যোতিয়ে বিভিন্ন সময়ত নাবালিকা গৰাকীৰ ঘৰলৈ সঘনে অহা যোৱা কৰাৰ উপৰিও বিভিন্ন সময়ত নাবালিকা গৰাকীক দোকান, বজাৰ আদি ঠাই সমূহলৈ ফুৰাবলৈও নিছিল। প্ৰাপ্ত তথ্য মতে মাজে সময়ে নাবালিকা গৰাকীৰ দৈনিক হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া দেউতাকৰ সৈতে বহি মদ আদি ৰাগীয়াল দ্ৰব্যৰ জুতি লৈছিল। ভুক্তভোগী নাবালিকা গৰাকী বৰ্তমান পাঁচ মাহৰ গৰ্ভৱতী। নাবালিকা গৰাকীৰ পৰিয়ালে এই বিষয়ে জানিব পাৰি যোৱা ইংৰাজী ১১ ছেপ্টেম্বৰৰ দিনা স্থানীয় বৰহাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীৰ ওচৰত মৌখিকভাৱে অভিযোগ দিয়ে। বৰহাট আৰক্ষী থানাৰ নৱনিযুক্ত ভাৰপ্ৰাপ্ত বিষয়া নৱ কুমাৰ দাসে নাবালিকা গৰাকীৰ পৰিয়ালৰ পৰা মৌখিক অভিযোগ পোৱা মাত্ৰকে অভিযোগৰ আঙুলি উঠা লক্ষ্যজ্যোতি গগৈক বিচাৰি আৰক্ষী বাহিনী লগত লৈ টিয়কীয়া গাঁৱত থকা লক্ষ্যজ্যোতিৰ গৃহত উপস্থিত হয় যদিও যুৱক জনক ঘৰত নাপায়। যুৱকজনৰ পৰিয়ালৰ মাক আৰু পৰিয়ালৰ অন্যান্য সকলক লক্ষ্যজ্যোতিক থানাত নি হাজিৰ কৰাবৰ বাবে কৈ আহে যদিও মূৰকত ১২ চেপ্তেম্বৰ তাৰিখলৈকে যুৱকজন থানাত সাজিলে হোৱাৰ পৰিবৰ্তে আত্মগোপন কৰে। ইতিমধ্যে যোৱা ইংৰাজী ১২ চেপ্তেম্বৰৰ আবেলি দুই বজাত নাবালিকা গৰাকীৰ মাকে লক্ষ্যজ্যোতি গগৈৰ বিৰুদ্ধে আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে Pocso আইনৰ অধীনত ৩১৮ ক্লজ, ৪/৬৫ ক্লজ, ১ বি এন এছ ৬ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰে। উল্লেখ্য কৰা প্ৰয়োজন ভাৰপ্ৰাপ্ত বিষয়া নৱ কুমাৰ দাসে তৎপৰতাৰে ১৩ তাৰিখৰ আবেলি চাৰি বাজি পঞ্চল্লিছ বজাত অভিযুক্ত লক্ষ্যজ্যোতি গগৈক ঘৰৰ পাছ ফালৰ চাহ বাগিচাৰ মাজত লুকাই থকা ঠাইত বিচাৰি উলিয়াই খেদি খেদি আটক কৰি আজি ইংৰাজী ১৩ চেপ্তেম্বৰ আদালতত হাজিৰ কৰোৱাই জেল-হাজোতলৈ প্ৰেৰণ কৰে। অন্যহাতেদি নাবালিকা গৰাকীক চিকিৎসাৰ ওচৰত পৰীক্ষা কৰোৱায়। উল্লেখ্য কৰা প্ৰয়োজন দীৰ্ঘ দিনৰ পৰা বৰহাট অঞ্চলৰ বিভিন্ন গাঁৱত অবৈধ মদ, ভাং আদি ৰাগীয়াল দ্ৰব্য নৱ প্ৰজন্মৰ মাজত ভীষণ ভাৱে প্ৰয়োভৰ ঘটিছে। সচেতন অংশটোৱে ৰাগীয়াল দ্ৰব্য মদ, ভাং আদি অবাধ প্ৰচলনৰ ফলস্বৰূপেও এনে ধৰণৰ অসামাজিক কাৰ্য সমূহ দিনক দিনে বৃদ্ধি হ'ব ধৰিছে বুলি অভিযোগ উত্থাপন কৰিছে।

## চেলেংহাটত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যোৰহাট জিলা শাখাৰ গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ

**অসম বাৰ্তা, আমগুৰি, ১৪ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৭ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। চেলেং আঞ্চলিক শাখাৰ নামঘৰত আঞ্চলিক শাখাৰ আতিথ্য আৰু ব্যৱস্থাপনাত অহা ১৭ আৰু ১৮ আহিন(৪ আৰু ৫ অ''াবৰ) তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চেলেংহাটৰ কলীয়াপানীস্থিত আঞ্চলিক নামঘৰত অনুষ্ঠিত হ'ব গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ। অনুষ্ঠানৰ কাৰ্যসূচী অনুযায়ী ১৭ আহিন শনিবাৰে পুৱা ৫ বজাত প্ৰাতঃপ্ৰসঙ্গ, পুৱা ৬ বজাত পৰিবেশ নিকাকৰন, পুৱা ৭ বজাত গছপুলি ৰোপণ কাৰ্যসূচী পালন কৰা হ'ব। সেইদৰে পুৱা ৭ঃ৩০ বজাত তোৰণ উন্মোচন কৰা হ'ব। উন্মোচন কৰিব লাহিং জিলা পৰিষদৰ সদস্য ৰাজেন গগৈয়ে। পুৱা ৮ বজাত শিশু, আই-মাতৃ কল্যাণ শাখাৰ দ্বাৰা সামূহিক নাম প্ৰসংগ অনুষ্ঠিত হ'ব। নাম পৰিচালনাৰ দায়িত্বত থাকিব যোৰহাটৰ অভিশ্ৰান্ত হাজৰিকা। পুৱা ১০ঃ৩০ বজাত শিশু, আই-মাতৃ যুৱ সমাৰোহ। সভাপতিত্ব কৰিব যোৰহাট জিলা শিশু, আই-মাতৃ কল্যাণ শাখাৰ সভানেত্ৰী বিজুমণি দত্তই। সমাৰোহৰ শুভ উদ্বোধন কৰিব কেন্দ্ৰীয় সেৱা বাহিনীৰ প্ৰাক্তন সংস্কৃতি উপ-সচিব কৃষ্ণ কিঙ্কৰ খাটনিয়াৰে, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব মূলৰ সদস্য মন মাওট। বশিষ্ঠ অতিথি হিচাপে জিতেন শইকীয়া, প্ৰদীপ ভৰালী, কৃষ্ণ বৰুৱা, ফুনু বৰা গগৈ। সন্ধ্যা ৬ বজাত চেলেং আঞ্চলিক শাখা সেৱা বাহিনীৰ দ্বাৰা নাম প্ৰসংগ। সন্ধ্যা ৭ বজাত সাংস্কৃতিক মঞ্চ উন্মোচন কৰিব যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়াই। নিশা ৭ঃ৩০ বজাত প্ৰথম দিনৰ অন্তিম কাৰ্যসূচী আঞ্চলিক শাখাৰ সেৱা বাহিনীৰ দ্বাৰা "ৰাম বিজয়" অঙ্কীয়া নাট প্ৰদৰ্শন কৰা হ'ব। সেইদৰে ১৮ আহিন দেওবাৰে পুৱা ৫ঃ৩০ বজাত প্ৰাতঃপ্ৰসঙ্গ, ৬ বজাত সেৱা বাহিনীৰ দ্বাৰা পৰিবেশ নিকাকৰন। পুৱা ৯ বজাত পতাকা উত্তোলন। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈ উত্তোলকৰ দায়িত্ব পালন কৰিব। পুৱা ৯: ৩০ বজাত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হ'ব। পুৱা ১০ বজাত সামূহিক নাম প্ৰসংগ। পুৱা ১১ বজাত পৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা সভাপতি মুকুল গগৈৰ সভাপতিত্বত ধৰ্মালোচনী সভা। সভাৰ উদ্বোধন কৰিব শৰণ সদস্য ডম্বৰুধৰ বৰুৱাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব নাৰায়ণপুৰৰ চন্দন কোঁৱৰ। বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব অসম চিকিৎসা মহাবিদ্যোলয়ৰ স্ত্ৰী ৰোগ বিভাগৰ মুৰব্বী অধ্যাপক তথা বিশিষ্ট কবি ডাঃ প্ৰনয় ফুকন। বিশিষ্ট অতিথি হিচাপে খগেন ফুকন, মুকুল বৰুৱা, বিশ্বজ্যোতি গগৈ, অজিত বৰা, নীলমণি দত্ত (আটাইকেইজন মূলৰ সদস্য) আৰু বিধায়ক ৰূপজ্যোতি কূৰ্মী উপস্থিত থাকিব। আবেলি ৫ বজাত পতাকা অৱনমণৰ জৰিয়তে গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱৰ সামৰণী পৰিব বুলি উদযাপন সমিতিৰ তৰফৰ পৰা জানিবলৈ দিয়ে। উদযাপন সমিতিৰ তৰফৰ পৰা মহোৎসৱৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

## সচিবৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীলৈ ৱাৰ্ড সদস্যৰ অভিযোগ

**অসম বাৰ্তা, ডবকা, ১৪ ছেপ্টেম্বৰ ঃ** বিন্নাকান্দি সমষ্টিৰ অকচেক পথাৰ গাঁও পঞ্চায়তৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ 2022-2023-24 বৰ্ষৰ কামত পঞ্চায়ত সচিব মাতাব উদ্দিনে কৰা দুৰ্নীতি সন্দৰ্ভত ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীলৈ তদন্ত বিচাৰি আবেদন দাখিল কৰে অকচেক পথাৰ গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডৰ সদস্য কমৰুল ইছলামে। অভিযোগ অনুসৰি অকচেক পথাৰ গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে 2022-2023-24 বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ কামত কৰা ব্যাপক দুৰ্নীতিয়ে চৰকাৰী ধনৰ অপচয় হৈছে। উল্লেখ্য যে চামৰালী তিনিআলী হাইস্কুলত মেৰামতিৰ নামত মুঠ আৱণ্টিত ২, ২০, ০০০ (দুই লাখ বিশ হাজাৰ) টকাৰ পুঁজিৰ অনুমোদন হৈছে কিন্তু ৫০/৬০ হাজাৰ টকাৰ কাম কৰি বাকী সমুদায় টকা আত্মসাৎ কৰা বুলি তেওঁ অভিযোগত উল্লেখ কৰিছে। একেদৰে পঞ্চায়তৰ বিল্ডিং নিৰ্মাণ আৰু চিলিংৰ কাম পূৰ্বেও এক আঁচনিত আছিল কিন্তু সচিব গৰাকীয়ে পুনৰ প্ৰাক কলন বিধি অনুসৰি বিল্ডিংৰ কাম কৰি চিলিংৰ কাম নকৰি পুনৰাই 2023-24 বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ ধনৰ পৰা চিলিংৰ নামত ১, ৪৬, ৫০০ টকা আৱণ্টন কৰে। উক্ত আৱণ্টিত টকাৰ ৫০, ০০০ টকাৰ কাম কৰি বাকী সমুদায় টকা আত্মসাৎ কৰা অভিযোগ উত্থাপন কৰে। মুঠতে পঞ্চায়তৰ সচিব গৰাকীয়ে দুৰ্নীতিৰ এক পাহাৰ গঢ়ি তুলাৰ অভিযোগ উঠাইছে। পঞ্চায়ত সচিব গৰাকীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰণ শাখাৰ দ্বাৰা তদন্তৰ দাবী জনাই নিৰ্বাচিত ৱাৰ্ড সদস্যই অভিযোগ দাখিল কৰে।

## লাওখোৱাত মৃতদেহ উদ্ধাৰ, চাঞ্চল্য

**অসম বাৰ্তা, ৰূপহীহাট, ১৪ ছেপ্টেম্বৰ ঃ** লাওখোৱাৰ বনগাঁৱত আজি ৰাতিপুৱা এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি পুৱাৰ ভাগত স্থানীয় ৰাইজে পুখুৰীত এটা মৃহদেহ প্ৰত্যক্ষ কৰি হুৱাদুৱা লগাই আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা মৃতদেহটো নিজ লাওখোৱাৰ বিটু মণ্ডল বুলি চিনাক্ত কৰিছে। মৃতদেহটোৰ শৰীৰত আঘাতৰ চিন স্পষ্ট। আজি পুৱাৰ ভাগত মৃতহোৱা বিটু মণ্ডলক শ্বপন বিশ্বাসৰ লগত চাইকেলে যোৱা স্থানীয় ৰাইজে দেখা পাইছিল। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পাতাললৈ প্ৰেৰণ কৰাৰ লগতে শ্বপন বিশ্বাসক আটক কৰি জেৰা অব্যাহত ৰাখিছে।

## দুলীয়াজানত দ্বিতীয় বাৰ্ষিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ 'ৰ'মেনছ চেলেঞ্জ কাপ'ৰ সন্দৰ্ভত পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, দুলীয়াজান, ১৪ ছেপ্টেম্বৰ ঃ** ইউনাইটেড ৰ'মেনচ এফ চিৰ উদ্যোগত আৰু অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত দ্বিতীয় বাৰ্ষিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতা "ৰ'মেনছ চেলেঞ্জ কাপ" খনি অহা ডিচেম্বৰ মাহৰ তৃতীয় সপ্তাহত দুলীয়াজান নেহৰু ময়দানত ব্যাপক প্ৰস্তুতিৰে আয়োজন কৰিবলৈ লোৱা হৈছে। এই প্ৰতিযোগিতাখনি সৰ্বাংগসুন্দৰ ভাবে অনুষ্ঠিত কৰিবৰ বাবে এখনি পৰিচালনা সমিতি গঠনৰ উদ্দেশ্যে কালি বিয়লি দুলীয়াজান মিডিয়া চেণ্টাৰত ৰাজহুৱা সভা আয়োজন কৰা হয়। ইউনাইটেড ৰ'মেনচ এফ চিৰ সভাপতি পুতুল সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত সভাখন আঁত ধৰে দুলীয়াজান ফুটবল ক'চিং চেণ্টাৰৰ সম্পাদক ভৰেন চাংমাই-য়ে। এই সভাতে সৰ্বসন্মতিক্ৰমে মুখ্য উপদেষ্টা হিচাপে শংকৰজ্যোতি বৰুৱা, উপদেষ্টা বিশেশ্বৰ গগৈ আৰু অসীম হাজৰিকা, মুখ্য সমন্বয়ক হিচাপে কৰুণজ্যোতি শইকীয়া, সভাপতি আদিত্য গোস্বামী, কাৰ্যকৰী সভাপতি পৰাগ গগৈ, উপ সভাপতি ক্ৰমে বিভূতি বৰুৱা, প্ৰশান্ত তামোলী, বুলবুল গগৈ, ৰাজীৱ চেতিয়া, সম্পাদক হিচাপে কৃষ্ণা কাংকান, যুটীয়া সম্পাদক হেমা সোণোৱাল, সহ-সম্পাদক ক্ৰমে ইন্দুকমল আৰন্ধৰা, ইৰানী গগৈ, অৰ্চনা দত্ত, কোষাধ্যক্ষ লোহিত গগৈ, কাৰিকৰী বিভাগত অকণমান সোণোৱাল, জিতু চেত্ৰী, ভূপেন গগৈ আৰু প্ৰচাৰ বিভাগত দুলীয়াজান প্ৰেছ ক্লাব আৰু সন্মিলত সাংবাদিক মঞ্চক লগত লৈ দ্বিতীয় বাৰ্ষিক "ৰমেনছ চেলেঞ্জ কাপ"ৰ শক্তিশালী পৰিচালনা সমিতিখন গঠন কৰা হয়। আগন্তুক সময়ত এই পৰিচালনা সমিতিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মহিলা ফুটবল প্ৰতিযোগিতাখনি আয়োজনৰ সন্দৰ্ভত গঠনমূলক সিদ্ধান্ত গ্ৰহণ কৰিব।

**গোপন বৈঠকৰ পাছতে সংবাদমেল বিৰোধী ফৈদৰ**

## চামগুৰি কংগ্ৰেছত চিৰাল ফাট

### ৫০ হেজাৰ মানুহৰ সমাগমেৰে ৰকিবুলৰ বিৰুদ্ধে কৰিব শক্তি প্ৰদৰ্শন

**অসম বাৰ্তা, ৰূপহীহাট, ১৪ ছেপ্টেম্বৰ ঃ** নিৰ্বাচনলৈ আৰু মাত্ৰ কেইটামান মাহ থকা সময়তে নৱগঠিত চামগুৰি সমষ্টিত সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনৰ বিৰুদ্ধে ক্ষোভৰ জোৱাৰ উঠিছে। উপ-নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী হৈ বিজেপিৰ যুৱ নেতা দিপ্লুৰঞ্জন শৰ্মাৰ ওচৰত ধৰাশায়ী হৈ বিধ্বস্ত হৈ পৰা তাঞ্জিল হুছেইনক আগন্তুক ২০২৬ চনৰ নিৰ্বাচনত প্ৰাৰ্থীত্ব দিয়াৰ বিৰুধীতাৰে যোৱা কালি প্ৰবীন-নবীন কংগ্ৰেছীসকলে এক গোপন বৈঠক কৰিছিল। ৰকিবুল হুছেইনৰ দুৰ্গ বুলি পৰিচিত চামগুৰিখন নতুনকৈ গঠন হোৱাৰ পিছতে ৰাজনৈতিক সমীকৰন সলনি হৈ পৰিছে। ৰাজনীতিৰ ন্যূনতম জ্ঞান নথকা সৌ সিদিনাৰ লৰা তাঞ্জিল ৰকিবুল হুছেইনে পুনৰ কংগ্ৰেছ প্ৰাৰ্থী কৰাৰ উমান পায়েই কংগ্ৰেছৰ মাজত ফাট মেলাটো স্পষ্ট হৈ পৰিছে। কালি ৰূপহী ৰাজীৱ ভৱনত গড়াজান, ভকতগাঁও জিলা পৰিষদৰ সদস্যসকলে এক সভা অনুষ্ঠিত কৰাৰ বিপৰীতে একে সময়তে ৰূপহীৰ জ্ঞান বিকাশ বিদ্যাপীঠত আন এখন সভা বিসংবাদী কংগ্ৰেছীয়ে অনুষ্ঠিত কৰি তাঞ্জিলৰ বিৰোধিতাত ঐক্যমতত উপনীত হয়। তাঞ্জিলক প্ৰাৰ্থীত্ব দিয়াটো নিবিচৰাৰ উদ্দেশ্যে গোপন সভাত চামগুৰিৰ কেইবাগৰাকী অধ্যাপক, শিক্ষাবিদ, ব্যৱসায়ী, চিকিৎসক, সমাজ কৰ্মী আদিয়ে ৰণকৌশল প্ৰস্তুতত নামি পৰাত নৱ গঠিত চামগুৰিত কংগ্ৰেছ দলটো দুই শিবিৰত বিভক্ত হৈ পৰিছে। উল্লেখ্য যে চামগুৰিত কংগ্ৰেছ দলে ৮ টাকৈ আঞ্চলিক পঞ্চায়তত জয় লাভ কৰিছিল যদিও সাংসদ ৰকিবুলৰ ৰহস্যজনক হস্তক্ষেপৰ বাবেই কংগ্ৰেছৰ সদস্যসকলে বিজেপিক সমৰ্থন কৰি আঞ্চলিক পঞ্চায়ত গঠন কৰিছিল। ইফালে উক্ত গোপন বৈঠকখনৰ সৈতে নুৰুল হুদা নাম সাঙুৰি একাংশ সংবাদ মাধ্যমত বাতৰি সম্প্ৰচাৰিত হোৱাৰ পিছতে আজি ৰূপহী কলেজৰ সমীপত অসন্তুষ্ট কংগ্ৰেছীসকলে সংবাদমেল আয়োজন কৰি মুকলিকৈ ৰকিবুল হুছেইনে অদক্ষ পুত্ৰ তাঞ্জিলক প্ৰাৰ্থীত্ব দিয়াৰ সিদ্ধান্ত বাতিলৰ হুংকাৰ দিয়ে। ৰূপহী ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰহমত উল্লাহ, অধিবক্তা শ্বাহিদুৰ ৰহমান, অধ্যাপক আনোৱাৰ হুছেইনকে ধৰি কেইবাগৰাকী নেতাই আয়োজন কৰা সংবাদমেলত সাংসদ ৰকিবুল হুছেইনক আহ্বান জনায় যে আপুনি চামগুৰিত এজন যোগ্য ব্যক্তিক প্ৰাৰ্থীত্ব দিয়ক আমি আদৰণি জনাম। লগতে সংবাদমেলত নেতাসকলে কয় যে কালিৰ বৈঠকৰ সৈতে বিধায়ক নুৰুল হুদাৰ কোনো সম্পৰ্ক নাই, নুৰুল হুদাক আমি আদৰ্শ বুলি ভাৱো। সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ ৰাজনৈতিকভাৱে এতিয়াও পৰিপক্ক হোৱা নাই সেয়ে কংগ্ৰেছৰ সৰ্বস্তৰৰ নেতা-কৰ্মীসকলে তাঞ্জিলৰ বিৰোধিতা কৰা বুলি সংবাদমেলত অসন্তুষ্ট নেতাসকলে ব্যক্ত কৰে। ইফালে তাঞ্জিল বিৰোধী কংগ্ৰেছী সকলে অতি শীঘ্ৰেই ৫০ হাজাৰৰো অধিক লোকৰ সমাগম ঘটাই বিকল্প প্ৰাৰ্থী বিচাৰি এক সমাৰেশৰ জৰিয়তে শক্তি প্ৰদৰ্শন কৰিব বুলিও জানিব পৰা গৈছে। লক্ষণীয় কথাটো হল দীপ গগৈৰ পৰা আৰু আৰম্ভ কৰি প্ৰয়াত তৰুণ গগৈ, গৌৰৱ গগৈলেকে ৰাজনৈতিক ভাৱে সহায়ৰ হাত আগবঢ়োৱা ৰকিবুল হুছেইনৰ সৈতে বৰ্তমান কংগ্ৰেছ সভাপতি অতিকৈ ঘনিষ্ঠ। সেয়ে ৰকিবুল বিৰুদ্ধে গৈ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈয়ে চামগুৰিৰ দৰে হাইপ্ৰফাইল সমষ্টিৰ এই নিমিলা সমীকৰন কি দৰে সমাধান কৰে সেয়া সময়ত লক্ষণীয় হ'ব।

## মাৰ্ঘেৰিটাত জনজাতিকৰণ, স্বায়ত্ত্ব শাসন প্ৰদানৰ দাবীত টাই আহোম যুৱ পৰিষদৰ অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা বিশেষ, জাগুন, ১৪ ছেপ্টেম্বৰ ঃ** আহোম জনগোষ্ঠীক বছৰ বছৰ ধৰি প্ৰতাৰণা কৰি অহাৰ প্ৰতিবাদত আজি টাই আহোম জনগোষ্ঠীৰ লোক সকলক পুনৰ সৰৱ হৈ পৰা দেখা গল মাৰ্ঘেৰিটাত। কংগ্ৰেছ চৰকাৰেই হওক বা বৰ্তমানৰ শাসনাধিষ্ঠিত বিজেপি চৰকাৰেই হওক কোনো এখন চৰকাৰেই আহোম জনগোষ্ঠীটোৰ ন্যায্য দাবী সমূহ সমাধান কৰাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ নকৰাত আজি পুনৰ টাই আহোম যুৱ পৰিষদ (টাইপা)ৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত টাইপা আৰু টাই আহোম মহিলা পৰিষদৰ মাৰ্ঘেৰিটা সমজিলা সমিতিৰ উদ্যোগত আজি উত্তৰ মাৰ্ঘেৰিটা ৰঙ্গমঞ্চত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰা দেখা যায়। উত্তৰ মাৰ্ঘেৰিটা ৰঙ্গ মঞ্চত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে টাইপা আৰু টাইপাৰ মহিলা পৰিষদ সমজিলা সমিতিৰ উদ্যোগত অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ যোগেদি ছয় জনগোষ্ঠীক অতি শীঘ্ৰে অনুসূচীত জনজাতিৰ মৰ্য্যদা প্ৰদানৰ দাবী জনায়। অৱস্থান ধৰ্মঘট কাৰ্যসুচী ৰূপায়ণ কৰি টাই আহোম সকলক শীঘ্ৰেই অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ লগতে স্বায়ত্ত পৰিষদ গঠন কৰাৰ দাবী জনায়। বিশেষকৈ কংগ্ৰেছ আৰু বৰ্তমানৰ বিজেপি চৰকাৰে ছয় জনজাতিক অনুসূচীতজন জাতিৰ মৰ্য্যদা প্ৰদানৰ নামত কেৱল ৰাজনীতি কৰি আহিছে বুলি অভিযোগ তুলি ২০২৬ৰ বিধান সভা নিৰ্বাচনৰ পূৰ্বে আহোম জনগোষ্ঠীয়ে অনুসূচীত জনজাতিৰ মৰ্যাদা নাপালে ভোট প্ৰদান নকৰে বুলিও সকিয়াই দিয়ে চৰকাৰক। আনহাতে ২০২৬ৰ নিৰ্বাচনৰ আগতে যদি অনুসূচীত জনজাতিৰ মৰ্যাদা লাভ নকৰে তেন্তে জনগোষ্ঠীটোৰ তৰফৰ পৰা এই আন্দোলনৰ ধাৰা অব্যাহত থাকিব বুলি উল্লেখ কৰি অনাগত দিনৰ এলানি আন্দোলনৰ কাৰ্যসূচীৰ বিষয়েও সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে।

## বৰমাৰাত এছ এছ ষ্ট্ৰাষ্টৰ উদ্যোগত চিত্ৰাংকন, কুইজ, সাধু কোৱা প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্ত, চেঁচা, ১৪ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰমাৰাৰ পিএমশ্ৰী বি কে বি বি হাইস্কুলত আজি অনুষ্ঠিত হৈ যায় চিত্ৰাংকন, কুইজ আৰু সাধু কোৱা প্ৰতিযোগিতা। এছ এছ ষ্ট্ৰাষ্ট, অসমৰ উদ্যোগত আৰু বি কে বি বি হাইস্কুলৰ সহযোগত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাখনত প্ৰথম স্থান লাভ কৰে পঞ্চম শ্ৰেণীৰ আলমিনা বেগম, দ্বিতীয় স্থান লাভ কৰে পঞ্চম শ্ৰেণীৰ আমিনা বেগম আৰু তৃতীয় স্থান লাভ কৰে পঞ্চম শ্ৰেণীৰ আৰজিনা পাৰবিনে। আনহাতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হোৱা কুইজ প্ৰতিযোগিতাখনত প্ৰথম স্থান লাভ কৰে দশম শ্ৰেণীৰ ইমামুল হুছেইন, চাহিনুৰ ৰহমান আৰু আচিক আলীৰ দলে। কুইজ প্ৰতিযোগিতাখনত দ্বিতীয় পুৰস্কাৰ লাভ কৰে ষষ্ঠ শ্ৰেণীৰ আচিফ খান, ৰাচিদুল আলী, ৰবিয়াল আলী আৰু তৃতীয় স্থান লাভ কৰে দশম শ্ৰেণীৰ জেচমিনা বেগম, মাচুমা ইয়াচমিন আৰু মঞ্জুৱাৰা বেগমৰ দলে। সাধু কোৱা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে দশম শ্ৰেণীৰ জেচমিনা বেগম, দ্বিতীয় পুৰস্কাৰ দশম শ্ৰেণীৰ মাচুমা ইয়াচমিন আৰু তৃতীয় পুৰস্কাৰ পঞ্চম শ্ৰেণীৰ আৰজিনা পাৰবিনে লাভ কৰে। প্ৰতিযোগিতাসমূহ শেষ হোৱাৰ পাছত বিদ্যালয়খনৰ সভাকক্ষত অনুষ্ঠিত হয় বঁটা বিতৰণী সভা। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি জেহেৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাখনৰ আঁত ধৰে সমাজসেৱক মামুল আলীয়ে। সভাখনৰ উদ্দেশ্য আৰু আদৰণী ভাষণ প্ৰদান কৰে এছ এছ ষ্ট্ৰাষ্টৰ মুখ্য ন্যাসৰক্ষী ড°হাফিজুৰ ৰহমানে। ড° ৰহমানে এছ এছ ষ্ট্ৰাষ্টৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা উল্লেখ কৰি সমাজৰ পৰা বৰবিহ সদৃশ ড্ৰাগছ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ৰাইজে মাৰবান্ধি থিয় হ'ব লাগিব বুলি মন্তব্য কৰে। শিশুসকলক মোবাইল চোৱাৰ পৰা আঁতৰাই ৰাখিবলৈও অভিভাৱকসকলক আহ্বান জনায় ড° হাফিজুৰ ৰহমানে। সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি ভাষণ প্ৰদান কৰে ৯৭ নং বৰমাৰা গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সভাপতি আমিনা খাতুনে। সভাখনত সন্মানীয় অতিথি হিচাপে অৱসৰপ্ৰাপ্ত শিক্ষক চাহজাহান আলী, বি কে বি বি হাইস্কুলৰ প্ৰধান শিক্ষক মকবুল খান, স্থানীয় গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি চহিদুল আলী, ৯৭ নং বৰমাৰা গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত উপ সভাপতি আফ্ৰুজা বেগম, এছ এছ ষ্ট্ৰাষ্টৰ সদস্য ইফতিয়াৰ জাহান, বৰমাৰা গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সদস্যসকলকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে।

## সানেকুছিত আয়ুৰ্বেদিক মেডিকেল অৰগেনাইজেছনৰ উদ্যোগত স্বাস্থ্য সজাগতা আৰু বিনামূলীয়া চিকিৎসা

**অসম বাৰ্তা, বাহাৰঘাট, ১৪ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত সানেকুছি পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুল প্ৰাংগনত আজি আয়ুৰ্বেদিক মেডিকেল অৰগেনাইজেছন, (এ এম ও)অসমৰ উদ্যোগত এটি স্বাস্থ্য সজাগতা আৰু বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। পুৱা দহবজাত অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ প্ৰধানশিক্ষক গিৰীন্দ্ৰ দেৱ শৰ্মাই উদ্বোধন কৰা শিবিৰটোত চিকিৎসক হিচাবে অংশগ্ৰহণ কৰি ডাঃ চক্ৰেশ্বৰ হালৈ, ডাঃ নয়ন মণি মালাকৰ, ডাঃ বন্দনা শৰ্মা, ডাঃহেমেন কুমাৰ শৰ্মাই ছাত্ৰছাত্ৰীকে ধৰি কেইবাশতাধিক ৰোগীক চিকিৎসা কৰি নিদানপত্ৰ দিয়াৰ লগতে পৰ্য্যপ্ত পৰিমাণে ওষধৰো যোগান ধৰে। শিবিৰটো পৰিচালনা কৰাত এ এন এম শিল্পীশিখা দাস, ফাৰ্মাচিষ্ট ভাস্কৰ বৰ্মন, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী বিকাশ দাস, পূৰবী চৌধুৰীকে ধৰি কেইবাজনো স্বাস্থ্য কৰ্মীয়ে সহযোগ কৰে। চিকিৎসা শিবিৰটোৰ লগতে আয়োজন কৰা স্বাস্থ্য সজাগতা সভাত সমল ব্যক্তি হিচাবে ডাঃ বন্দনা শৰ্মাই আয়ুৰ্বেদ চিকিৎসা আৰু ইয়াৰ ঔষধ সমূহ সেৱন কৰাৰ বিভিন্ন দিশৰ ওপৰত বিশ্লেষণ কৰে। উল্লেখ্য যে অহা ২৩ চেপ্তেম্বৰত সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস ২০২৫ উদ্‌যাপন কৰিব। ইয়াৰ লগত সংগতি ৰাখি এ এম ও অসমে আজিৰে পৰা এলানি স্বাস্থ্য সজাগতা আৰু বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰিছে। শিবিৰটোৰ আৰম্ভণিতে ভাৰত মাতা আৰু আয়ুৰ্বেদ চিকিৎসাৰ উপাস্য দেৱতা ধন্মাত্ত্বৰিৰ প্ৰতিচ্ছবি বন্তি প্ৰজ্বলন কৰে।

### টাই আহোমক জনজাতিকৰণ, স্বায়ত্বশাসন প্ৰদানত বিলম্ব

# মিছলীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসম ভ্ৰমণৰ বিৰোধিতাৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী




**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৪ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰাকক্ষণত আজি গোলাঘাট নগৰৰ মাজ মজিয়াৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত টাই আহোমকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণ আৰু টাই আহোমক স্বায়ত্ব শাসন প্ৰদানৰ বিলম্ব কৰাৰ প্ৰতিবাদত প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ বিৰোধিতাৰে আজি টাইপা কেন্দ্ৰীয় সমিতিৰ আহ্বানত টাইপা গোলাঘাট জিলা সমিতি আৰু টাই আহোম মহিলা পৰিষদ, অসম গোলাঘাট জিলা সমিতিয়ে সমগ্ৰ অসমৰ লগতে গোলাঘাট জিলাতো দুই শতাধিক ৰাইজৰ উপস্থিতত এক বিশাল অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্মঘট কাৰ্যসূচীত অংশ গ্ৰহণ কৰি টাইপাৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক শোভন কোঁৱৰে কয় টাই আহোমকে ধৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু টাই আহোমক স্বায়ত্ব শাসন প্ৰদানৰ দীঘলীয়া আন্দোলনখনক চৰকাৰে প্ৰতাৰণা কৰি বিগত নিৰ্বাচনসমূহত কংগ্ৰেছ, এজিপিয়েই হওক, বিজেপিয়েই হওক ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰি নিৰ্বাচনী বৈতৰণী পাৰ কৰি চৰকাৰ গঠন কৰি আহিছে। ২০১৯ চনৰ ৯ জানুৱাৰীত ৰাজ্যসভাত উত্থাপন হোৱাৰ পাছত জনজাতিকৰণ বিধেয়কখন কিয় থমকি ৰৈ গ'ল, ইয়াৰ উত্তৰ লাগে আমাক। গতিকে ইয়াৰ বিৰুদ্ধে টাই আহোমে জনগোষ্ঠীয়ে আহি থকা দিন বিলাকত শাসনাধীস্থ চৰকাৰৰ বিৰুদ্ধে এলানি আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰে প্ৰথম কাৰ্যসূচী হিচাপে যোৱা ৪ জানুৱাৰীত জনতা ভৱন ঘেৰাও, অমিত শ্বাহ অসম ভ্ৰমণৰ বিৰোধিতাৰে কলা পতাকা প্ৰদৰ্শন, গোলাঘাটৰ লগতে প্ৰতি জিলা, মহকুমা সদৰতে মিছলীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ, ক'লা পতাকা প্ৰদৰ্শন কাৰ্যসূচী হাতত লোৱা হয় বুলি কোঁৱৰে কয়। টাইপা গোলাঘাট জিলা সমিতি আৰু টাই আহোম মহিলা পৰিষদ, অসম, গোলাঘাট জিলা সমিতিৰ শতাধিক যুৱক আৰু মহিলাই 'ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰক প্ৰদান কৰক', 'টাই আহোমক স্বায়ত্ব শাসন প্ৰদান কৰক', 'মিছলীয়া নৰেন্দ্ৰ মোদী মুৰ্দাবাদ', 'নৰেন্দ্ৰ মোদী গ' বেগ', 'মিছলীয়া জুৱেল ওৰাম মুৰ্দাবাদ', 'হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ', 'বিজেপি চৰকাৰ হায় হায়', 'ভাৰত চৰকাৰ হায় হায়', 'অসম চৰকাৰ হায় হায়', 'বিজেপি চৰকাৰ গ' বেগ', 'NO ST NO VOTE, NO ST NO REST', 'টাই আহোম জিন্দাবাদ', 'টাইপা পেঅং লে পেঅং লে', 'TAYPA LONG LIVE', আদি শ্লোগানেৰে গোলাঘাট নগৰ উত্তাল কৰি তোলে। আজিৰ কাৰ্যসূচীত টাইপা কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক চাও শোভন কোঁৱৰ, কাৰ্যনিৰ্বাহ সদস্য অৰূপ গগৈ, মহিলা সমিতিৰ উপদেষ্টা ড° তৰালী গগৈ, সহকাৰী সম্পাদিকা দীপ শিক্ষা বুঢ়াগোহাঁই, জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ভাৰত গগৈ, সম্পাদক মুকুন্দ গগৈ, তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি তিলোচন বুঢ়াগোহাঁই, উপ-সভাপতি ভীমকান্ত বুঢ়াগোহাঁই, কাৰ্যনিৰ্বাহ সদস্য মাইনা ফুকন, প্ৰকৃতিপ্ৰেমী তথা জেষ্ঠ সাংবাদিক অপূৰ্ব বল্লভ গোস্বামী, সাংবাদিক সন্থাৰ সভাপতি তথা টাইপাৰ উপদেষ্টা ৰোহিত গগৈ, চুতীয়া ছাত্ৰ সন্থাৰ জিলাৰ সভাপতি পাপু শইকীয়া, কৃষক মুক্তি সংগ্ৰাম সমিতি সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতৰ সভাপতি পিণ্টু গগৈ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সাংগঠনিক সম্পাদক পাৰ্থ গগৈ, নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন প্ৰাক্তন সম্পাদক হেমন্ত গগৈ, যুটীয়া সম্পাদক অভিলাচ বৰা, টাইপাৰ জিলা আৰু আঞ্চলিক সমিতিৰ সদস্য আৰু টাই আহোম মহিলা পৰিষদ, অসমৰ সদস্যাসকল উপস্থিত থাকে।

### বৰ্ষীয়ান নৃত্যশিল্পী ৰবীন দাসক 'শংকৰী কৃষ্টি সাধনা বঁটা'

# খাগৰিজান মহাবিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য আলোচনা সভা সম্পন্ন

## শংকৰদেৱ সমগ্ৰ ভাৰতীয় জাতিৰেই গুৰু - ড° সঞ্জীৱ বৰকাকতি

**অসম বাৰ্তা, নগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ কেৱল সংস্কৃতি সাহিত্যৰ ক্ষেত্ৰতে জড়িত নহয়। তেওঁ বৃহত্তৰ অসমীয়া সমাজখনকেই গঢ়ি থৈ গৈছে। কিন্তু অসমৰ মানুহে শংকৰদেৱৰ বিষয়ে যিমান জানিব লাগে, বিশেষভাবে নাজানে বা জানিব নিবিচাৰে। গুৰুজনাৰ বিশাল ব্যক্তিত্বৰ বিষয়ে জানিবলৈ নৱ প্ৰজন্মই অধ্যয়ন কৰিব লাগিব। এই মন্তব্য বিশিষ্ট শংকৰী কলা কৃষ্টিৰ সাধক, গৱেষক ড° সঞ্জীৱ বৰকাকতিৰ। আজি নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য আলোচনা সভাত বিশিষ্ট আলোচক হিচাপে উপস্থিত থকা বিশিষ্ট গৱেষক গৰাকীয়ে নিজৰ ভাষণ প্ৰসঙ্গত সকলো উঠি অহা প্ৰজন্মক মহাপুৰুষ শংকৰদেৱৰ বিষয়ে পঢ়িবলৈ অনুৰোধ জনাই কয় যে শংকৰদেৱ প্ৰকৃততে ভাৰতীয় জাতিৰ গুৰু। শংকৰদেৱে অসমীয়া সংস্কৃতিতেই ধৰি ৰখা নাই, তেওঁ সমগ্ৰ ভাৰতীয় সংস্কৃতিয়েই ধৰি ৰাখিছে। শংকৰদেৱৰ ওচৰত সমগ্ৰ ভাৰতীয় জাতিটোৱেই ঋণী। নিজৰ বিশ্লেষণাত্মক ভাষণ প্ৰসঙ্গত ড° বৰকাকতীয়ে মহাত্মা গান্ধীৰ বক্তব্য উত্থাপন কৰি লগতে কয় যে, "মহাত্মা গান্ধীয়ে যি ৰাম ৰাজ্য গঠনৰ সপোন দেখিছিল, সেই ৰাম ৰাজ্য অসমত ধমহাপুৰুষধ শংকৰদেৱে বহু বছৰৰ আগতেই কৰি গৈছিল।" আজি নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত, নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত তথা অসমীয়া সাহিত্য সন্মিলনীৰ কলংপাৰ মহিলা শাখাৰ বদন্যতাত শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য আলোচনা সভাখন দিনযোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈ যায়। অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলা শাখাৰ সম্পাদিকা নিজৰা শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা আৰু অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলা শাখাৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাখন নিজৰা শইকীয়াৰ এটি ঘোষা আৰু কৰৱী শইকীয়াৰ এটি বৰগীতেৰে শুভাৰম্ভ কৰা হয়। আজিৰ অনুষ্ঠানত মুখ্য আলোচক হিচাপে উপস্থিত থাকি তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে অসমীয়া সাহিত্য সন্মিলনীৰ ৰাজ্যিক সভাপতি, শংকৰ অধ্যয়নৰ বিশিষ্ট গৱেষক ড° মুকুল চক্ৰৱৰ্তীয়ে। ড° চক্ৰৱৰ্তীয়ে গুৰু চৰিত্ৰৰ ওপৰত বিশদভাৱে মননশীল বক্তব্য আগবঢ়াই কয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এক বৈজ্ঞানিক দৃষ্টিভংগী আছিল। আনগৰাকী বক্তা বৰমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডঃ অচ্যুত শইকীয়াই শংকৰদেৱৰ জীৱন আদৰ্শৰ ওপৰত গীতে মাতে এক সুন্দৰ ভাষণ প্ৰদান কৰে। আজিৰ অনুষ্ঠানত দ্বিজেন্দ্ৰ নাথ হাজৰিকাই কবিতা পাঠ, ড° শ্যামলীই বৰগীতৰ এটি কলি গোৱাৰ লগতে মামনি শৰ্মা ভট্টাচাৰ্য্যই ভক্তিমুলক এটি গীত আৰু বিৰিঞ্চি বৰাই গীত পৰিৱেশন কৰে। হৰিণাক্ষী হাজৰিকাই এটা দৃষ্টিনন্দন নৃত্য পৰিৱেশন কৰি উপস্থিত ৰাইজক মন্ত্ৰমুগ্ধ কৰে। অসমীয়া সাহিত্য সন্মিলনী নগাঁও জিলা শাখাৰ প্ৰাক্তন সভাপতি ডাঃ কৃষ্ণ বৰা, অসমীয়া সাহিত্য সন্মিলনীৰ মুকুল বৰা উপস্থিত থকা আজিৰ অনুষ্ঠানতে সাহিত্য সন্মিলনীৰ উদ্যোগত প্ৰকাশিত মাহিলী নামৰ "ত্ৰৈমাসিক" ক্ষুদ্ৰ আলোচনীখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ নাথে। ইফালে আজিৰ সভাত বৰ্ষীয়ান নৃত্যশিল্পী ৰবীন দাসক 'শংকৰী কৃষ্টি সাধনা বটা' প্ৰদান কৰাৰ কথা আছিল যদিও তেওঁৰ অসুস্থতাৰ বাবে তেওঁৰ ঘৰতেই অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলা সমিতিয়ে এই বটা প্ৰদান কৰে।

# দিচাংমুখৰ ড° বি আৰ আম্বেদকাৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ নৱাগত আদৰণি সভা

**অসম বাৰ্তা, দিচাংমুখ, ১৪ ছেপ্টেম্বৰ ঃ** দিচাংমুখত ২০১০ চনতে প্ৰতিষ্ঠা লাভ কৰা ড° বি আৰ আম্বেদকাৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ নৱাগত আদৰণি সভাখন আজি দিনজোৰা কাৰ্যসূচীৰে শিক্ষাবিদ মনেশ্বৰ মিলিৰ সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে ড° বি আৰ আম্বেদকাৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ পৰিচালনা সমিতিৰ সভানেত্ৰী বিদ্যা পাতিৰিয়ে। বন্তি প্ৰজ্বলন কৰে অধ্যক্ষ শচীন্দ্ৰ মিলিয়ে। প্ৰাচীৰ পত্ৰিকা "প্ৰেৰণা" উন্মোচন কৰে বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ড° সীমান্ত বৰুৱাই। নৱাগত ছাত্ৰ-ছাত্ৰীৰ চিনাকি পৰ্ব উদ্বোধন কৰে ড° বি আৰ আম্বেদকাৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ প্ৰতিষ্ঠাপক ও মুখ্য পৃষ্ঠপোষক পোনাৰাম মিলিয়ে। সভাত পৰিচালনা সমিতিৰ উপ-সভাপতি অমিৰঞ্জন পাংগিং, সমাজকৰ্মী থানুৰাম মিলি, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ঘনশ্যাম শৰ্মা, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সদৌ ভাৰত অনুসূচীত জাতি-জনজাতি কৰ্মচাৰী কল্যাণ সন্থাৰ কাৰ্যকৰী সভাপতি ডেম্বিৰাম পাংগিং, অসম জনজাতি সাংস্কৃতিক মহাসভাৰ মুখ্য সম্পাদক সূৰুজ কুমাৰ পাতিৰি, মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৩৪ নং দিচাং-দিখৌ সমষ্টিৰ সাধাৰণ সদস্যা নিভা পেগু মিলি, জ্যেষ্ঠ সাংবাদিক ৰজনীকান্ত পাংগিং, টিএমপিকেৰ জিলা সমিতিৰ অনুপম য়েইনে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰা নৱাগত সভাত শিক্ষক-শিক্ষয়িত্ৰী দীপা দাস, ৰেণুকা গগৈ, ৰাজু মিলি, ৰূপম শৰ্মা, অনামিকা মিলি, কাতিৰাম মিলি, দীপেন মিলি, বিউতি মিলি আদি উপস্থিত থাকে।

### সভাপতি শেৱালি নেওগ বৰা, পাপুল গগৈক সম্পাদকৰ দায়িত্ব

# তিনিচুকীয়াত 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ সতীৰ্থ সন্মিলন সম্পন্ন

**অসম বাৰ্তা, তিনিচুকীয়া, ১৪ ছেপ্টেম্বৰ ঃ** অসমীয়া সাহিত্য জগতলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে চুটিগল্পই। কিন্তু আজি কোনোবাখিনিত চুটিগল্পৰ চৰ্চা, পাঠক, লিখক কমি অহাৰ উপক্ৰম হৈছে। আনহাতে নৱপ্ৰজন্মৰ মাজত চুটিগল্পৰ কোনো চৰ্চা হোৱা নাই। তেনে এক প্ৰেক্ষাপটত চুটিগল্পৰ প্ৰচাৰ-প্ৰসাৰ, পাঠক-লেখক সৃষ্টি কৰা, নৱপ্ৰজন্মক এইক্ষেত্ৰত আগুৱাই নিয়াৰ লক্ষ্য-উদ্দেশ্যে অসমত নতুনকৈ গঠিত 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ শুক্ৰবাৰে চতুৰ্থখন সতীৰ্থ সন্মিলন তিনিচুকীয়া জিলাৰ বৰগুৰিস্থিত সৰ্বজনীন পূজা মন্দিৰৰ সভাগৃহত অনুষ্ঠিত হয়। উক্ত সন্মিলনত চুটিগল্পৰ পৃথিৱী, অসমৰ সৈতে জড়িত তিনিচুকীয়া জিলাৰ সমূহ বিষয়-ববীয়া তথা চুটিগল্প অনুৰাগীসকলৰ লগত মত বিনিময় কৰি তিনিচুকীয়া জিলা সমিতি আনুষ্ঠানিকভাৱে গঠন কৰা হয় আৰু এই মঞ্চত সদস্যৰ পঞ্জীয়ন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট লেখক-সাহিত্যিক অতুল চন্দ্ৰ শৰ্মাই। সন্মিলনত চুটিগল্পৰ বৈশিষ্ট্য, আমাৰ কৰণীয় সম্পৰ্কে আমন্ত্ৰিত অতিথিসকলে মন্তব্য আগবঢ়ায়। চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মালবিকা গগৈ কাকতিয়ে ব্যক্তিগত অভিজ্ঞতাৰ বিষয়ে আলোকপাত কৰি চুটিগল্পৰ সৃষ্টিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সচেতনতা আনিবলৈ সক্ষম হৈছে বুলি মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানত সদ্যপ্ৰয়াত লেখিকা, সমাজসেৱীকা দীপ্তি সন্দিকৈৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, চুটিগল্প সংকলনৰ সম্পাদিকা পূৰৱী বৰুৱা ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সন্মিলনখনিত কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা ডিম্বেশ্বৰ কোঁৱৰ, মুখ্য সম্পাদক ৰণ্টু ৰঞ্জন কলিতা, সংকলনৰ সহকাৰী সম্পাদক তৰুদি বৰা, তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক মালবিকা দাস হাজৰিকা, কাকপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী দীপ্তি দত্ত কলিতা, পঞ্জাৱ নেছনেল বেংক তিনিচুকীয়া শাখাৰ অৱসৰপ্ৰাপ্ত প্ৰবন্ধক তথা সাহিত্যিক অতুল চন্দ্ৰ শৰ্মা, মাকুম কলেজৰ সহকাৰী অধ্যাপক বিশ্বজ্যোতি বৰুৱাসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত শেৱালি নেওগ বৰাক সভাপতি, পাপুল গগৈক সম্পাদক হিচাবে লৈ ৪১ জনীয়া এখন সমিতি আনুষ্ঠানিকভাৱে গঠন কৰা হয়। চুটিগল্পৰ পৃথিৱী, অসমৰ তিনিচুকীয়া জিলা সমিতিক কেন্দ্ৰীয় নেতৃত্বই শুভেচ্ছা জনোৱাৰ লগতে সমিতিখনে আগন্তুক দিনত প্ৰতিটো কাৰ্যসূচী সুচাৰুভাৱে পালন কৰি যাবলৈ আহ্বান জনায়। এই অনুষ্ঠানটি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত নৱগঠিত সমিতিৰ সভাপতি-সম্পাদকে সকলোৰে সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ কামনা কৰিছে।

# নাজিৰাত 'টাইপা'ৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, নামতি, ১৪ ছেপ্টেম্বৰ ঃ** ছয় জনগোষ্ঠীক জনজাতি কৰণ আৰু টাই আহোম স্বায়ত্ব পৰিষদ গঠনৰ দাবীত 'টাই আহোম যুৱ পৰিষদ, অসম'ৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে আজি সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে নাজিৰাতো 'টাইপা'ৰ নাজিৰা মহকুমা সমিতিয়ে ধৰ্ণা - অৱস্থান ধৰ্মঘট কাৰ্য্যসূচী ৰূপায়ণ কৰে। নাজিৰা নগৰৰ মাজমজিয়াস্থ চৰকাৰী সাহায্যপ্ৰাপ্ত চিকিৎসালয়ৰ কাষত সংগঠনটোৱে অৱস্থান ধৰ্মঘট কাৰ্য্যসূচী ৰূপায়ণ কৰি মৰিলেও মৰি যাম, জনজাতিকৰণ লৈ যাম, বিজেপিৰ প্ৰতাৰণা বন্ধ কৰক, ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰক, টাই আহোম স্বায়ত্ব পৰিষদ গঠন কৰক, ন' এছ টি ন' ভোট, ন' এছ টি ন' ৰিষ্ট, বি জে পি প্ৰৱঞ্চক হায় হায়, হিমন্ত বিশ্ব শৰ্মা মূৰ্দাবাদ, নৰেন্দ্ৰ মোদী মূৰ্দাবাদ অমিত শ্বাহ মূৰ্দাবাদ আদি বিভিন্ন প্ৰতিবাদী ধৰ্ণাৰে উত্তাল কৰি তোলে অঞ্চলটোৰ বাতা - বৰণ। পিছত ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা আৰু উন্নয়নৰ দিশত পিছপৰি ৰোৱা টাই আহোম জনগোষ্ঠী লোকসকলৰ দ্ৰুত উন্নয়নৰ বাবে শীঘ্ৰেই গোলাঘাট, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি আৰু লক্ষিমপুৰ জিলাক ক্ষেত্ৰীয় অঞ্চল হিচাপে অন্তভূক্ত কৰি আৰু বিশ্বনাথ, শোণিতপুৰ, মৰিগাঁও, নগাঁও, কামৰূপ আৰু কাৰ্বিআংলং জিলাৰ আহোম অধ্যুষিত অঞ্চলসমূহ উপগ্ৰহীয় পদ্ধতিত সংযুক্ত কৰি টাই আহোম স্বায়ত্ব পৰিষদ গঠন কৰাৰ দাবীত অসমৰ মুখ্যমন্ত্ৰীলৈ এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। টাইপাৰ নাজিৰা মহকুমা সমিতিৰ সভাপতি অসীম ৰঞ্জন বুঢ়াগোঁহাই, কাৰ্যকৰী সভাপতি বিমান গগৈ আৰু যুটীয়া সম্পাদক ৰিদিপ গগৈৰ স্বাক্ষৰত নাজিৰা সমজিলা আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰদান কৰা স্মাৰক পত্ৰখনত উক্ত দাবী ক্ষিপ্ৰ আৰু বিহীত ব্যৱস্থা গ্ৰহণ নকৰিলে পৰৱৰ্তী সময়ত ব্যাপক গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে।

# চাৰিদিনীয়াকৈ অভয়াপুৰীত মহাপুৰুষ শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মোৎসৱ

**অসম বাৰ্তা, অভয়াপুৰী, ১৪ ছেপ্টেম্বৰ ঃ** অভয়াপুৰী পিৰাধৰাস্থিত মদনমোহন বিগ্ৰহ নামঘৰ প্ৰাঙ্গণত অহা ১ অক্টোবৰৰ পৰা ৪ অক্টোবৰলৈ চাৰিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মোৎসৱৰ আয়োজন কৰা হৈছে। ৰাইজে ইতিমধ্যে দিলীপ কুমাৰ দাসক সভাপতি আৰু ধ্বনঞ্জয় অধিকাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি শক্তিশালী সমিতি গঠন কৰি যুগুত কৰিছে এলানি কাৰ্যসূচী। সেই কাৰ্যসূচী অনুসৰি ১ অক্টোবৰত ঘনশ্যাম অধিকাৰীৰ পৰিচালনাত আধিবাস কীৰ্তন আৰু ভাগৱত পাঠ অনুষ্ঠিত হ'ব। ২ অক্টোবৰত প্ৰভাত ফেৰী, ধৰ্মধ্বজা উত্তোলন, ভাগৱত সহঃ নগৰ পৰিভ্ৰমণ, সমূহীয়া প্ৰসাদ বিতৰণ আৰু নাম পৰিৱেশন কৰিব। ৩ অক্টোবৰত স্থানীয় আই সকলৰ নাম পৰিৱেশনৰ পিছত দিহানামৰ শিল্পী হিমা বায়ন আৰু বৰনাগৰা শিল্পী বিনয় ৰাজকুমাৰৰ লগতে বইটামাৰী, বঙাইগাঁও আৰু অভয়াপুৰীৰ বিভিন্ন দলে নাম পৰিৱেশন কৰিব। সামৰণিৰ দিনা অৰ্থাৎ ৪ অক্টোবৰত সামৰণি প্ৰসংগ, ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা আৰু ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব। এই সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকিব যুৱ বক্তা এঞ্জেলা চাংমা। সন্ধিয়া নাট্যকাৰ প্ৰমোদ দাসৰ ৰচনা আৰু বুবুল দাসৰ পৰিচালনাত ৩০ গৰাকী যুৱতী-মহিলাৰ দ্বাৰা মঞ্চস্থ কৰা হব এখনি পূৰ্ণাংগ সামাজিক নাট "হনুমান সাগৰ বান্ধা চাঁউ"। জন্মোৎসৱ পৰিচালনা সমিতিয়ে সকলো কাৰ্যসূচীত সহায় সহযোগিতা আগবঢ়াবলৈ ৰাইজক আহ্বান জনাইছে।

# নগাঁও জিলাত আদি কৰ্মযোগী অভিযানৰ তিনিদিনীয়া ব্লক মাষ্টাৰ ট্ৰেইনাৰৰ বাবে জিলা পৰ্যায়ৰ জিলা প্ৰক্ৰিয়া লেব প্ৰশিক্ষণ

**অসম বাৰ্তা, বঢ়মপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** আদি কৰ্মযোগী অভিযানৰ জৰিয়তে নগাঁও জিলাৰ ৩৬খন জনজাতি গাঁও অঞ্চলৰ জনসাধাৰণৰ উন্নয়নৰ বাবে ইংৰাজী ১১ ছেপ্টেম্বৰৰ পৰা ১৩ ছেপ্টেম্বৰ, ২০২৫ লৈ নগাঁও জিলা পৰিষদৰ কাৰ্য্যালয়ৰ সভা কক্ষত ব্লক মাষ্টাৰ ট্ৰেইনাৰসকলৰ বাবে তিনিদিনীয়া জিলা প্ৰক্ৰিয়া লেব প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভনি কৰে জিলা অতিৰিক্ত আয়ুক্ত তথা জিলা আদি কৰ্মযোগী অভিযানৰ নডেল বিষয়া মনোৰমা মৰাংয়ে। এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলা পৰ্যায়ৰ আদি কৰ্মযোগী অভিযানৰ ৭গৰাকী মাষ্টাৰ ট্ৰেইনাৰে ব্লক পৰ্যায়ৰ মাষ্টাৰ ট্ৰেইনাৰসকল ক্ৰমে- খণ্ড উন্নয়ন বিষয়া, স্বেচ্ছাসেৱী সংগঠন / সংস্থাৰ প্ৰতিনিধিসকলক প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণত প্ৰধানত জিলাখনৰ জনজাতি বসতি প্ৰধান গাঁও সমূহক কেনেদৰে উন্নয়ন কৰিব পাৰি লগতে সেই গাঁও সমূহৰ জনসাধাৰণক বিভিন্ন চৰকাৰী আঁচনিসমূহৰ বিষয়ে অৱগত কৰি সেই আঁচনিসমূহ পাৰস্পৰিক যোগাযোগৰ জৰিয়তে লাভ কৰাৰ ব্যৱস্থা কিদৰে কৰি দিব পাৰি এই বিষয়সমূহৰ ওপৰত বিতংভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হয়। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত জিলা সহকাৰী আয়ুক্ত শিল্পীৰেখা পণ্ডিত উপস্থিত থাকে। জিলা পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষসকল ক্ৰমে- সিদ্ধাৰ্থ ছিংকাই, খণ্ড উন্নয়ন বিষয়া, বঢ়মপুৰ, মানিতা দাস ৰংহাং, খণ্ড উন্নয়ন বিষয়া, বটদ্ৰবা, শংখ প্ৰবাল শ্যান্দিল্য, আঁচনি প্ৰবন্ধক, অসম ৰাজ্যিক জীৱিকা অভিযান, মুকেশ বড়ো, কনিষ্ঠ অভিযন্তা, জনস্বাস্থ্য কাৰিকৰী বিভাগ, নগাঁও, অংশুমান শৰ্মা, সহকাৰী শিক্ষক, পণ্ডিত গোপীনাথ বৰদলৈ হাইস্কুল, ৰহা, ৰশ্মি বৰুৱা, শিশু উন্নয়ন প্ৰকল্প বিষয়া, জুৰীয়া আৰু ছামিম আখতাৰ, ৰেঞ্জাৰ, বন আৰু পৰিবেশ বিভাগ, নগাঁও উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰে। জিলা পৰ্যায়ৰ এই জিলা প্ৰক্ৰিয়া লেব প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। প্ৰায় ৫০জন ব্লক মাষ্টাৰ ট্ৰেইনাৰে উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ গ্ৰহণ কৰে।

# বানমুখত শ্ৰীকৃষ্ণ জন্মাষ্টমী উদ্‌যাপন

**অসম বাৰ্তা, দিচাংমুখ, ১৪ ছেপ্টেম্বৰ ঃ** বানমুখৰ দিলিহ দলঙৰ সমীপত অহা ১৪ ছেপ্টেম্বৰত এদিনীয়া কাৰ্যসূচীৰে ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদ্‌যাপন কৰিব দিলিহপৰীয়া যুৱ সমাজে। স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া উক্ত ধৰ্মীয় অনুষ্ঠানত বিভিন্ন ধৰ্মীয় কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি প্ৰশান্ত গগৈয়ে। তাৰ পিছতে পুৱা ১০ বজাৰ পৰা ভাগৱত পাঠ আৰম্ভ হ'ব। দিনৰ বেলি ২ বজাত সমজুৱা সেৱা আৰু প্ৰসাদ বিতৰণৰ ব্যৱস্থা থাকিব। সন্ধিয়া ৬-৩০ বজাত বন্তি প্ৰজ্বলন কৰিব পূৰ্নেশ্বৰ চেতিয়াই। তাৰ পিছতে সন্ধিয়া ৭ বজাত মঞ্চ উদ্বোধনৰ লগে লগে নাম পৰিৱেশন আৰম্ভ হ'ব। নাম পৰিৱেশনৰ বাবে ঢকুৱাখানাৰ পৰা নিমন্ত্ৰণ জনোৱা হৈছে খ্যাতনামা "শিৰোমণি হৰিনামৰ" দলক। উদ্‌যাপন সমিতি আৰু দিলিহপৰীয়া যুৱ সমাজে অনুষ্ঠানত সকলো ধৰ্মপ্ৰাণ ৰাইজক উপস্থিত হৈ ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উৎসৱক সফল কৰি তুলিবলৈ আহ্বান জনাইছে।

### অসম ভিত্তিত বিয়ানাম প্ৰতিযোগিতাত ৰাৱনাগাঁৱৰ প্ৰগতি বিয়ানামৰ দল শ্ৰেষ্ঠ

# নামনি মাজুলীৰ গোৱালগাঁৱত 'সাতসৰী' সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থা - অসমৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ অগ্ৰণী মহিলা সংগঠন 'সাতসৰী - সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থা'- অসম'ৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজিৰ পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে নামনি মাজুলীত আৰম্ভ হৈছে। মাজুলী জিলাৰ সাতসৰী আশাপূৰ্ণা শাখাৰ সহযোগত আজিৰ পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে নামনি মাজুলীৰ গোৱালগাঁও তৰুণ নাট্য সমাজৰ প্ৰেক্ষাগৃহত উক্ত প্ৰতিষ্ঠা দিৱস আৰম্ভ হৈছে। উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সদৌ অসম ভিত্তিত মহিলাসকলৰ মাজত দলীয় বিয়া নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। সংগঠনটোৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি পুৱা গছপুলি ৰোপণ কৰে স্থানীয় জ্যেষ্ঠ নাগৰিক জয়ৰাম বৰাই। পুৱা ৯ বজাত সাতসৰীৰ পতাকা উত্তোলন কৰে সাতসৰী সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থা- অসমৰ সভানেত্ৰী তথা প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱাই। তাৰপিছত স্মৃতি তৰ্পণ কাৰ্যসূচীত বন্তি প্ৰজ্বলন কৰে ধৰ্মপ্ৰাণা মহিলা স্বৰ্ণবৰাই। পুৱা দহ বজাৰ পৰা সদৌ অসম ভিত্তিত মহিলাৰ দলীয় বিয়া নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্তই উদ্বোধন কৰা উক্ত বিয়া নাম প্ৰতিযোগিতাখন সঞ্চালনা কৰে সাতসৰী অসমৰ সদস্যা তৃপ্তি হাজৰিকা আৰু বিজু হাজৰিকাই। উক্ত, বিয়ানাম প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২২টা নিৰ্বাচিত বিয়ানামৰ দলে অংশগ্ৰহণ কৰি। চাৰি ঘণ্টা ধৰি অনুষ্ঠিত হোৱা উক্ত বিয়ানাম প্ৰতিযোগিতাত জাউৰীয়ে জাউৰীয়ে বিয়া নাম, উৰুলি, জোৰা নাম, জোৰোণৰ নাম, সুৱাগ তোলা নাম, আখৈ দিয়া নাম, গাঁথিয়ন খুন্দা নাম আদি পৰিৱেশন কৰি সমগ্ৰ অঞ্চলটো মুখৰিত কৰি তোলে। উক্ত, বিয়ানাম প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ৰাৱনাগাঁৱৰ প্ৰগতি বিয়ানামৰ দল, দ্বিতীয় স্থান -ওপৰ কাটনী মহিলা সমিতি, তৃতীয় স্থান লাভ কৰে যুটীয়া ভাৱে - পহুমৰা বিয়ানামৰ দল আৰু বেবেজীয়াৰ সম্প্ৰীতি আয়তীৰ দল। উক্ত, প্ৰতিযোগিতাত শ্ৰেষ্ঠ নামতিৰ সন্মান লাভ কৰে বালিচাপৰিৰ মণিকাঞ্চন দলৰ প্ৰণামিকা ভূঞা আৰু দ্বিতীয় শ্ৰেষ্ঠ নামতিৰ সন্মান লাভ কৰে-শিলিখাগুৰিৰ সৰুমাই শইকীয়া ফুকনে। উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে আৰ্ট অৱ লিভিঙৰ জৰিয়তে এটা চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। উক্ত, চিকিৎসা দিৱসত আয়ুৰ্বেদিক চিকিৎসক ডাঃ দিতিমণি গোস্বামী, আৰ্ট অৱ লিভিঙৰ প্ৰশিক্ষক লয় মধুশূল্য আৰু মনমী শৰ্মাই অংশগ্ৰহণ কৰে। উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে সন্ধিয়া বন্তি প্ৰজ্বলন কৰে সাতসৰী-অসমৰ উপ- সভানেত্ৰী অৰুণিমা বৰাই। সন্ধিয়া আঠ বজাৰ পৰা প্ৰতিষ্ঠা দিৱস উপলক্ষে সাতসৰী আশাপূৰ্ণা শিল্পী সমাজে "শোণিত কুঁৱৰী" নাটক মঞ্চস্থ কৰে। উক্ত, নাটক উদ্বোধন কৰে সাতসৰী-অসমৰ সদস্যা জ্যোতি বৰুৱাই। অনুষ্ঠানত বাঁহী বাদন পৰিৱেশন কৰে। বিশিষ্ট শিল্পী অঞ্জলি গোস্বামীয়ে। উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে কাইলৈ পুৱা দহ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হ'ব। সাতসৰী সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী ড° মন্দিৰা বৰুৱাই সভাপতিত্ব কৰিব লগীয়া মুকলি সভাখন উদ্বোধন কৰিব সাতসৰী -অসমৰ মুখ্য পৰামৰ্শদাতা মৈনাক পাত্ৰই। সাতসৰী আশাপূৰ্ণা মাজুলী শাখাৰ সভানেত্ৰী গায়ত্ৰী হাজৰিকাই আদৰণী ভাষণ দিবলগীয়া সভাত মুখ্য অতিথি হিচাপে মাজুলীৰ বিধায়ক ভুবন গামে অংশগ্ৰহণ কৰিব। সভাত সন্মানীয় অতিথি হিচাপে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু জ্যেষ্ঠ বিজ্ঞানী ড° হেমেন হাজৰিকাই অংশ গ্ৰহণ কৰিব। সভাত বিশিষ্ট অতিথি হিচাপে অলি বৰা, ললিত চন্দ্ৰ হাজৰিকা, বাচাৰাম বৰুৱা আৰু সুভদ্ৰা বৰাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানত শিশু আলোচনী "শিশু সম্ভাৰ" উন্মোচন কৰিব সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ সভানেত্ৰী মিনতি শইকীয়াই। উক্ত, মুকলি সভাত ডাঃ বীণা পাত্ৰ সাতসৰী সংগীত সাধনা বঁটা -২০২৫ প্ৰদান কৰিব, মাজুলীৰ বিশিষ্ট লোক শিল্পী বিষ্ণু দাসক। মুকলি সভাত সদৌ অসম বিয়া নাম প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সাতসৰী আশাপূৰ্ণা মাজুলী শাখাৰ সভানেত্ৰী গায়ত্ৰী হাজৰিকা আৰু সম্পাদিকা শিখা ভূঞা মূদৈয়ে।

# জাঁজী ফুলপানিছিগাৰ সমাজকৰ্মী পোৱাল দত্তৰ দেহাৱসান

**অসম বাৰ্তা, জাঁজী, ১৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জাঁজী ফুলপানীছিগা বামুণগাঁও নিৱাসী, নামাচাৰ্য, সমাজকৰ্মী, ডাক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা অসমীয়া প্ৰতিদিন কাকতৰ জাঁজীৰ সংবাদদাতা ৰাজীৱ দত্তৰ পিতৃ পোৱাল দত্তৰ আজি পুৱা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ। ১৯৯৭ চনৰ ৩০ জুনত অৱসৰ গ্ৰহণ কৰা সমাজকৰ্মী দত্তই শিৱসাগৰ জিলাৰ অৱসৰপ্ৰাপ্ত ডাক পেন্সনাৰ সন্থাৰ সাংগঠনিক সম্পাদক হিচাবে দায়িত্ব গ্ৰহণ কৰিছিল। তদুপৰি তেওঁ গৌৰীসাগৰ জেষ্ঠ নাগৰিক সন্মিলনৰ উপদেষ্টা হিচাবে, ফুলপানীছিগা আঞ্চলিক ৰাস মহোৎসৱ উদযাপন সমিতিৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল। সমাজ সেৱাৰ লগতে তেখেত এগৰাকী নামাচাৰ্য আৰু এগৰাকী ভাল কৃষক আছিল। সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙনিৰ বাবে গৌৰীসাগৰ জেষ্ঠ নাগৰিক সন্মিলনী আৰু জাঁজী শাখা সাহিত্য সভাই তেখেতক নিজ গৃহতেই সম্বৰ্ধনা জনাইছিল। ১৯৩০ চনতে প্ৰতিষ্ঠিত ফুলপানীছিগা অঞ্চলৰ একমাত্ৰ ধৰ্মীয় আৰু আধ্যাত্মিক অনুষ্ঠান ফুলপানীছিগা আঞ্চলিক ৰাস মহোৎসৱ আৰু কলা কৃষ্টি কেন্দ্ৰৰ সতে ওতপ্ৰোতভাৱে ভাৱে জড়িত থকাৰ লগতে যি সময়ত মাইকৰ ব্যৱহাৰ নাছিল তেখেতে গছত উঠি শ্ৰীশ্ৰী ৰাসক্ৰীড়াৰ নাটৰ আকাশবাণী (নেপথ্যৰ কথা) সমূহ পাঠ কৰিছিল। আজি পুৱা তেওঁৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে অগণন গুণমুগ্ধ তেখেতৰ বাসগৃহত সমবেত হয়। আনহাতে অন্তেষ্টিক্ৰিয়াৰ পূৰ্বে এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সমাজকৰ্মী পুষ্পধৰ নেওগে আঁতধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ফুলপানীছিগা আঞ্চলিক ৰাস মহোৎসৱৰ বৰ নামঘৰ আৰু কলা কৃষ্টি কেন্দ্ৰ, জাঁজী প্ৰেছক্লাব, বামুণ নামঘৰ সমাজ, পুৰণিমেলীয়া গাঁও নামঘৰ সমাজ, গৌৰীসাগৰ প্ৰেছ ক্লাব, গৌৰীসাগৰ জেষ্ঠ নাগৰিক মঞ্চ, অসম বিজ্ঞান সমিতি, গৌৰীসাগৰ আৰু দিখৌমুখ শাখা, জনপ্ৰিয় সামাজিক মাধ্যম ফেচবুকৰ অনুশীলন গ্ৰুপ, আধ্যাত্মিক যুৱ সন্মিলন, অসম, বিনায়ক ৰেস্তোৰেণ্ট পৰিয়াল বৰ্গ, শ্ৰীশ্ৰী ৰামখা পীঠ দেৱালয় পৰিচালনা সমিতি, দিখৌমুখ দেওঘৰীয়া, শিৱসাগৰ জিলাৰ বেচৰকাৰী অনুষ্ঠান কৃষক ন্যাস, শিৱসাগৰ জিলাৰ গ্ৰাম্য সাংবাদিক সংঘ, জাঁজী শাখা সাহিত্য সভা, জাঁজী শাখা লেখিকা সংস্থা, আপকু শিৱসাগৰ জিলা সমিতি, গৌৰীসাগৰ ব্যৱসায়ী সন্থাকে ধৰি বিভিন্ন ব্যক্তিয়ে সমাজকৰ্মী গৰাকীৰ নশ্বৰদেহত পুষ্পাঞ্জলি অৰ্পন কৰে। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, তিনিগৰাকী বোৱাৰী, এগৰাকী বিবাহিতা জী, জোঁৱাইকে ধৰি নাতি-নাতিনী সহ অনেক আত্মীয় স্বজনক ইহ সংসাৰত এৰি থৈ গৈছে। দত্তৰ মৃত্যুত অঞ্চল বাসী ৰাইজে শোক প্ৰকাশ কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন